## এই সংখ্যাত

# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী


সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ দীপিকা কচচল
জ্যেষ্ঠ সম্পাদক ঃ ৰাজীৱ লোচন বৰঠাকুৰ

**PAYOBHARA**
**VOL. - 48 No. 6**
অষ্টাচত্বাৰিংশ বৰ্ষ ঃ ষষ্ঠ সংখ্যা
আগষ্ট ঃ ২০১৭


শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
গজানন পি ধোপে


| | | |
|---|---|---|
| ❐ সামগ্ৰী আৰু সেৱা কৰ ৰূপায়ণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ | ✍ অৰুণ গোৱেল | ৩ |
| ❐ একক কৰ আমোলৰ সৃষ্টি | ✍ টি এন অশোক | ৮ |
| ❐ চোৰাং ব্যৱসায় ঃ সামগ্ৰী আৰু সেৱা কৰ ৰূপায়ণত প্ৰত্যাহ্বান | ✍ গিৰীশ চন্দ্ৰ প্ৰসাদ | ১৪ |
| ❐ শক্তিশালী তথ্য প্ৰযুক্তি মেৰুদণ্ড গঠন | ✍ প্ৰকাশ কুমাৰ | ১৬ |
| ❐ সংঘীয় বিত্তীয় সম্পৰ্কৰ ভাৰসাম্য | ✍ জয়ন্ত ৰয় চৌধুৰী | ১৮ |
| ❐ সামগ্ৰী আৰু সেৱা কৰ ঃ এটা যুগৰ আৰম্ভণি | ✍ চি এ উপেন্দ্ৰ গুপ্তা | ২১ |
| ❐ সামগ্ৰী আৰু সেৱা কৰ ঃ ব্যৱসায়ৰ সৰলীকৰণৰ পথত ইয়াৰ প্ৰভাৱ | ✍ ডানিছ এ হাছিম<br>✍ বৰ্ষা কুমাৰী | ২৬ |
| ❐ সন্মুখত সাময়িক প্ৰত্যাহ্বান | ✍ দেৱৰাজা ৰেড্ডী এম | ৩২ |
| ❐ সামগ্ৰী আৰু সেৱা কৰ ঃ উপভোক্তাৰ বাবে কিমান প্ৰাসংগিক | ✍ সূৰয জয়ছোৱাল | ৩৬ |
| ❐ সামগ্ৰী আৰু সেৱা কৰ ঃ এটা বৈপ্লৱিক অৰ্থনৈতিক বিৱৰ্তন | ✍ মৃণালকান্তি চক্ৰৱৰ্তী | ৪০ |
| ❐ প্লাষ্টিকৰ জঞ্জালৰ পৰা পৰিত্ৰাণ কেনেকৈ? | ✍ দীনেশ চন্দ্ৰ গোস্বামী | ৪৩ |
| ❐ জী এছ টীৰ সাম্প্ৰতিক দৃষ্টিভংগী | ✍ অনিল কুমাৰ শইকীয়া | ৪৫ |
| ❐ প্ৰযুক্তি আৰু আধুনিক জীৱন-যাত্ৰা | ✍ বিজয়কৃষ্ণ দেৱশৰ্মা | ৪৯ |
| ❐ আপুনি জানেনে? | | ৫১ |
| ❐ উত্তৰ-পূবৰ দিনলিপি | | ৫২ |


পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব


পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ২৩০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ৪৩০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ৬১০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় পেন্সনপাৰা পথ, গৃহ নং ৪, গুৱাহাটী
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ ডি কে গ্ৰাফিকছ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প য়ো ভ ৰা

## এই সংখ্যাৰ প্ৰসংগত

# লক্ষ্য-কৰৰ অভিমুখে

২০১৭ চনৰ ১ জুলাই তাৰিখে সামগ্ৰী আৰু সেৱা কৰ বাস্তৱত পৰিণত হোৱাৰ লগে লগে ভাৰতৰ ইতিহাসত ২০১৭ চনটো অতি তাৎপৰ্যপূৰ্ণ বছৰ হিচাপে লিপিৱদ্ধ হৈছে। এই নতুন ব্যৱস্থাটো ভাৰতৰ কৰ ইতিহাসত অতি বৈপ্লৱিক কৰ সংস্কাৰ হিচাপে পৰিগণিত হৈছে।

এখন দেশৰ শক্তিশালী কৰ নীতি হ'ল— শক্তিশালী সু-প্ৰশাসন আৰু বহনক্ষম উন্নয়নৰ ইংগিত। এই সত্যটো ঐতিহাসিক পৰিপ্ৰেক্ষাৰ পৰাও প্ৰতিফলিত হৈছে। সকলো সফল শাসকেই ভাল প্ৰশাসক হিচাপে তেওঁলোকৰ অত্যুতম ৰাজহ সংগ্ৰহ ব্যৱস্থাৰ বাবে জনাজাত, লাগে সেয়া মৌৰ্যসকল, গুপ্তসকল, ইলতুৎমিছ বা আকবৰেই হওক। তেওঁলোকৰ কেৱল ৰাজনৈতিক বিচক্ষণতাৰ বাবেই নহয় কৰ নীতিৰ বাবেও তেওঁলোক জনাজাত আছিল।

কৰ ৰাজহ আৰু বৰ্দ্ধনৰ উৎস হোৱাৰ উপৰি ৰাজ্যক নিজৰ কৰদাতাসকলৰ প্ৰতি জবাবদিহি হোৱাত এটা ভূমিকা গ্ৰহণ কৰে। সফল কৰ ব্যৱস্থাই সামাজিক উদ্দেশ্য সমৰ্থনৰ বাবে দীৰ্ঘ কালৰ কাৰণে ৰাজহুৱা পুঁজি বহনক্ষম বুলি নিশ্চিত কৰে আৰু অৰ্থনৈতিক উন্নয়নৰ উৎকৰ্ষ সাধন কৰে। ভাৰতীয় কৰ ব্যৱস্থাৰ জটিলতাই বিশ্বৰ কৰ ব্যৱস্থাৰ ভাল চিন্তাধাৰাকো বিবুদ্ধিত পেলায়। কেন্দ্ৰ, ৰাজ্য আৰু স্থানীয় প্ৰশাসনৰ কৰ আৰোপৰ ক্ষমতা থকা বাবে সাধাৰণ জনৰপৰা নিৰ্মাণকাৰী আৰু ব্যৱসায়ীলৈকে— প্ৰত্যকজন লোকেই বহু বিশিষ্ট কৰৰ বোজা অনুভৱ কৰে। এই বছৰসমূহত এবিধ সামগ্ৰীৰ উৎসৰ পৰা চূড়ান্ত স্থানলৈকে বিভিন্ন পৰ্যায়ত কৰ সংগ্ৰহ কৰা হৈছিল। সেই কাৰণে, সামগ্ৰী আৰু সেৱাসমূহৰ ওপৰত অতি সঘনে বহু কৰ আৰোপণ হৈছিল। ৰাজ্য এখনৰ বাহিৰলৈ প্ৰেৰণ কৰিবলগীয়া সামগ্ৰী সীমা অঞ্চলত ঘণ্টাৰ পাছত ঘণ্টা বিভিন্ন কৰ পৰিশোধৰ কাৰণে ৰখাই থোৱা হৈছিল আৰু ইয়াৰ ফলত সামগ্ৰী নষ্ট হোৱাকে ধৰি উচ্চ পৰিবহণ ব্যয় বৃদ্ধি পাইছিল আৰু লোকচানৰ সন্মুখীন হৈছিল।

কৰৰ নতুন ব্যৱস্থাই দেশত সকলো সামগ্ৰীৰে যোগান আৰু সেৱাৰ বাবে একক কৰ ব্যৱস্থাৰ অধীনলৈ আনি কৰ দৃশ্যপটৰ ৰূপান্তৰ সাধনৰ লক্ষ্য গ্ৰহণ কৰিছে। "লক্ষ্য-কৰ" হিচাপে বাৰ্তা বহনকাৰী সামগ্ৰী আৰু সেৱা কৰ গ্ৰহণ কৰা সময়ত পৰিশোধ কৰিব লাগিব। উদাহৰণস্বৰূপে, কাপোৰৰ ওপৰত লগোৱা কৰ কাপোৰ বিক্ৰী কৰা ঠাইত পৰিশোধ কৰিব লাগিব। এই ব্যৱস্থা আগৰ ব্যৱস্থাৰ বিৰোধী— য'ত প্ৰথমতে নিৰ্মাণ, পৰিবহণ আৰু শেষত বিক্ৰী কৰাৰ সময়ত দিবলগীয়া হৈছিল। ইয়াৰ অৰ্থ এয়ে যে সামগ্ৰীসমূহৰ ওপৰত বহু কৰ লগোৱা হৈছিল যিটো বিষয়ত উপভোক্তাজন সচেতন নাছিল যে, এই সকলোবোৰ কৰ তেওঁ পৰিশোধ কৰি আছে। সেয়েহে একক কৰ ব্যৱস্থাই বহু বিশিষ্ট কৰ ব্যৱস্থাৰ বিলোপ ঘটাই উপভোক্তাক উপকৃত কৰিব আৰু মূল্য হ্ৰাস পাব। স্বচ্ছ চৰিত্ৰৰ বাবে সামগ্ৰী আৰু সেৱা কৰ পৰিচালনা কৰিবলৈকো সহজ হয়। এই ব্যৱস্থাই 'মেইক্ ইন ইণ্ডিয়া' আৰু বাণিজ্য সহজ কৰি তোলাৰ (ইজ অৱ ডুয়িং বিয্নিছ) ক্ষেত্ৰত উদ্যোগ গ্ৰহণ কৰিব। বিশ্বৰ অৰ্থনীতিত ভাৰতে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি কৰা প্ৰত্যাশাত সামগ্ৰী আৰু সেৱা কৰ আঁচনি পৰিৱৰ্তনকাৰী হিচাপে প্ৰমাণিত হ'ব— কাৰণ সামগ্ৰী আৰু সেৱা কৰে ঘৰুৱা তথা আন্তৰ্জাতিক বজাৰত ৰপ্তানি বৃদ্ধিৰে ইয়াৰ সামগ্ৰীক প্ৰতিযোগিতামুখী কৰি তুলিব।

এই বৃহৎ আকাৰৰ ব্যৱস্থাটোৰ বাবে পৰ্যাপ্ত পৰিমাণৰ শক্তিশালী তথ্য-প্ৰযুক্তি আন্তঃগাঁথনি ভিত্তিৰ প্ৰয়োজন হ'ব। এই উদ্দেশ্যে গঠন কৰা সামগ্ৰী আৰু সেৱা কৰৰ নেটৱৰ্ক (জী এছ টী এন)ৰ শক্তিশালী নেটৱৰ্কৰ জৰিয়তে সফল উল্লেখনীয় সংস্কাৰ আশা কৰা হৈছে। এবাৰ ৰূপায়িত হ'লে এই অসমান্তৰাল কৰ সংস্কাৰে ভাৰতীয় অৰ্থনীতিৰ বাবে বহনক্ষম বৰ্দ্ধনৰ ক্ষেত্ৰত ডাঙৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব। ই সমৰেশ ৰাষ্ট্ৰীয় বজাৰক 'এটা জাতি, এটা কৰ, এখন বজাৰ'ৰ সপোন বাস্তৱায়িত হোৱাত সহায় কৰিব।

# সামগ্ৰী আৰু সেৱা কৰ ৰূপায়ণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ

অৰুণ গোৱেল*

যোৱা ১ জুলাইত সামগ্ৰী আৰু সেৱা কৰ দেশত প্ৰচলন কৰা হয়। সংসদৰ ছেণ্ট্ৰেল হলত মাজনিশা প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভাৰতৰ ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীৰ উপস্থিতিত এই কাৰ্য সমাপন কৰে। এয়া বাস্তৱিকতেই এটা ঐতিহাসিক মুহূৰ্ত— যি মুহূৰ্তত এটা নতুন আৰ্হিৰ পথ সূচনা হয় আৰু যাৰ দ্বাৰাই ভাৰত 'এক দেশ, এক কৰ, এক বজাৰ'ৰ পিনে গতি কৰে। গোলকীয় অভিজ্ঞতাই সকলো অংশীদাৰীৰ বাবে জী এছ টী ৰূপায়ণৰ সুফল বিভিন্ন ধৰণে প্ৰতিফলিত হোৱাটোৱেই দেখুৱায়। আমাৰ দেশখনত এই জী এছ টী ব্যৱস্থাৰ ফলত উপভোক্তাসকল নিম্ন মূল্যৰপৰা উপকৃত হ'ব। কাৰণ কৰৰ ক্ষেত্ৰত যি ভিন ভিন পদক্ষেপ গ্ৰহণ কৰা হয়, সেইবোৰ আঁতৰি যাব। ব্যৱসায় আৰু উদ্যোগসমূহো উপকৃত হ'ব; কাৰণ সমগ্ৰ দেশতে একে ধৰণৰ একক পৰোক্ষ কৰ প্ৰয়োগ কৰিলে, আন্তঃৰাজ্যিক সীমান্তত থকা বাধাসমূহ দূৰ হ'ব, তথ্যপ্ৰযুক্তি প্ৰয়োগ ব্যৱস্থাৰে কাৰ্য সমাপন কৰা হ'ব আৰু কৰ কৰ্তৃপক্ষৰ সৈতে কম যোগাযোগ ৰক্ষা কৰাৰ আৱশ্যক হ'ব। পণ্য উৎপাদক সকলে তেওঁলোকৰ কেঁচা মালৰ উৎস, উৎপাদনৰ অৱস্থান আৰু পণ্যগাৰৰ সা-সুবিধাৰ সন্দৰ্ভত অধিক যুক্তিসঙ্গতভাৱে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰবোৰে কৰৰ গতিময়তাৰ প্ৰতি মনোযোগ দিব আৰু সহজ প্ৰক্ৰিয়াৰ হেতু কৰ সংগ্ৰহৰ খৰচো যথেষ্টভাৱে হ্ৰাস পাব। ৰপ্তানি কাৰ্য অধিক প্ৰতিযোগিতামুখী হ'ব, কিয়নো সামগ্ৰী আৰু সেৱা কাৰ্য আপাতত ঃ কোনো কৰ অবিহনে ৰপ্তানি কৰিবলৈ সুবিধা পাব। তাৰ চূড়ান্ত ব্যৱস্থা লক্ষ্যস্থল গৈ পোৱাৰ পাছতহে লোৱা হ'ব। "মেইক্ ইন ইণ্ডিয়া" কাৰ্যসূচীয়ে অধিক উৎসাহ লাভ কৰিব। কাৰণ সহজভাৱে ব্যৱসায় কৰিব পাৰিব, সামগ্ৰী আমদানি কৰাত তেনেদৰে জটিলতা নেথাকিব, কিয়নো মূল সীমা শুল্কৰ উপৰি সকলো আমদানিকৃত সামগ্ৰী এক সমন্বিত জী এছ টীৰ বিচাৰ ধাৰাত মাপ কৰা হয়। এই সকলোবোৰ লাভজনক ব্যৱস্থাৰ হেতু মধ্যৱৰ্তী কালছোৱাত তথা সুদূৰ ভৱিষ্যতে মুঠ ঘৰুৱা উৎপাদন (জী ডী পী) বৃদ্ধি হোৱাত অৰিহণা যোগাব।

## সংবিধান সংশোধনৰ আৱশ্যকতা

দুই-এটা ব্যতিক্ৰমৰ বাহিৰে যিবোৰ দেশত জী এছ টী প্ৰচলন কৰা হৈছে সেইবোৰ দেশত এই সামগ্ৰী আৰু সেৱা কৰৰ ধৰণ- কৰণ একীভূত প্ৰকৃতিৰ। এই কৰ কেন্দ্ৰীয় চৰকাৰ কিম্বা ৰাজ্য চৰকাৰৰদ্বাৰা আৰোপ কৰা হয়। ভাৰতৰ জী এছ টী প্ৰচলনৰ বাবে সংবিধান সংশোধন কৰাৰ আৱশ্যক হয়, কিয়নো সংবিধান সংশোধনৰ পূৰ্বে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত বিত্তীয় ক্ষমতা স্পষ্টভাৱে বিভক্ত কৰা হৈছিল। এয়া কেন্দ্ৰীয় তালিকা আৰু ৰাজ্যৰ তালিকাত অন্তৰ্ভুক্তি ক্ৰমে এনে কৰা হয়। প্ৰস্তুত সামগ্ৰীসমূহৰ ওপৰত (মানৱ ব্যৱহাৰ্য সুৰা, ভাং, মাদক দ্ৰব্য আদিৰ বাহিৰে) কৰ আৰোপ কৰিবলৈ কেন্দ্ৰৰ ক্ষমতা আছিল আৰু বয়-বস্তু বিক্ৰীৰ ওপৰত কৰ আৰোপ কৰিবলৈ ৰাজ্যবোৰৰ ক্ষমতা আছিল। আন্তঃ-ৰাজ্যিক বিক্ৰীৰ ক্ষেত্ৰত কৰ আৰোপ কৰাৰ ক্ষমতা কেন্দ্ৰৰ, কিন্তু সেই কৰ ৰাজ্যসমূহে সংগ্ৰহ কৰি নিজৰ ওচৰত ৰাখিছিল আৰু সেৱা প্ৰদানৰ ক্ষেত্ৰত মাত্ৰ কেন্দ্ৰকহে তেনে সেৱা কৰ আৰোপ কৰিবলৈ ক্ষমতা দিয়া হৈছিল। চৰকাৰৰ উভয় স্তৰতে কাৰ্য সমাপন কৰিবলৈ নিৰ্দিষ্ট দায়িত্ব আছে। সেই বাবে সংবিধানত নিৰ্দিষ্ট কৰা বিভাজন অনুযায়ী ৰাজ্য আৰু কেন্দ্ৰ উভয়ে তাক বৃদ্ধি কৰিবলৈ সম্পদৰ আৱশ্যক হৈছিল। সেই কাৰণে সংবিধান সংশোধন কৰাৰ প্ৰয়োজন আছিল— যাতে কেন্দ্ৰ আৰু ৰাজ্যবোৰক কৰ আৰোপ আৰু জী এছ টী সংগ্ৰহ কৰিবলৈ একেলগে ক্ষমতা দিব পৰা যায়। ভাৰতৰ যি দ্বৈত জী এছ টী প্ৰচলন কৰা হয় সেয়া বিত্তীয় সংঘীয়বাদৰ সাংবিধানিক প্ৰয়োজনীয়তালৈ চাই কৰা হয়।

## ভাৰতত জী এছ টী প্ৰচলনৰ বাবে এটা দীৰ্ঘকালৰ প্ৰয়াস

সামগ্ৰী আৰু সেৱা কৰ ইতিমধ্যে প্ৰায় ১৬০ খন দেশত প্ৰচলন কৰা

*লেখক অৰুণ গোৱেল হ'ল এগৰাকী ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া। বৰ্তমান তেওঁ জী এছ টী পৰিষদত অতিৰিক্ত সচিব ৰূপে কাৰ্যনিৰ্বাহ কৰি আছে।

হৈছে। ফ্ৰান্স হ'ল প্ৰথম দেশ— যি ১৯৫৪ চনত ইয়াক ৰূপায়ণ কৰিছিল। জী এছ টীয়ে অৰ্থনীতিলৈ বহু সা-সুবিধা আনি দিয়াৰ দিশটোলৈ চাই বহু দিনৰ-পৰা আমাৰ দেশখনৰ ৰাজনৈতিক কাৰ্যক্ৰমণিকাত ই এটা অন্তৰ্ভুক্তিৰ বিষয় হৈ পৰে। এই যাত্ৰা দীৰ্ঘকালৰ; আৰু বহু ৰাজনৈতিক নেতা, অৰ্থনৈতিক ক্ষেত্ৰৰ চিন্তাবিদ তথা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ বিষয়াসকলৰ প্ৰয়াসৰ ফলত ই এটা নিৰ্দিষ্ট গতি লাভ কৰে। ২০০০ চনত অটল বিহাৰী বাজপেয়ী প্ৰধান মন্ত্ৰী হৈ থকা কালত জী এছ টীৰ ধাৰণাটো প্ৰথম গঢ় লৈ উঠে আৰু সেই সন্দৰ্ভত এখন সমিতিও গঠন কৰা হয়। সমিতিখনক সামগ্ৰী আৰু সেৱা কৰৰ এটা আৰ্হি যুগুতাবলৈ দায়িত্ব দিয়া হয়। সেই সমিতিৰ অধ্যক্ষ আছিল পশ্চিমবঙ্গৰ তেতিয়াৰ বিত্ত মন্ত্ৰী অসীম দাস গুপ্ত। ২০০৩ চনত বাজপেয়ী চৰকাৰে কৰ সংস্কাৰ সাধনৰ অৰ্থে অনুমোদন জনাবৰ বাবে বিজয় কেলকাৰৰ অধীনত আন এটা কৰ্ম বাহিনী প্ৰতিষ্ঠা কৰে। তাৰ পাছত ২০০৬ চনৰ ২৮ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে তেওঁৰ ২০০৬-০৭ বৰ্ষৰ বাজেটত জী এছ টী ২০১০ বৰ্ষৰ পহিলা এপ্ৰিলৰপৰা প্ৰচলন কৰা হ'ব বুলি প্ৰস্তাৱ কৰে। ৰাজ্যৰ বিত্ত মন্ত্ৰী-সকলৰ ক্ষমতাসীন সমিতিক জী এছ টীৰ বিষয়ে আগলৈ যোৱা এটা গতিপথৰ চিত্ৰ আৰু গাঁথনি তৈয়াৰ কৰিবলৈ অনুৰোধ কৰা হয়। উল্লেখযোগ্য যে, এই সমিতিখনেই ৰাজ্যৰ ভেট অৰ্থাৎ মূল্য সংযোজিত কৰৰ বিষয়েও এখন আঁচনি যুগুতাই উলিয়াইছিল। কেন্দ্ৰ আৰু ৰাজ্যসমূহক প্ৰতিনিধিত্ব কৰা বিষয়াবৰ্গৰ যুটীয়া কৰ্ম গোট গঠন কৰা হয় জী এছ টীৰ বিভিন্ন দিশসমূহ পৰীক্ষা কৰি চাবলৈ আৰু কিছুমান ক্ষেত্ৰত ৰেহাই প্ৰদান কৰা সন্দৰ্ভত বিশেষভাৱে প্ৰতিবেদন যুগুতাবলৈও দায়িত্ব দিয়া হয়। তেনে ৰেহাই প্ৰদানৰ ভিতৰত উল্লেখযোগ্য বিষয় আছিল সেৱা কৰ আৰু আন্তঃৰাজ্যিক যোগান কৰ। বিস্তৃত আলোচনাৰ ওপৰত ভিত্তি কৰি ক্ষমতাসীন সমিতিয়ে ২০০৯ চনৰ নৱেম্বৰত জী এছ টীৰ সন্দৰ্ভত 'ফাষ্ট ডিছকাচন পেপাৰ' (এফ ডি পি) প্ৰকাশ কৰে। উক্ত 'এফ ডী পী'ত প্ৰস্তাৱিত জী এছ টীৰ বৈশিষ্ট্যৰাজি সম্বন্ধে ব্যাখ্যা কৰা হয় আৰু সেই এফ ডী পীয়েই বৰ্তমানৰ জী এছ টী ব্যৱস্থাৰ আধাৰ গঢ়ি তুলিছে।

সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থা প্ৰচলন কৰিবৰ কাৰণে সংবিধান সংশোধন কৰাৰ প্ৰয়োজন হয়, কিন্তু তাৰবাবে দীৰ্ঘকালৰ বাবে ৰাজনৈতিক ঐক্যমত গঢ়ি তুলিব পৰা নগ'ল। প্ৰয়াস অৱশ্যে অব্যাহত আছিল আৰু এই প্ৰয়াস এটা নিৰ্দিষ্ট ৰূপত গঢ় লৈ উঠে বৰ্তমানৰ চৰকাৰখন গঠন কৰাৰ পিছৰপৰা। সংবিধান সংশোধনী (১২২ তম) বিধেয়ক, লোকসভাত ২০১৪ চনৰ ১৯ ডিছেম্বৰত উপস্থাপন কৰা হয় আৰু ইয়াক লোকসভাই ২০১৫ চনৰ মেই মাহত গ্ৰহণ কৰে। তাৰ পাছত বিধেয়কখন ৰাজ্যসভালৈ পঠোৱা হয় আৰু ৰাজ্যসভা আৰু লোকসভাৰ যুটীয়া নিৰ্বাচন সমিতিলৈ ২০১৫ চনৰ ১৪ মে'ত ইয়াক চালি-জাৰি চাবলৈ দাখিল কৰা হয়। সমিতিয়ে প্ৰতিবেদন সেই বছৰৰে ২২ জুলাইত দাখিল কৰে। তাৰ পিছত ইয়াৰ কাম বেচ খৰতকীয়া হয়।

ঐক্যমতৰ ওপৰত ভিত্তি কৰি পুনৰবৰ্দ্ধিত সংবিধান সংশোধনী বিধেয়কখন ২০১৬ চনৰ ১ আগষ্ট তাৰিখে সদনত দাঙি ধৰা হয়। ৰাজ্যসভাই ইয়াক ২০১৬ চনৰ ৩ আগষ্ট আৰু লোকসভাই ৮ আগষ্টত গ্ৰহণ কৰে। ৰাজ্য বিধানসভাসমূহত প্ৰয়োজনীয় সংখ্যাৰদ্বাৰা মানি লোৱাৰ পিছত আৰু ৰাষ্ট্ৰপতিৰ সন্মতি দান ক্ৰমে ২০১৬ চনৰ ৮ ছেপ্টেম্বৰত সেই সংবিধান সংশোধনক সংবিধান (১০১ সংশোধন) আইন, ২০১৬ ৰূপে জাননীকৃত কৰা হয়। এই সংবিধান সংশোধনেই ভাৰতত সামগ্ৰী আৰু সেৱা কৰ প্ৰচলনৰ পথ প্ৰশস্ত কৰে।

## সংবিধান সংশোধনী (১০১তম) আইন ২০১৬

সংবিধান সংশোধনীয়ে কেন্দ্ৰ আৰু ৰাজ্যসমূহক সামগ্ৰী আৰু সেৱা কৰ আৰোপ তথা সংগ্ৰহ কৰিবলৈ ক্ষমতা দিয়ে। এই জী এছ টী সামগ্ৰী অথবা সেৱা কিম্বা দুয়োটা যোগান ধৰাৰ বাবদ আৰোপ কৰা কৰ ৰূপে নিৰূপণ কৰা হয়। অৱশ্যে ইয়াত মানুহে পান কৰা সুৰাৰ যোগানক ধৰা নহয়। সংবিধানত জী এছ টীক সংজ্ঞাবদ্ধ কৰোঁতে সুৰাক বাহিৰত ৰখা হৈছে। আন পাঁচটা পেট্ৰ'লজাত উৎপাদন সামগ্ৰী, যেনে— অপৰিশোধিত পেট্ৰ'ল, মটৰৰ স্পিৰিট, অৰ্থাৎ পেট্ৰ'ল, হাইস্পীড ডিজেল, প্ৰাকৃতিক গেছ আৰু এভিয়েচন টাৰ্বাইন ইন্ধনক অস্থায়ীভাৱে বাহিৰত ৰখা হৈছে আৰু জী এছ টী পৰিষদে কোন তাৰিখৰপৰা এইবোৰক জী এছ টীত অন্তৰ্ভুক্ত কৰিব সেই বিষয়ে সিদ্ধান্ত ল'ব পাৰে। আন্তঃৰাজ্যিক সামগ্ৰী আৰু সেৱা যোগানৰ ক্ষেত্ৰত এটা সমন্বিত জী এছ টী (চমুকৈ আই জী এছ টী) আৰোপ কৰা হ'ব আৰু সেইবোৰ কেন্দ্ৰই সংগ্ৰহ কৰিব। জী এছ টী প্ৰকৃততেই এক লক্ষ্য ভিত্তিক ব্যৱহাৰ্য কৰ আৰু তাত কাৰ্যত ব্যৱহৃত কৰ ঋণৰ নিৰন্তৰ গতি অব্যাহত থকাটো নিশ্চিত কৰিব। সেই

সামগ্ৰীবোৰ এখন ৰাজ্যৰ পৰা আন এখনলৈ গতিচালনা কৰিলেও তাত কোনো অন্য প্ৰভাৱ নপৰে।

## জী এছ টী পৰিষদ

সংবিধান সংশোধনীৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল জী এছ টী পৰিষদ গঠন সন্দৰ্ভত থকা ব্যৱস্থা। এই পৰিষদ কেন্দ্ৰীয় বিত্ত মন্ত্ৰী (পৰিষদৰ অধ্যক্ষ), ৰাজহৰ দায়িত্ব থকা কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী আৰু ২৯ খন ৰাজ্যৰ বিত্ত তথা কৰ মন্ত্ৰী আৰু দুখন কেন্দ্ৰশাসিত ৰাজ্যৰ দুজন বিধায়কৰে (দিল্লী আৰু পুডুচেৰী) গঠিত। এই পৰিষদৰ দিক দৰ্শন কৰা সূত্ৰ হ'ল কেন্দ্ৰ আৰু ৰাজ্যবোৰৰ মাজৰ জী এছ টীৰ ক্ষেত্ৰত দেখা দিয়া ভিন্নতাসমূহক সঙ্গতিপূৰ্ণ কৰিবলৈ চেষ্টা কৰা আৰু ৰাজ্যবোৰৰ মাজতো তেনে খেলি-মেলি আঁতৰ কৰা-যাতে দেশখনৰ ভিতৰত সামগ্ৰী আৰু সেৱাৰ বাবে এক সমন্বিত ৰাষ্ট্ৰীয় বজাৰে বিকাশ লাভ কৰিব পাৰে। পৰিষদৰ কাম হ'ল কেন্দ্ৰ আৰু ৰাজ্যসমূহলৈ তলত উল্লেখ কৰা বিষয়বোৰ সম্পৰ্কে অনুমোদন জনোৱা—

(১) জী এছ টীৰ অধীনত সামৰি ল'ব-পৰা কেন্দ্ৰ, ৰাজ্য আৰু থলুৱা সংস্থাৰদ্বাৰা আৰোপিত কৰ, উপ-কৰ;

(২) জী এছ টীৰপৰা ৰেহাই কিম্বা সামৰি ল'ব পৰা সামগ্ৰী আৰু সেৱাসমূহ;

(৩) খাৰুৱা পেট্ৰ'ল, হাইস্পীড ডিজেল, মটৰ স্পিৰিট অৰ্থাৎ পেট্ৰ'ল, প্ৰাকৃতিক গেছ আৰু বিমান ইন্ধনৰ ওপৰত জী এছ টী আৰোপ কৰিব লগা তাৰিখ;

(৪) যোগান মূল্য পৰিচালিত কৰা আই জী এছ টীৰ বিধি, কৰ আৰোপৰ সূত্ৰ আৰু সমন্বিতভাৱে জী এছ টীৰ বিতৰণ ব্যৱস্থা;

(৫) লেনদেনৰ আৰম্ভণি সীমা—যাৰ তলত সামগ্ৰী আৰু সেৱা জী এছ টীৰপৰা ৰেহাই পাব পাৰে;

(৬) বিভিন্ন জী এছ টীৰ মূল হাৰকে ধৰি হাৰ নিৰূপণ;

(৭) কোনো প্ৰাকৃতিক দুৰ্যোগ বা ধ্বংসৰ কালছোৱাত অতিৰিক্ত সম্পৰ্কক বৃদ্ধি কৰিবৰ কাৰণে এটা নিৰ্দিষ্ট কালৰ বাবে বিশেষ হাৰ নিৰ্দ্ধাৰণ;

(৮) উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ জম্মু আৰু কাশ্মীৰ, হিমাচল প্ৰদেশ তথা উত্তৰাখণ্ডৰ সন্দৰ্ভত বিশেষ ব্যৱস্থা;

(৯) পৰিষদে সিদ্ধান্ত গ্ৰহণ কৰিব পৰা অন্য যি কোনো বিষয়।

সংবিধান সংশোধনীয়ে এইটো স্পষ্ট কৰে যে জী এছ টী পৰিষদৰ প্ৰতিটো সিদ্ধান্ত অনুষ্ঠিত কৰা বৈঠকত উপস্থিত থকা সৰহসংখ্যক সদস্যৰ মত দান ক্ৰমে ল'ব লাগিব; আৰু কমেও তিনি-চতুৰ্থাংশ সদস্যৰ সেই সহ মত হ'ব লাগিব। কেন্দ্ৰীয় চৰকাৰৰ ভোটৰ গুৰুত্ব বৈঠকত মত দান কৰা সৰ্বমুঠ ভোটৰ এক-তৃতীয়াংশ আৰু সকলো ৰাজ্যক একেলগে ধৰি তেনে মত দানৰ ওজন হ'ব লাগিব দুই-তৃতীয়াংশ। জী এছ টী পৰিষদৰ সৰ্বমুঠ সদস্যৰ আধা ভাগে এনে বৈঠকৰ 'কৰৰম' অৰ্থাৎ থুল গঠন কৰিব। মত দানৰ গুৰুত্ব এনেদৰে কৰ হৈছে যে কেন্দ্ৰ অথবা ৰাজ্যসমূহে কোনো এটা সিদ্ধান্ত একপাক্ষিকভাৱে লোৱা সম্ভৱ নহয়। যিহেতু কেন্দ্ৰৰ মত দানৰ গুৰুত্ব মাত্ৰ ৩৩ শতাংশ, সেয়ে পৰিষদৰদ্বাৰা গ্ৰহণ কৰিব লগা যি কোনো সিদ্ধান্তৰ কাৰণে সৰহভাগ ৰাজ্যৰ সমৰ্থনো লাগিব। অৱশ্যে এতিয়ালৈকে পৰিষদৰ সকলো সিদ্ধান্ত ঐক্যমতৰদ্বাৰা লোৱা হৈছে, মতদানৰ বাবে তেনে ধৰণৰ কোনো অন্য পৰিস্থিতি উদ্ভৱ হোৱা নাই।

## জী এছ টী পৰিষদৰ কাম-কাজ

২০১৭ চনৰ ১ জুলাইৰ দিনা সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থা আৰম্ভ কৰাৰ পূৰ্বে জী এছ টী পৰিষদৰ ১৮ খন বৈঠক অনুষ্ঠিত হয়। পৰিষদে কিছুমান জটিল ধৰণৰ বিষয়ৰ ক্ষেত্ৰতো ঐক্যমত গঢ়ি তুলি বহু ভাল কাম কৰে। পৰিষদে অনুস্থিত কৰা কেইখনমান বৈঠকতে কেবাটাও বিষয়ৰ সন্দৰ্ভত খচৰা আইন প্ৰণয়নৰ বাবে অনুমোদন জনাবলৈ সমৰ্থ হয়। তেনে বিষয়সমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল— কেন্দ্ৰীয় জী এছ টী, ৰাজ্যৰ জী এছ টী, কেন্দ্ৰীয় শাসিত প্ৰদেশসমূহৰ জী এছ টী সমন্বিত জী এছ টী, ৰাজ্যবোৰলৈ ক্ষতিপূৰণ প্ৰদান আৰু সামগ্ৰী আৰু সেৱা কৰ সম্পৰ্কিত কেইটামান বিধি। কেন্দ্ৰ আৰু ৰাজ্য-সমূহৰ মাজত কৰ দাতাৰ সন্দৰ্ভত উৎপত্তি হোৱা প্ৰশাসনীয় খেলি-মেলিৰ দৰে কঠিন বিষয়কো 'এৰি দিয়া আৰু গ্ৰহণ কৰা' মনোভাবেৰে সমাধান কৰা হয়। বিভিন্ন ৰাজ্যত সামগ্ৰীৰ ওপৰত ভিন ভিন মূল্য সংযোজিত কৰ হাৰ চলি থকা সত্ত্বেও সকলো সামগ্ৰী আৰু সেৱা সমূহক বিভিন্ন 'শ্লেব' অৰ্থাৎ জী এছ টীৰ স্তৰসমূহত সামৰি লোৱা হৈছে। নতুনকৈ সৃষ্টি কৰা সাংবিধানিক সংস্থা, অৰ্থাৎ জী এছ টী পৰিষদ, সমবায় সংঘীয়বাদৰ এটা নতুন আৰ্হিৰূপে প্ৰকাশ পাইছে; আৰু ইয়াত কেন্দ্ৰ আৰু ৰাজ্যসমূহে নিজৰ অধিকাৰ সমিল-মিলেৰে প্ৰতিপন্ন কৰিবলৈ ইচ্ছা কৰিছে আৰু পৰস্পৰে বিত্তীয় সুবিধা দিয়াৰ ক্ষেত্ৰতো কাৰ্পণ্য কৰা নাই। পৰিষদে সহমতৰ জৰিয়তে অবিশ্বাস্যভাৱে বিত্ত আৰু কৰ সংক্ৰান্তীয়

সিদ্ধান্তবোৰ গ্ৰহণ কৰিছে আৰু কেন্দ্ৰ তথা ৰাজ্যসমূহৰ মাজত সহযোগৰ অন্য ক্ষেত্ৰবোৰতো পদক্ষেপ গ্ৰহণ কৰিবলগা এটা দৃষ্টান্ত দাঙি ধৰিছে।

## ৰাজ্যসমূহলৈ ক্ষতিপূৰণ

জী এছ টী হ'ল এটা লক্ষ্য ভিত্তিক কৰ; আৰু সেই কাৰণে কিছুমান ৰাজ্যৰ মাজত— বিশেষকৈ পণ্য উৎপাদনকাৰী ৰাজ্যবোৰৰ ক্ষেত্ৰত— ইয়াৰ ৰূপায়ণে তেওঁলোকৰ ৰাজহত ক্ষতি সাধন কৰিব পাৰে বুলি থকা আশংকা দূৰ কৰিবৰ বাবে সংবিধান সংশোধনী (১০১ তম সংশোধন) আইন, ২০১৬ প্ৰণয়ন কৰা হয়। ই সামগ্ৰী আৰু সেৱা কৰ ৰূপায়ণৰ ফলত সৃষ্টি হ'বপৰা ৰাজহৰ লোকচানৰ বাবে ৰাজ্যসমূহক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিছে আৰু সেই ক্ষতিপূৰণৰ ম্যাদ কাল হ'ল পাঁচ বছৰ। জী এছ টীৰ পৰিষদৰ অনুমোদনাৱলীৰ ভিত্তিত সামগ্ৰী আৰু সেৱা কৰ (ৰাজ্য সমূহলৈ ক্ষতি পূৰণ) আইন, ২০১৭ প্ৰণয়ন কৰা হৈছে। ক্ষতিপূৰণ আইনখনে ২০১৫-২০১৬ বৰ্ষৰ ৰাজহক ভিত্তি বৰ্ষ ৰাজহ ৰূপে নিৰ্দিষ্ট কৰিছে আৰু অধিক মাত্ৰাত ১৪ শতাংশ বাৰ্ষিক বৃদ্ধি হাৰৰ নিৰ্দিষ্ট কৰিছে। আইনখনত এটা উপ কৰ আৰোপ কৰাৰ ব্যৱস্থা আছে— যাক ৰাজহ ক্ষতি হ'লে ৰাজ্যসমূহলৈ ক্ষতিপূৰণ ৰূপে ব্যৱহাৰ কৰা হ'ব। এই উপ কৰ বিলাসী সামগ্ৰীৰ ওপৰত আৰোপ কৰা হ'ব।

## কৰ হাৰৰ সিদ্ধান্ত গ্ৰহণ

কৰৰ স্তৰসমূহ ঠিক কৰোঁতে জী এছ টী পৰিষদে তিনিটা উদ্দেশ্যৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ ক্ষেত্ৰত জটিলতাৰ সন্মুখীন হৈছিল। প্ৰথমতঃ সমাজৰ দুখীয়া আৰু স্পৰ্শকাতৰ শ্ৰেণীৰ লোকসকলৰ স্বাৰ্থ অটুট ৰখাটো নিশ্চিত কৰা আৰু জনগণে ব্যৱহাৰ কৰা বয়-বস্তু তথা অত্যাৱশ্যকীয় সামগ্ৰীসমূহ বহনক্ষম স্তৰতে ৰখা। দ্বিতীয়তঃ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ ৰাজহ সামগ্ৰিক-ভাৱে ৰক্ষা কৰা। তৃতীয় উদ্দেশ্য হ'ল সামগ্ৰী আৰু সেৱাৰ ওপৰত আৰোপ কৰিব লগা কৰ যাতে বৰ্তমানৰ কৰ ব্যৱস্থাৰপৰা যথেষ্ট মাত্ৰাত বৃদ্ধি কিম্বা হ্ৰাস নেপায় সেইটো চোৱা প্ৰয়োজন। এই সকলোবোৰ বিষয়ৰ সন্দৰ্ভত আলোকপাত কৰি আৰু সেই সম্পৰ্কে দীঘলীয়াকৈ আলোচনা কৰাৰ পাছত পৰিষদে সতৰ্কতাৰে চাৰিটা কৰ হাৰ নিৰ্দিষ্ট কৰিবলৈ থিৰ কৰে। সেই স্তৰকেইটা হ'ল ৫%, ১২%, ১৮%, আৰু ২৮%, । তদুপৰি এটা ৰেহাই শ্ৰেণীৰো স্তৰ আছে।

## মজলীয়া আৰু ক্ষুদ্ৰ উদ্যোগলৈ সমৰ্থন


মজলীয়া আৰু ক্ষুদ্ৰ উদ্যোগে সদ্যহতে সন্মুখীন হোৱা সমস্যাবোৰ সমাধান কৰিবলৈ সামগ্ৰী আৰু সেৱা কৰ ৰূপায়ণৰ ক্ষেত্ৰত বহু ব্যৱস্থা আছে। ৰেহাই প্ৰদানৰ বাবেও আইনত ব্যৱস্থা আছে। কোনো এটা ব্যৱসায়ৰ বাবে পঞ্জীয়ন কৰিবলৈ এটা বিত্তীয় বৰ্ষত যাৰ মুঠ লেনদেনৰ পৰিমাণ ২০ লাখ টকাতকৈও কম ( বিশেষ শ্ৰেণীৰ ৰাজ্যৰ বাবে ১০ লাখ টকা) তেনেক্ষেত্ৰত সেই পঞ্জীয়ন বাধ্যতামূলক নহয়। এনে ক্ষুদ্ৰ উদ্যোগসমূহক সামগ্ৰী আৰু সেৱা কৰ আদায় দিয়াৰ পৰা ৰেহাই দিয়া হ'ব। তদুপৰি এখন মিশ্ৰিত আঁচনি আছে— যাৰ অধীনত এটা উপযুক্ত পঞ্জীকৃত ব্যক্তিৰ পূৰ্বৰ বিত্তীয় বছৰৰ লেনদেনৰ পৰিমাণ ৭৫ লাখ অতিক্ৰম কৰা নাছিল, তেনে ব্যক্তিয়ে চাৰি মাহৰ মূৰে মূৰে চমু বিবৃতি দাখিল কৰিব পাৰে। বয়-বস্তু ব্যৱসায় কৰা (বেপাৰী আৰু উৎপাদনকাৰী) আৰু হোটেল তথা ৰেস্তোৰাঁ খণ্ডৰ কৰদাতাসকলেহে মাত্ৰ মিশ্ৰিত আঁচনিখন বাছি ল'ব পাৰে। এই আঁচনিৰ অধীনত উৎপাদনকাৰীয়ে ১% হাৰত, ৰেস্তোৰাঁ খণ্ডই ২.৫% আৰু ব্যৱসায়ীকলে ০.৫% হাৰত কৰ আদায় দিব পাৰিব। পিছে সেৱা যোগান ধৰোঁতা আৰু আন্তঃৰাজ্যিক যোগান ধৰা কিম্বা ই-কমাৰ্চ অপাৰেটৰৰ জৰিয়তে যোগান ধৰা কৰ দাতাসকল এই মিশ্ৰিত আঁচনিৰ বাবে উপযুক্ত নহয়।

## কৰ ফাঁকি আৰু দুৰ্নীতি নিয়ন্ত্ৰণ ব্যৱস্থা

ভাৰতীয় জী এছ টীত ইনভইচসমূহ মিলাই চোৱাৰ এটা ব্যৱস্থা থাকিব। ক্ৰয় কৰা সামগ্ৰী আৰু সেৱাৰ 'ইনপুট টেক্স ক্ৰেডিট' একমাত্ৰ লাভ কৰিব পাৰিব যদিহে ক্ৰয় কৰোঁতাজনে কৰযোগ্য যোগান সামগ্ৰীখিনি পায় আৰু যোগান ধৰোঁতাজনে যি কৰযোগ্য যোগান সামগ্ৰী ক্ৰয় কৰোঁতাজনলৈ পঠিওৱাৰ আগতে লাভ কৰে সেই পৰিমাণৰ লগত মিলিব লাগিব। তথ্য প্ৰযুক্তিৰ গতি ত্বৰান্বিত কৰিবৰ কাৰণে জী এছ টী নেটৱৰ্ক সষ্টম কৰি তোলা হৈছে— যাতে প্ৰতি মাহে তিনি নিযুতকৈ অধিক ইনভইচসমূহ মিলাই চাব পৰা যায়। এয়া হ'ব এক স্ব-বিধিবদ্ধকৰণ কাৰ্য ব্যৱস্থা। ই কেৱল কৰ প্ৰৱঞ্চনা আৰু কৰ ফাঁকি দিয়াকেই ৰোধ নকৰিব, তদুপৰি অধিক সংখ্যক ব্যৱসায়ক বিধিগত অৰ্থনীতিৰ মাজলৈ জানিব। নতুন জী এছ টীৰ আমোলত কৰদাতাই নেটৰ ছিঙ্গল পোৰ্টেলত পঞ্জীয়ন, ৰিটাৰ্ণ দাখিল তথা কৰ পৰিশোধ কৰিব পাৰে। আনকি প্ৰয়োজন সাপেক্ষে কদাচিতহে কৰদাতাই কৰ কৰ্তৃপক্ষৰ স'তে

আলোচনা কৰিবলৈ বিচাৰিলে তেওঁ মাত্ৰ এটা কৰ্তৃপক্ষৰ সতে আলাপ কৰিব পাৰে। সেয়া ৰাজ্য চৰকাৰ কিম্বা কেন্দ্ৰীয় চৰকাৰৰ বিষয়া যাক পাৰস্পৰিকভাৱে কৰ সংক্ৰান্তত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে। দুৰ্নীতিখিনি ৰোধ কৰা হ'ব, কিয়নো কৰদাতাই কৰ ফাঁকি দিয়াটো কঠিন হৈ পৰিব। তেওঁ কৰ কৰ্তৃপক্ষৰ স'তে নিচেই কমভাৱে ভাব বিনিময় কৰিবলৈ পাব।

সামৰণিত এইটো ক'ব পাৰি যে ভাৰতত চলিত বছৰৰ ১ জুলাইৰপৰা যি জী এছ টী প্ৰক্ৰিয়া আৰম্ভ হৈছে সেয়া হ'ল এটা ৰূপান্তৰিত সংস্কাৰ সাধন ব্যৱস্থা আৰু ই দেশখনত যি ধৰণে বেহা-বেপাৰৰ কাম কৰা হয় তাৰ পৰিৱৰ্তন হ'ব। এনে কাৰ্যত জড়িত সকলো অংশীদাৰীয়ে এনে সংস্কাৰক আদৰণি জনাইছে। নতুন জী এছ টী ব্যৱস্থাই অধিক ব্যৱসায়ক বিধিগত অৰ্থনীতিৰ আওতালৈ আনিব। সেয়ে যি বৃহৎ মাত্ৰাৰ আমূল পৰিৱৰ্তনৰ সূচনা কৰিবলৈ লোৱা হৈছে তাত কিছু কষ্ট পোৱাটো স্বাভাৱিক কথা; কিন্তু সেয়া ক্ষণিক কিয়নো কেন্দ্ৰ আৰু ৰাজ্য উভয়তে প্ৰশাসনে যৎপৰোনাস্তি প্ৰয়াস কৰিছে আৰু তাৰ বাবে নিষ্ঠাৰে কামত ব্ৰতী হৈছে। ফ'লস্বৰূপে মূৰকত যি লাভ পোৱা যাব সেয়া ভাৰতীয় অৰ্থনীতিৰ কাৰণে লেখত ল'বলগা আৰু দীৰ্ঘদিনীয়া হৈ ৰ'ব। ❒

# একক কৰ আমোলৰ সৃষ্টি

**টি এন অশোক***

২০১৭ বৰ্ষৰ ৩০ জুন আৰু ১ জুলাইৰ মাজনিশা এটা ইতিহাস ৰচিত হ'ল। যদিও ২০১৭ চনৰ মাজনিশা আৰু ১৯৪৭ চনৰ মাজনিশাক সমানে তুলনা কৰিব পৰা নাযায়, তথাপি তাৰ বৈশিষ্ট্য মন কৰিবলগীয়া। '৪৭ চনৰ মাজনিশাৰ স্বাধীনতা লাভৰ আত্ম-সন্তুষ্টিৰ বিষয়টোৱেই অৱশ্যে সুকীয়া আৰু তুলনাবিহীন, তথাপি সংসদৰ ছেণ্ট্ৰেল হলৰ শেহতীয়া দৃশ্যপটে সেই ঐতিহাসিক ঘটনাক পুনৰ সোঁৱৰাই দিয়ে। কাৰণ প্ৰধান মন্ত্ৰী আৰু ৰাষ্ট্ৰপতিৰ উপস্থিতিয়ে ছেণ্ট্ৰেল হলৰ মহত্বৰ পুনৰ শোভা বৃদ্ধি কৰি তোলে। অৰ্থনৈতিক স্বাধীনতাই হ'ল এই বিষয়; আৰু তেতিয়াৰ বিষয়টো আছিল ৰাজনৈতিক মুক্তি লাভ।

ভাৰত চৰকাৰে "এক দেশ আৰু এক কৰ"— এই মন্ত্ৰকেই অনুসৰণ কৰি এখন একীভূত বজাৰ তৈয়াৰ কৰিবলৈ বিচাৰিছে— যি বজাৰখনে দেশখনৰ ইমূৰৰ পৰা সিমূৰলৈকে সা-সামগ্ৰী চাল-চলনত মুক্তভাৱে গতি দান কৰিব পাৰে আৰু যাৰদ্বাৰাই প্ৰস্তুত কৰোঁতা, উৎপাদক তথা বিনিয়োগকাৰীসকলৰ বাবে জীৱন সহজ কৰি তুলিব পাৰি। পিছে এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাই ভাৰতীয় কৰ পদ্ধতিক গোলকীয় মানৰ সৈতে একে শাৰীৰ কৰিব বিচাৰিলেও চাৰি তৰপীয়া কৰ পদ্ধতিৰ সন্দৰ্ভত মনত কিছু খোকোজা থাকি যায়। কাৰণ সেই চাৰি তৰপীয়া কৰ পদ্ধতিয়ে কিছুমান উৎপাদিত সামগ্ৰীক দামী আৰু আন কিছুমানক কিছু সুলভ মূল্যৰ কৰি তুলিব। প্ৰাৰম্ভিক অৱস্থাত জনগণৰ কাৰণে এই নতুন কৰ পদ্ধতি বুজিবলৈ কিছু সময় লাগিলেও উদ্দেশ্য সুদূৰ প্ৰসাৰী আৰু বিশ্বৰ ঘাই বাণিজ্য অংশীদাৰ ইউৰোপ আৰু আমেৰিকাৰ সৈতে ইয়াক একে শাৰীত উপবিষ্ট কৰা। সাধাৰণ লোকৰ বাবে নতুন কৰ পদ্ধতি থাউকতে বুজিব নোৱাৰাৰ কাৰণ হ'ল সৰ্বাধিক লোকে ব্যৱহাৰ কৰা সা-সামগ্ৰী সুলভ হৈছে। বিলাসী ধৰণৰ সামগ্ৰীসমূহ দামী হৈ পৰিছে। মূল্যও বৃদ্ধি পাইছে। গতিকে দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীৰ ওপৰত আৰোপ কৰা কম কৰ হাৰ আৰু যিবোৰ সামগ্ৰী তেওঁলোকে দৈনন্দিন ব্যৱহাৰ নকৰে সেইবোৰৰ ওপৰত আৰোপ কৰা অধিক সেৱা কৰৰ মাজত কি ভাৰসাম্য থাকিব পাৰে সেইটো বুজিবলৈ সময় লাগিব।

সামগ্ৰী আৰু সেৱা কৰৰ সন্দৰ্ভত যি ভাবৰ উদ্ৰেক হৈছিল তাৰ বাবে কৃতিত্ব এটা ৰাজনৈতিক দলকে দিব নোৱাৰি— যদিও এই ক্ষেত্ৰত জড়িত অন্য দলৰ ইয়াৰ ৰূপায়ণৰ ক্ষেত্ৰত মতভেদ আছিল। তেতিয়াৰ প্ৰধান মন্ত্ৰী ড° মনমোহন সিঙৰ নেতৃত্বাধীন চৰকাৰখনক এই সেৱা আৰু সামগ্ৰী কৰৰ বিষয়টো নিজস্ব ৰূপত প্ৰস্ফুটিত হ'বৰ কাৰণে সুবিধা দিয়াৰ বাবে শলাগ ল'ব পাৰি আৰু ড° সিঙেই আছিল তেতিয়াৰ প্ৰধান মন্ত্ৰী নৰসিংহ ৰাওৰ অধীনত অৰ্থনৈতিক সংস্কাৰ সাধন কৰাৰ ঘাই খনিকৰ। সি যি কি নহওক, তেতিয়াৰ চৰকাৰ আৰু বৰ্তমানৰ চৰকাৰ উভয়ৰে কোনো কোনো ব্যৱস্থাৰ ক্ষেত্ৰত মতৰ অমিল থকা দেখা যায়।

এতিয়া ইয়াৰ ইতিহাসলৈ চাওঁ আহক আৰু সামগ্ৰী আৰু সেৱা কৰে কেনেদৰে স্থিতি লাভ কৰিলে সেই বিষয়ে জানো আহক।

বৰ্তমানৰ চৰকাৰখনে সামগ্ৰী আৰু সেৱা কৰক সমৰ্থন জনাই লোকসভাৰ-দ্বাৰা চাৰিখন বিধেয়ক গ্ৰহণ কৰে আৰু ৰাজ্যসভাই তাক সমুচিতভাৱে নিম্ন সদনলৈ ফিৰাই দিয়ে (ৰাজ্যসভাই টকা-কড়ি বিধেয়ক গ্ৰহণ কৰিব নোৱাৰে, মাত্ৰ ই ফিৰাই দিবহে পাৰে)।

---

***লেখক টি এন অশোক পি টি আইৰ সম্পাদক (অৰ্থনৈতিক) আছিল। তেওঁ অন্য প্ৰতিষ্ঠানতো সেৱা আগবঢ়াইছিল। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— হামবাৰ্গস্থিত আলোচনী LOGৰ সহযোগী সম্পাদক, ফ্ৰান্সৰ ইঞ্জিনীয়াৰিং ফাৰ্ম ALSTOM, Rice Exporters Associationকে ধৰি আগশাৰীৰ কৰ্পোৰেটৰৰ কনছালটেণ্ট। সাংবাদিক ৰূপে এখনতকৈ অধিক দেশ ভ্ৰমণ কৰা টি এন অশোক ৰিঅ' ধৰিত্ৰী সন্মিলন (১৯৯২) আৰু ছিঙ্গাপুৰত (১৯৯৬) অনুষ্ঠিত বিশ্ব বাণিজ্য সংগঠনৰ মন্ত্ৰীবৰ্গৰ উদ্বোধনী বৈঠকতো উপস্থিত থাকি সেৱা আগবঢ়াইছিল। সম্প্ৰতি তেওঁ পুণেৰ পৰা প্ৰকাশিত 'কৰ্পোৰেট টাইকোনছ' আৰু বাঙ্গালোৰৰ ফ্লেগ পোষ্টৰ কাৰ্যবাহী সম্পাদক ৰূপে কাম কৰি আছে।**

নতুন কৰ ব্যৱস্থাই একেধৰণৰ পৰোক্ষ কৰ প্ৰচলন কৰিবলৈ বিচাৰিছে আৰু কোনো কোনো বৰ্গৰ লোকে সন্দেহ কৰাৰ দৰে ই মুদ্ৰাস্ফীতিৰ পথ প্ৰশস্ত নকৰে। এই মন্তব্য হ'ল বিত্ত মন্ত্ৰীৰ। কেন্দ্ৰত অধিষ্ঠিত বিভিন্ন চৰকাৰবোৰে সামগ্ৰী আৰু সেৱা কৰ অৰ্থাৎ জী এছ টীৰ প্ৰতি বৰঙণি যোগায় আৰু সেয়ে কোনো এজন ব্যক্তিয়ে তাৰ বাবে কৃতিত্ব আদায় কৰিব নোৱাৰে। যিকেইখন বিধেয়ক যুগুতোৱা হৈছিল তাত বিৰোধী দলসমূহে কোনো কোনো বিষয়ত আপত্তি দৰ্শোৱাৰ বাবে সংশোধন কৰা হৈছিল আৰু ৰাজ্যসভাই সেই অনুযায়ী আলোচনা-বিলোচনা কৰি সহ-মতত উপনীত হৈ সেউজ সংকেত প্ৰদান কৰিছিল। লোকসভাই ২৯ মাৰ্চত এই বিধেয়ককেইখন গ্ৰহণ কৰে। মেই মাহৰ মাজভাগত চৰকাৰে বিধি-নিয়ম আৰু হাৰৰ সন্দৰ্ভত চূড়ান্তভাৱে অনুমোদন জনায়। সামগ্ৰী আৰু সেৱা কৰ ৰূপায়িত কৰিবৰ বাবে সংসদে চাৰিখন বিধেয়কত সন্মতি দান কৰিছিল। সেই বিধেয়ককেইখন হ'ল— (১) কেন্দ্ৰীয় জী এছ টী বিধেয়ক, ২০১৭, (২) সমন্বিত জী এছ টী বিধেয়ক, ২০১৭, (৩) জী এছ টী (ৰাজ্যসমূহলৈ ক্ষতিপূৰণ) বিধেয়ক, ২০১৭ আৰু (৪) কেন্দ্ৰশাসিত প্ৰদেশৰ জী এছ টী বিধেয়ক, ২০১৭।

**সামগ্ৰী আৰু সেৱা কৰ ঃ** ই ঘাইকৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে আৰোপ কৰা কৰসমূহ সলনি কৰিব বিচাৰে। সংবিধান সংশোধনী (১২২) বিধেয়ক গৃহীত হোৱাৰ পিছতেই জী এছ টীক সংবিধান আইন ২০১৬ৰ জৰিয়তে ৰূপায়িত কৰা হয়। এই জী এছ টীক জী এছ টী পৰিষদৰদ্বাৰা চোৱা-চিতা কৰা হয় আৰু এই পৰিষদৰ অধ্যক্ষ হ'ল কেন্দ্ৰীয় বিত্ত মন্ত্ৰী। জী এছ টীৰ অধীনত সামগ্ৰী তথা সেৱাসমূহৰ ওপৰত কেইটামান হাৰত কৰ আৰোপ কৰা হ'ব। সেই হাৰকেইটা হ'ল— ০.২৫%, ৫%, ১২%, ১৮% আৰু ২৮%। কৰ্কশ তথা মূল্যবান আৰু অৰ্দ্ধ-মূল্যৱান পাথৰৰ (মণি-মুকুতা জাতীয়) ওপৰত ০.২৫% আৰু সোণৰ ওপৰত ৩% বিশেষ হাৰ আৰোপ কৰা হ'ব।

যদি আমি ইতিহাসৰ অলপ গভীৰতালৈ চাওঁ তেনেহ'লে আমি দেখা পাম যে ১৯৮৬ চনত তেতিয়াৰ প্ৰধান মন্ত্ৰী বিশ্বনাথ প্ৰতাপ সিঙে "মডিফাইড ভ্যেলু এদেদ টেক্স" প্ৰচলন কৰিছিল। এতিয়া সামগ্ৰী আৰু সেৱা কৰে বিভিন্ন পৰোক্ষ কৰকো সামৰি ল'ব। তাৰ ভিতৰত এইকেইটাৰ নাম উল্লেখ কৰিব পাৰি— কেন্দ্ৰীয় আবকাৰী শুল্ক, সেৱা কৰ, অতিৰিক্ত সীমা শুল্ক, অতিৰিক্ত মাচুল, ৰাজ্যিক পৰ্যায়ৰ মূল্য সংযোজিত কৰ আৰু অক্‌ট্ৰয়। আন্তঃৰাজ্যিক সামগ্ৰী পৰিবহণৰ ক্ষেত্ৰত সম্প্ৰতি প্ৰযোজ্য অন্যান্য উপকৰসমূহক এই জী এছ টী ব্যৱস্থাৰে নিষ্ক্ৰিয় কৰাৰ সম্ভাৱনা আছে।

আন কিছুমান কৰক জী এছ টী ব্যৱস্থাৰদ্বাৰা একেলগে সামৰি লোৱা হ'ব। সেই কৰবোৰ হ'ল— কেন্দ্ৰীয় আবকাৰী শুল্ক, বাণিজ্যিক কৰ, ভেট অৰ্থাৎ মূল্য সংযোজিত কৰ, খাদ্য কৰ, কেন্দ্ৰীয় বিক্ৰী কৰ, অক্‌ট্ৰয়, বিনোদন কৰ, প্ৰৱেশ কৰ, ক্ৰয় কৰ, বিলাস কৰ, বিজ্ঞাপন কৰ। সকলো লেনদেনতে, যেনে— বিক্ৰী, হস্তান্তৰ, ক্ৰয়, লীজ অথবা সামগ্ৰী আমদানি কিম্বা সেৱাৰ ওপৰত জী এছ টী আৰোপ কৰা হ'ব। ভাৰতে এটা দ্বৈত জী এছ টী আৰ্হি অৱলম্বন কৰিব— যি আৰ্হিৰ অৰ্থ হ'ল কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ৰদ্বাৰা কৰ ব্যৱস্থাক চোৱা-চিতা কৰিব। এখন ৰাজ্যৰ ভিতৰত যি লেনদেন কৰ হ'ব তাৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰদ্বাৰা কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱা কৰ আৰোপ কৰা হ'ব তথা ৰাজ্যিক জী এছ টীক সেইখন ৰাজ্য চৰকাৰৰদ্বাৰা আৰোপ কৰা হ'ব। আন্তঃৰাজ্যিক লেনদেন আৰু আমদানিকৃত সামগ্ৰী কিম্বা সেৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰে এটা সমন্বিত জী এছ টী অৰ্থাৎ সামগ্ৰী আৰু সেৱা কৰ ধাৰ্য কৰিব।

সামগ্ৰী আৰু সেৱা কৰ হ'ল এটা ব্যৱহাৰ-ভিত্তিক কৰ আৰু সেয়ে যিখন ৰাজ্যত সা-সামগ্ৰীবোৰ ব্যৱহাৰ কৰা হয় অথবা সেৱা আগবঢ়োৱা হয় সেই ৰাজ্যকেই কৰসমূহ আদায় দিয়া হয়। যিখন ৰাজ্যত সামগ্ৰীসমূহ উৎপাদন কৰা হয় সেই ৰাজ্যক তেনে কৰ দিয়া নহয়। "আই জী এছ টী" অৰ্থাৎ সমন্বিত সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাই ৰাজ্য চৰকাৰসমূহৰ কাৰণে কৰ সংগ্ৰহ কৰা প্ৰক্ৰিয়াটো জটিল কৰে, কিয়নো কেন্দ্ৰীয় চৰকাৰৰ পৰা পোনপটীয়াভাৱে যি কৰ পাব লগা থাকে তাক তেনেদৰে সংগ্ৰহ কৰিব নোৱাৰে। পূৰ্বৰ পদ্ধতি মতে এখন ৰাজ্যই কৰ ৰাজহ সংগ্ৰহ কৰিবৰ কাৰণে মাত্ৰ জড়িত থকা এখন ৰাজ্যৰ সৈতে তেনে কাৰ্য সাধন কৰিলেই হ'ল।

জী এছ টীৰ প্ৰভাৱৰ পৰা ৰাজ্য-সমূহৰ ৰাজহ পৃথকে ৰাখিবলৈ প্ৰস্তাৱ কৰা হয় এই আশা কৰি যে পেট্ৰল আৰু পেট্ৰলজাত উৎপাদিত সামগ্ৰীৰ ওপৰত জী এছ টী আৰোপ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহক জী এছ টী প্ৰয়োগ কৰা তাৰিখৰ পৰা পাঁচ বছৰ কালৰ বাবে কিবা ৰাজহৰ ক্ষয়-ক্ষতি হ'লে ক্ষতিপূৰণ দিয়াৰ আশ্বাস দিছে। ইতিমধ্যে জী এছ টীৰ এটা ডাঙৰ প্ৰভাৱ হ'ল ভাৰতত ইন্ধনৰ মূল্যৰ প্ৰতিদিনে সলনি হৈ থাকে। সি যি কি নহওক, প্ৰস্তাৱিত জী এছ টী

আইনখন চোৰা-চিতা কৰিবৰ বাবে এখন ২১-জনীয়া সদস্যৰ নিৰ্বাচিত সমিতি গঠন কৰা হয়। জম্মু আৰু কাশ্মীৰৰ বাহিৰে সকলো ৰাজ্য তথা কেন্দ্ৰশাসিত প্ৰদেশসমূহে জী এছ টী আইন নীতিগত-ভাৱে গ্ৰহণ কৰে— যাৰদ্বাৰাই ২০১৭ চনৰ ১ জুলাইৰ পৰা সঠিকভাৱে কৰ ব্যৱস্থা কৰা পথ মুকলি কৰিছে। ছিকিউৰিটিসমূহৰ ক্ৰয়-বিক্ৰয় ক্ষেত্ৰত সামগ্ৰী আৰু সেৱা কৰৰ ব্যৱস্থা নাথাকিব। তাক "ছিকিউৰিটিজ ট্ৰেঞ্জেক্চন টেক্স" ব্যৱস্থাৰদ্বাৰা পৰিচালিত কৰা হ'ব।

সমান্তৰালভাৱে অন্য এটা বিকাশৰ বিষয় হ'ল "গুডছ্ এণ্ড ছাৰ্ভিচেছ টেক্স" নেটৱৰ্ক সংগঠনৰ আৰম্ভণি। লাভ অৰ্জনৰহিত এই সংগঠনটো সকলো সংশ্লিষ্ট দলৰ কাৰণে এখন মঞ্চ সৃষ্টি কৰিবলৈ গঠন কৰা হয়। একক পোৰ্টেলত সহযোগ কৰিবৰ বাবে জড়িত থকা দলবোৰ হ'ল— অংশীদাৰী উদ্যোগ-প্ৰতিষ্ঠান, চৰকাৰ আৰু কৰদাতাসকল। এই পোৰ্টেলত কেন্দ্ৰীয় চৰকাৰৰ সুচল ব্যৱস্থা থাকিব আৰু কেন্দ্ৰীয় চৰকাৰেই প্ৰত্যেক লেনদেনৰ খা-খবৰ ৰাখিব। কৰদাতাসকলে তেওঁলোকৰ কৰ পৰিশোধ কৰা তথা হিচাপ-নিকাচ ৰখাৰ সেৱাও লাভ কৰিব। এই তথ্য প্ৰযুক্তি নেটৱৰ্ক বেচৰকাৰী প্ৰতিষ্ঠানৰদ্বাৰা বিকাশ সাধন কৰা হ'ব আৰু সেই প্ৰতিষ্ঠানবোৰে কেন্দ্ৰীয় চৰকাৰৰ সৈতে এটা বুজা-পৰাৰে আহি নিজৰ অংশ পৰিমাণো থিৰ কৰিব। "গুডছ্ এণ্ড ছাৰ্ভিচেছ টেক্স" নেটৱৰ্কৰ অধিকৃত মূলধনী পুঁজিৰ পৰিমাণ হ'ল ১০ কোটি টকা (মাৰ্কিন ডলাৰৰ লেখত ১.৬ নিযুত)। ইয়াৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ অংশ পৰিমাণ (শ্বেয়াৰ) হ'ল ২৪.৫ শতাংশ আৰু ৰাজ্য চৰকাৰৰ ২৪.৫ শতাংশ আৰু বাকীখিনি ব্যক্তিগত বেংকিং ফাৰ্মসমূহৰ।

সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাৰ অধীনত ইয়াক ২০১৭ চনৰ ১ ছেপ্টেম্বৰৰ ভিতৰত ৰূপায়িত কৰিব লাগিব আৰু কেইটামান দিন বঢ়াই দি অৰ্থাৎ ১২ ছেপ্টেম্বৰৰ পিছত পূৰ্বৰ সকলো কৰৰ স্থিতিৰ প্ৰভাৱ নাথাকিব। সেই কাৰমে চৰকাৰে জী এছ টীক ২০১৭ চনৰ ১ জুলাইৰ ভিতৰত কাৰ্যকৰী কৰিবলৈ বিচাৰে— যাতে সকলো পৰোক্ষ কৰ সামৰি ল'ব পৰা যায় আৰু তাৰ ঠাইত একীভূত কৰ ব্যৱস্থাই দায়িত্ব ল'ব পাৰে। আমাৰ দেশখনে এনে এটা পৰিস্থিতি হ'বলৈ দিব নোৱাৰে য'ত কৰবিহীনভাৱে দেশৰ কাম-কাজ চলি যাব পাৰে।

সেই বাবে চৰকাৰে আক্ষৰিক অৰ্থত মাজনিশাৰ তেল জ্বলাই নিৰ্দিষ্ট দিনটোত জী এছ টীৰ প্ৰচলন কৰাৰ প্ৰতিজ্ঞা পালন কৰে আৰু সেই প্ৰক্ৰিয়াত সংসদত মাজনিশাৰ অধিৱেশন বহু উৎসাহ-উদ্‌গনিৰে সাধন কৰে। এই ঐতিহাসিক বিকাশে সমগ্ৰ বিশ্বৰো মনোযোগ আকৰ্ষণ কৰে। উদ্দেশ্য মহৎ সন্দেহ নাই, কিন্তু যিধৰণে ততাতৈয়াকৈ তাক কাৰ্যত ৰূপায়ণ কৰিবলৈ লোৱা হয় আৰু কিছুমান কৰ হাৰৰ ক্ষেত্ৰত কিছু সন্দেহৰ ভাব উদ্ৰেক হোৱা পৰিলক্ষিত হয়। উদ্যোগে এইটো অনুভৱ কৰে যে সঠিক ৰূপায়ণৰ অৰ্থে যি কাৰ্যব্যৱস্থা হাতত লোৱাৰ প্ৰয়োজন তাক পুনৰ গঠন কৰিবলৈ এতিয়াও সক্ষম হৈ উঠা নাই।

যি কোনো নতুন আইনে কিছু সন্দেহ আৰু আশংকাৰ ভাব অনাৰ দৰে জী এছ টীয়েও সমগ্ৰ দেশবাসীকে আচৰিত কৰি তোলে— যেতিয়া জনগণে হঠাতে তেওঁলোকৰ আদায় দিব লগা খৰচৰ হিচাপ বাঢ়ি যায়। তেওঁলোকে যিটো বুজি পোৱা নাই সেয়া হ'ল দেশখনে এটা নিৰ্দিষ্ট লক্ষ্যৰ কৰ ব্যৱস্থালৈ গতি কৰিছে আৰু কৰ হ'ল সা-সামগ্ৰী ব্যৱহাৰ কৰাৰ বাবদ উৎপত্তি হোৱা কৰ। বহলাই ক'বলৈ গ'লে যিখন ঠাইত তেনে সামগ্ৰী কামত লগোৱা হৈছে তাতেই কৰ আৰোপিত কৰা হয়। উদাহৰণ স্বৰূপে এবিধ সামগ্ৰী তামিলনাডু অথবা মহাৰাষ্ট্ৰ কিম্বা অন্ধ্ৰপ্ৰদেশত উৎপাদন কৰা হয়, কিন্তু সেই সামগ্ৰী অন্য ঠাইলৈ নি ব্যৱহাৰ কৰাৰ বাবদ— ধৰক দিল্লী, চণ্ডীগড়, জয়পুৰ কিম্বা লক্ষ্ণৌত কৰ আৰোপ কৰা হয়।

যদি ২০১৬ চনৰ ৮ নৱেম্বৰৰ বিমুদ্ৰাকৰণে দেশখনত প্ৰথম সপ্তাহৰ বাবে বিবুদ্ধিত পেলাইছিল, তেনেহ'লে ১ জুলাইৰ দিনা প্ৰকাশমান ঘটা ঐতিহাসিক সামগ্ৰী আৰু সেৱা কৰে বহুতকে আচৰিত কৰি তোলে। তাৰ ফলত বৃদ্ধি পোৱা খৰচৰ মাত্ৰাত সচকিত হৈ উঠে। কিন্তু চৰকাৰৰ অভিপ্ৰায় সৎ আৰু স্পষ্ট। "এক দেশ, এক কৰ" ব্যৱস্থাৰে উদ্দীপ্ত কৰিব বিচাৰিছে— যাতে একেধৰণৰ বজাৰ তথা গোলকীয় মানৰ সৈতে ৰজিতা খুৱাকৈ ভাৰতক আন্তৰ্জাতিক বজাৰসমূহত অধিক প্ৰতিযোগিতামুখী কৰি তুলিব পৰা যায়।

প্ৰয়োজনৰ দিশৰ পৰা জী এছ টী হ'ল ক'লা ধনৰ ওপৰত দ্বিতীয় "ছাৰ্জিকেল" আক্ৰমণ; কিয়নো প্ৰতিজন বেপাৰীয়েই পঞ্জীকৃত কৰি পঞ্জীয়ন নম্বৰ ল'ব লাগিব আৰু মাহিলি কিম্বা চাৰি মাহৰ মূৰে মূৰে কৰ সংগ্ৰহৰ বিবৃতিও দাখিল কৰিব লাগিব। বেপাৰ-বাণিজ্য কৰা প্ৰত্যেকেই হিচাপৰ বিৱৰণ দিয়াটো এতিয়া বাধ্যতামূলক।

চৰকাৰে কি বিচাৰিছে তাৰ ব্যাখ্যা হ'ল এনেধৰণৰ—

(১) সামগ্ৰী আৰু সেৱা কৰৰ লক্ষ্য হ'ল প্ৰায় ১৫-২০ বিধ কৰক সামৰি লৈ দেশখনত একক কৰৰ দিহা কৰা,

বজাৰবোৰ ঐক্যবদ্ধ কৰা আৰু সমগ্ৰ দেশতে বয়-বস্তুবোৰৰ মূল্য একেধৰণৰ কৰা। অৱশ্যে কিছুমান বস্তু দামী হ'ব আৰু কিছুমান সস্তা হ'ব।

(২) জী এছ টী হ'ল এটা সৰল কৰ, কিন্তু ইয়াৰ ৰূপায়ণ জটিল— কিয়নো বিভিন্ন সামগ্ৰীৰ বাবে ইয়াৰ পাঁচ তৰপীয়া কৰৰ শ্লেব অৰ্থাৎ খলপা আছে। বিলাস সামগ্ৰী দামী হয়, ব্যাপকভাৱে ব্যৱহৃত সামগ্ৰী সুলভ হয়। এইটো কোনো নতুন কথা নহয়। বিশ্বৰ প্ৰায়বোৰ দেশেই নিজৰ সা-সামগ্ৰীবোৰ আন্তৰ্জাতিক-ভাৱে প্ৰতিযোগিতামুখী কৰি তুলিবৰ কাৰণে ইতিমধ্যে তেনে কৰ ব্যৱস্থা ৰূপায়ণ কৰিছে। তাৰ বাহিৰে বিলাস সামগ্ৰীৰ ক্ষেত্ৰত জী এছ টীৰ যি ২৮ শতাংশ শীৰ্ষ তৰপ আছে সেয়া হ'ল বিশ্বৰ ভিতৰত সৰ্বাধিক। আনকি ব্ৰিটেইন আৰু আমেৰিকাৰ দৰে দেশতো ১৭ শতাংশতকৈ অধিক উচ্চ জী এছ টী কৰ নাই।

(৩) জী এছ টীৰ ধাৰণা হ'ল সম্পূৰ্ণ সুকীয়া। ই উৎসতে লোৱা কৰ নহয়, ই হ'ল নিৰ্দিষ্ট লক্ষ্য স্থানৰ কৰ। ইয়াক ব্যৱহাৰকৰণ কৰ বুলিও ক'ব পাৰি। তামিলনাডুত প্ৰস্তুত কৰা এটা উৎপাদিত সামগ্ৰী দেশখনৰ মাজেদি যাতায়াত ব্যৱস্থাৰে অন্য ঠাইলৈ আনি তাৰ ব্যৱহাৰৰ ব্যৱস্থা কৰা। ধৰি লওক দিল্লীত প্ৰাপ্ত হোৱা ক্ৰমে তাৰ ক্ৰেতা বা ব্যৱহাৰ কৰোঁতা-সকলে সেই সামগ্ৰীৰ বাবে কৰ দিয়ে। কেন্দ্ৰ আৰু ৰাজ্য উভয়ৰেই এই কৰত নিজৰ ভাগ আছে। যদি এখন ৰেষ্টুৰাঁত আৰোপ কৰা কৰৰ পৰিমাণ হয় ১৮ শতাংশ, তেনেহ'লে ৯ শতাংশ চী জী এছ টীৰ জৰিয়তে কেন্দ্ৰলৈ আৰু ৯ শতাংশ এছ জী এছ টীৰ অধীনত ৰাজ্যলৈ যাব। হিচাপ বিৱৰণ-নামাত এই কথা প্ৰতিফলিত হ'ব।

হোটেল-ৰেষ্টুৰাঁত নৈশ ভোজন দামী হৈ পৰিছে। তেনেদৰে ভ্ৰমণ— বিশেষকৈ আকাশী যানেৰে কৰা ভ্ৰমণ অধিক খৰচী হৈ পৰিছে। বায়ু-তাপ নিয়ন্ত্ৰিত সৰঞ্জাম, ফ্ৰীয আৰু ৱাচিং মেচিন অধিক দামী হৈ পৰিছে। প্ৰায় ১২০০ সামগ্ৰীৰ ওপৰত জী এছ টী আৰোপ কৰা হৈছে। অনেক সা-সামগ্ৰীৰ ক্ষেত্ৰত ১৮ শতাংশ কৰ হ'ল উমৈহতীয়া। ৮১ শতাংশ সা-সামগ্ৰী এই কৰ ব্যৱস্থাৰ ভিতৰত পৰে।

সস্তা দৰত পোৱা সামগ্ৰীবোৰ হ'ল— **খাদ্য সামগ্ৰী ঃ** (১) গাখীৰৰ পাউদাৰ, (২) দৈ, (৩) মাখন, গাখীৰ, (৪) অ-ব্ৰেণ্ডযুক্ত স্বাভাৱিক মৌ, (৫) ডেইৰীৰ প্ৰস্তুত সামগ্ৰী, (৬) চীজ, (৭) মা-মছলা, (৮) চাহ, (৯) ঘেঁহু, (১০) চাউল, (১১) আটা, (১২) বাদাম তেল, (১৩) পাম অইল, (১৪) চানফ্লাৱাৰ অইল, (১৫) নাৰিকল তেল, (১৬) সৰিয়হ তেল, (১৭) চেনী, (১৮) জাগেৰি, (১৯) মিঠাই, বিস্কুট, (২০) পেস্তা, (২১) চেৰৈ, (২২) মেকেৰণি, (২৩) নুডল, (২৪) ফল-মূল আৰু শাক-পাচলি, (২৫) আচাৰ, (২৬) মোৰাব্বা, (২৭) চাটনি, (২৮) চকলেট আদি।

**দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰী ঃ** (১) গা ধোৱা চাবোন, (২) চুলিত ঘঁহা তেল, (৩) ডিটাৰজেণ্ট পাউদাৰ, (৪) চাবোন, (৫) টিছু পেপাৰ, (৬) নেপকিন, (৭) জুইশলা, (৮) মম. (৯) কয়লা, (১০) কেৰাচিন তেল, (১১) ঘৰুৱা ইন্ধন গেছ, (১২) চামুচ, (১৩) কাটা চামুচ, (১৪) হেতা, (১৫) মাছ কটা কটাৰী, (১৬) কেক চাৰ্ভাৰ, (১৭) ফিছ নাইভছ, (১৮) চেপেনা (১৯) ধূপকাঠি, (২০) টুথপেষ্ট। **ষ্টেচ'নেৰি ঃ** (১) নোটবুক, (২) কলম, (৩) সকলো প্ৰকাৰৰ কাগজ, (৪) গ্ৰাফ পেপাৰ, (৫) স্কুল মোনা, (৬) এক্সাৰছাইয বুক, (৭) পিকচাৰ, ড্ৰয়িং আৰু কালাৰিং বুকছ, (৮) পাৰ্চমেণ্ট পেপাৰ, (৯) কাৰ্বন পেপাৰ, (১০) প্ৰিণ্টাৰ্ছ।

**স্বাস্থ্যৰক্ষা ঃ** (১) ইনছিউলিন, (২) চিকিৎসাৰ কামত ব্যৱহৃত এক্স-ৰে ফিল্ম, (৩) ডায়োগনষ্টিক কিটছ, (৪) সংশোধনাত্মক চচ্‌মাৰ বাবে গ্লাছ, (৫) মধুমেহ আৰু কেন্সাৰৰ ঔষধ-পাতি।

**পোছাক ঃ** (১) ৰেচম, (২) ঊণ সূতা, (৩) খাদীৰ সূতা, (৪) গান্ধী টুপি, (৫) ৫০০ টকাৰ তলৰ জোতা, (৬) ১০০০ টকা পৰ্যন্ত পোছাক।

জী এছ টী হাৰ নিৰ্ণয় হ'লে ন্যূনতম মুদ্ৰাস্ফীতি অৱনতি হোৱাৰ পথ মুকলি কৰিব পাৰে বুলি সাধাৰণতে আশা কৰা হয় আৰু তাৰ ফলত অৰ্থনৈতিক বৃদ্ধি সাধন কম সময়ৰ ভিতৰত যথেষ্টভাৱে নহ'বও পাৰে— যদিও ই দেশ আৰু চৰকাৰখনক মাধ্যকালীন অৱস্থাত উপকৃত কৰিব। এই মন্তব্য হ'ল বিশেষজ্ঞসকলৰ। প্ৰায়ভাগ অৰ্থনীতিবিদে ভৱিষ্যবাণী কৰিছে যে মুদ্ৰাস্ফীতি অৱনমিত হোৱাৰেই আশা আছে, কিয়নো সৰহভাগ সামগ্ৰীৰ ক্ষেত্ৰত জী এছ টীৰ হাৰ কম কৰি নিৰ্দিষ্ট কৰা হৈছে। ভাৰতে সংঘৱদ্ধভাৱে ডাঙৰ কাম কৰিব লগা আছে, কিয়নো প্ৰায়ভাগ প্ৰস্তুত গোট আৰু উদ্যোগসমূহে এতিয়া নিজৰ ব্যৱসায় পুনৰ গঠিত কৰিব লাগিব। কাৰণ দেশখন জী এছ টী আমোললৈ পৰ্যবসিত হৈছে। ইয়াৰ ফলত অধিক সংখ্যক সৰু সৰু কোম্পানীক কৰ ব্যৱস্থাৰ পৰিমাত্ৰালৈ অনাৰ উপক্ৰম কৰা

হৈছে। কিয়নো "জী এছ টী আই এন"ৰ জৰিয়তে সেইবোৰ পঞ্জীয়নৰ অধীনত আহি পৰে।

এইখিনিতে মন কৰিবলগা বিষয়টো হ'ল মুদ্ৰাস্ফীতিৰ গতি অৱনমিত হোৱাৰ অৱস্থাত থাকিলেও অৰ্থনীতিবিদসকলে বিশ্বাস কৰে যে ই ৰিজাৰ্ভ বেংকক নীতি বিষয়ক পৰৱৰ্তী পৰ্যালোচনা কালত সুতৰ হাৰ কৰ্তন কৰিবলৈ প্ৰভাৱান্বিত নকৰিবও পাৰে। ৰিজাৰ্ভ বেংকে বৰ্ষা কালৰ স্থিতি তথা নতুন কৰ ব্যৱস্থাই কিদৰে ক্ৰিয়া কৰে সেই বিষয়ে নিৰ্দ্ধাৰণ কৰিব। এই মন্তব্য হ'ল ইণ্ডিয়া ৰেটিংছৰ মুখ্য অৰ্থনীতিবিদ সুনীল সিনহাৰ। সংবাদ মাধ্যমে তেওঁৰ উক্তি দি বাতৰিটো প্ৰকাশ কৰিছে।

অৰ্থনীতিবিদ আৰু উদ্যোগ পৰ্যবেক্ষকসকলে এই দাবী কৰে যে হ্ৰস্বকালীন কালছোৱাত জী এছ টীৰ পাঁচটা বৃহৎ প্ৰভাৱ পৰিব।

**কৰ্পোৰেটৰ অস্তিত্ব আৰু তাৰ কাৰ্যকৰণ সম্পৰ্কে চাওক ঃ কেনেকৈ?**

নতুন কৰ ব্যৱস্থাই বহু কোম্পানীকেই নিজৰ কাম-কাজৰ ধৰণ-কৰণ সম্পৰ্কে পুনৰ গঠন কৰিবলৈ জোৰ দিব। এতিয়া কোম্পানীবোৰে দোকানী আৰু যোগান ধৰোঁতাক মূল্যসহ বিভিন্ন বস্তুৰ সূচী দিবলৈ জোৰ কৰিব, কিয়নো জী এছ টী ব্যৱস্থাই প্ৰতিষ্ঠানসমূহক কৰ ফাঁকি দিয়াটো অসম্ভৱ কৰি তুলিব। ডাঙৰ ডাঙৰ কোম্পানীবোৰ লাভৱান হ'ব, কাৰণ সেইবোৰৰ সুশৃংখলিত যোগান চক্ৰ আছে। সৰু প্ৰতিষ্ঠানবোৰৰ ক্ষেত্ৰত কৰ বিৱৰণ নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰদান কৰিবলৈ যাওঁতে অধিক খৰচ কৰিব লগাও হ'ব পাৰে। বিদেশৰ এখন লেনদেন কৰা প্ৰতিষ্ঠানে সংবাদ মাধ্যমৰ আগত আগবঢ়োৱা মন্তব্য এনেধৰণৰ— "আবকাৰী ৰেহাই পোৱা মণ্ডলত অৱস্থিত উৎপাদন গোটবোৰৰ ক্ষেত্ৰত কোম্পানীবোৰৰ ওপৰত পৰা প্ৰভাৱ ভিন ভিন ধৰণৰ হোৱা হেতুকে জী এছ টীৰ ৰূপায়ণে যোগান চক্ৰৰ নেটৱৰ্কত খৰচ ৰাহি কৰিব লাগে আৰু অসংগঠিত বেহাৰ পৰা সংগঠিত বাণিজ্যলৈ পৰ্যবসিত হোৱাটো খৰতকীয়া কৰা উচিত।"


**নিম্ন কৰৰ লাভসমূহ কেনেকৈ ৰাইজৰ ওচৰ পোৱাবগৈ পাৰি?**

যি ক্ষেত্ৰত বিত্ত মন্ত্ৰীৰ নেতৃত্বৰ জী এছ টী পৰিষদে উপভোক্তাসকললৈ নিম্ন কৰৰ লাভসমূহ কোম্পানীসমূহে পোৱাৰ সুবিধা কৰিছেনে সেই বিষয়ে নিবিড়-ভাৱে চকু দিয়াটো আশা কৰিব পৰা যায়, তেনে ক্ষেত্ৰত বিশেষজ্ঞসকলৰ মুনাফা বিৰোধী নীতি ৰূপায়ণৰ সন্দৰ্ভত ভিন্ন মত পোষণ কৰা দেখা যায়। বিত্তীয় সেৱা কোম্পানী নমুৰাৰ মন্তব্য হ'ল এনেধৰণৰ— "আমি বিশ্বাস কৰোঁ যে জী এছ টীৰ প্ৰত্যক্ষ লাভসমূহ (নিম্ন কৰ হাৰৰ নিচিনা) কৰ্পোৰেটবোৰে যাবলৈ দিওঁতে তেওঁলোকে পৰোক্ষ লাভখিনি আংশিকভাৱে (সম্পূৰ্ণকৈ নহ'লেও) ৰাখিবলৈ লক্ষ্য কৰিব। তেনে গতি চালনা আৰু বাণিজ্যকৰণ প্ৰক্ৰিয়া সুনিয়াৰিকৰণ কৰাৰ বাবদ হোৱা খৰচখিনিও উঠাবলৈ চাব।" নমুৰাই আৰু কয় যে জী এছ টী আইনে যদিও মুনাফা লুটকৰণ বিৰোধী ব্যৱস্থাৰ ওপৰত আলোকপাত কৰিবলৈ লৈছে, তথাপি কৰ হাৰ আৰু 'ইনপুট নেটৱৰ্ক'ৰ ক্ষেত্ৰত হোৱা হ্ৰাসৰ লাভখিনি তেনে সম মূল্যৰ হ্ৰাসৰদ্বাৰা আগলৈ গতি কৰিব। এনে ব্যৱস্থা ৰূপায়ণ কৰা কঠিন আৰু এয়া হ'ব এটা পশ্চাৎগামী পদক্ষেপ— ঠিক মূল্য নিয়ন্ত্ৰণ কৰাৰ দৰে— যদিহে ইয়াক খৰখেদাকৈ কাৰ্যত ৰূপায়ণ কৰা হয়। নমুৰাই আৰু দাবী কৰে যে জী এছ টী ব্যৱস্থাৰ অধীনত বাহিৰলৈ যাব লগা কৰৰাশিৰ পৰা কোম্পানীবোৰে নিজৰ লাভৰ সীমা কিছু উন্নত কৰিবলৈ ৰাহিখিনি ব্যৱহাৰ কৰিব পাৰে আৰু বাকীখিনি নিজৰ ক্ষমতাক সবল কৰি তুলিবলৈ বিনিয়োগ কৰিব পাৰে।

সৰহভাগ কৰ বিশেষজ্ঞই অনুভৱ কৰে যে চৰকাৰৰ এই বৃহৎ সংস্কাৰ সাধনৰ প্ৰকৃত প্ৰভাৱ কেনেধৰণৰ হ'ব সেইটো ৰূপায়ণৰ এটা বছৰ সম্পূৰ্ণ হোৱাৰ পিছতহে নিৰ্দ্ধাৰণ কৰিব পৰা যাব। কিন্তু বহু ক্ষেত্ৰতে ইয়াৰ তাৎক্ষণিক প্ৰভাৱ হ'ল ই আপোনাৰ জেপত গধূৰ বোজা পৰিব আৰু তেনেদৰে জেপ খালি হৈও যাব। অন্য কিছুমানৰ ক্ষেত্ৰত ই উৎসাহিত কৰিব। তাৰ ভিতৰত বণিকসকলৰ লাভৰ পথ মুকলি হ'ব। আনপিনে চৰকাৰৰ ৰাজহ মোনাৰ ওপৰত জী এছ টীৰ প্ৰভাৱৰ বিষয়টো কিছুদিন অপেক্ষা কৰি চোৱাচিতা কৰাটোহে উচিত হ'ব যেন লাগে। কিছুমান সেৱা, যেনে— বেংকিং আৰু টেলিকম অধিক খৰচী। তেনেদৰে ঘৰ কিনা, তৈয়াৰী পোছাক, মাহিলি ম'বাইল বিল আৰু টিউচন মাচুল অধিক বেছি। জী এছ টী আমোলত এটা ফ্লেট কিম্বা এখন দোকান ক্ৰয় কৰিলে ১২ শতাংশ কৰ দিব লাগিব; কিন্তু ইয়াৰ তুলনাত সাম্প্ৰতিক কৰ হাৰ হ'ল প্ৰায় ৬ শতাংশ। বিদেশৰ বিনিয়োগকাৰীয়ে জী এছ টীক আদৰণি জনাইছে, কিয়নো তেওঁলোকৰ বাবে সা-সামগ্ৰী প্ৰস্তুত কৰি সেইবোৰ নিৰ্দিষ্ট লক্ষ্যস্থানলৈ পঠিওৱা সহজ কৰি তুলিছে। মুক্তভাৱে প্ৰেৰণ কৰা সহজ, কিয়নো ২৩ খন ৰাজ্যৰ প্ৰায়ভাগেই নিজৰ নিজৰ চেকপোষ্ট আৰু চেকগেটবোৰ উঠাই লৈছে।

সা-সামগ্ৰী বাণিজ্যিকৰণৰ ক্ষেত্ৰত সিদ্ধহস্ত গুৰু জিম ৰৰ্জাছে ভাৰতীয় কোম্পানীক তেওঁৰ সম্পত্তি বিক্ৰী কৰিছিল ২০১৫ চনৰ শেহৰ ভাগত। তেতিয়া তেওঁ কৈছিল যে চৰকাৰ বিনিয়োগকাৰীৰ আশা-আকাংক্ষা সজীৱ কৰি ৰাখিবলৈ অপাৰগ। কিন্তু এতিয়া তেওঁ কয় যে ভাৰতত পুনৰ প্ৰৱেশ কৰিবলৈ বিবেচনা কৰিছে। ভাৰতীয় বজাৰসমূহে অভিলেখ ভঙ্গ কৰি সন্টম হোৱাৰ বাবে ৰৰ্জাছে মানি লয় যে তেওঁ ভাৰত গমনৰ বাবে সুযোগ হেৰুৱাব পাৰে। তেওঁ কয় "জী এছ টীৰ সন্দৰ্ভত মই আচৰিত আৰু হতবাক হৈছোঁ।" ভাৰতত এখন একীভূত বজাৰ সৃষ্টি কৰিবলগীয়া জী এছ টী প্ৰসংগত মত বিনিময়ৰ সময়ত তেওঁ এনেদৰে কৈছিল।

সামৰণিত এইটো কোৱা সমীচীন যে জী এছ টী হ'ল কৰ ফাঁকি দিওঁতাসকলৰ ওপৰত এটা দ্বিতীয় বৃহৎ "ছাৰ্জিকেল" আক্ৰমণ। এই ব্যৱস্থাই প্ৰায়ভাগ ব্যৱসায়ীকেই কৰ জালৰ ভিতৰলৈ আনিব। দেশখনৰ ভিতৰত বয়-বস্তুবোৰ চাল-চলন কৰাত মুকলি কৰিব আৰু একক কৰ ব্যৱস্থাৰে এখন একীভূত বজাৰলৈ বিদেশৰ বিনিয়োগ-কাৰীসকলক আকৰ্ষণ কৰিব। যদিও নাগৰিকসকলক ভোজন, ভ্ৰমণ, সম্পত্তি আদি ক্ৰয়ৰ ক্ষেত্ৰত মুকলিভাৱে ব্যয় কৰাত অসুবিধাত পেলাব তাৰ ইতিবাচক দিশটোক উলাই কৰিবলগীয়া নহয়। জী এছ টী ব্যৱস্থাই ৩১ শতাংশ সামগ্ৰীক সুলভ কৰিব বুলি আশা কৰিব পাৰি। এয়া হ'ল হ্ৰস্বকালিন কষ্টৰে এটা দীৰ্ঘকালিন যাত্ৰা; কিয়নো দেশখনে এটা নতুন কৰ আমোলৰ পিনে গতি কৰিছে। এই গতি স্বাভাৱিক। ❐

# চোৰাং ব্যৱসায় ঃ সামগ্ৰী আৰু সেৱা কৰ ৰূপায়ণত প্ৰত্যাহ্বান

**গিৰীশ চন্দ্ৰ প্ৰসাদ***

ৰাজ্যৰ পৰিধি ভাঙি ১৭ বিধ ৰাজ্যিক আৰু কেন্দ্ৰীয় কৰৰ পৰিৱৰ্তে সামগ্ৰী আৰু সেৱা কৰ (জী এছ টী) ব্যৱস্থা প্ৰৱৰ্তনেৰে সৃষ্টি কৰা ২.৩ ট্ৰিলিয়ন ডলাৰৰ এখন একক বজাৰে নিশ্চিতভাৱে ব্যৱসায়ী আৰু বিনিয়োগকাৰীৰ ওপৰত প্ৰভূত প্ৰভাৱ পেলাব। কিন্তু নীতি নিৰ্দ্ধাৰণকাৰীসকলৰ আটাইতকৈ ডাঙৰ শংকা হ'ল নতুন পৰোক্ষ কৰ ব্যৱস্থাই সামগ্ৰী আৰু সেৱাসমূহত আৰোপ কৰা হ্ৰাসমান কৰৰ বোজাই উপভোক্তাসকলক লাভৱান কৰিব বুলি নিশ্চিত কৰাটো। ব্যৱসায়ী আৰু দোকানীসকলে তেওঁলোকে পোৱা লাভৰ সুবিধাখিনি উপভোক্তা-সকলকো প্ৰদান কৰাটো নিশ্চিত কৰিবলৈ কেইটামান পদক্ষেপ লোৱা হৈছে— চোৰাং বেপাৰ ৰোধ কৰিবলৈ গোট গঢ়ি তোলা আৰু উপভোক্তা আৰু ব্যৱসায়ীসকলৰ মাজত সজাগতা গঢ়ি তোলা অতি আৱশ্যকীয়। অষ্ট্ৰেলিয়া আৰু মালয়ছিয়াৰ দৰে দেশে জী এছ টী প্ৰৱৰ্তন কৰাৰ সময়ত ক'লা বেপাৰী সক্ৰিয় হৈ উঠা বুলি খবৰ পোৱা গৈছিল।

ইতিপূৰ্বে প্ৰচলিত জটিল আৰু অস্বচ্ছ পৰোক্ষ কৰ ব্যৱস্থাৰ বিপৰীতে জী এছ টী স্বচ্ছ আৰু ই কোনো সেৱা বা সামগ্ৰীত আৰোপিত প্ৰকৃত কৰ কিমান সেই কথা সৰ্বশেষ উপভোক্তাগৰাকীক জানিবলৈ দিয়ে। এই ব্যৱস্থাই এনে এটা ধাৰণা গঢ়াত সহায় কৰে যে কৰৰ হাৰ বৃদ্ধি হৈছে।

ইয়াত আগতে উপভোক্তাই কেন্দ্ৰৰদ্বাৰা আৰোপিত সেৱা কৰ বা ৰাজ্য চৰকাৰৰ ভেট (মূল্য সংযোজিত কৰ)ৰ বিষয়েহে জানিব পাৰিছিল। সেৱা বা সামগ্ৰী উৎপাদনৰ প্ৰাৰম্ভিক স্তৰত আৰোপিত বিভিন্ন কৰ সমূহ উপভোক্তাৰ চকুত পৰা নাছিল। উদাহৰণস্বৰূপে টেলিকম কোম্পানীয়ে ব্যৱহাৰ কৰা সা-সঁজুলি বা কাৰখানা গে'টত আৰোপ কৰা আবকাৰী শুল্ক এনে ধৰণৰ কৰত অন্তৰ্ভুক্ত। বেপাৰী বা দোকানীয়ে উপভোক্তাক যাতে বিপথে পৰিচালনা কৰি অধিক দাম নলয় আৰু বৰ্দ্ধিত স্বচ্ছতাত বিঘিনি নঘটে, কৰ্তৃপক্ষই তাৰবাবে সচেষ্ট হৈ থাকে।

যোগান শৃংখলৰ প্ৰাৰম্ভিক স্তৰত আদায় দিয়া কৰৰ বাবে অৰ্জন কৰা 'ক্ৰেডিট' ব্যৱহাৰ কৰি ব্যৱসায়ীসকলে তেওঁলোকৰ সামগ্ৰী বা সেৱাৰ বিপৰীতে থকা কৰৰ বোজা লাঘৱ কৰিব পাৰে। এই ব্যৱস্থা পূৰ্বতকৈ অধিক সুবিধাজনক। এনেদৰে এজন টেলিকম সেৱা প্ৰদান-কাৰীয়ে ব্যৱসায়ত ব্যৱহৃত যন্ত্ৰপাতিত আৰোপিত কৰ আদায় দিয়াৰ ক্ষেত্ৰত এই 'ক্ৰেডিট' ব্যৱহাৰ কৰিব পাৰে। উপভোক্তাক সেৱা আগবঢ়োৱা সময়ত জী এছ টী আদায়ৰ ক্ষেত্ৰত এই পদ্ধতি কাৰ্যকৰী হয়। পূৰ্বতকৈ অধিক হাৰত জী এছ টী থাকিলেও হোৱা বা সামগ্ৰীৰ বিপৰীতে থকা প্ৰকৃত কৰৰ বোজা লাঘৱ হোৱাত এই পদ্ধতি ফলপ্ৰসূ বিবেচিত হয়।

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী অৰুণ জেইটলীয়ে ১১ জুনত কয় যে পূৰ্বৰ ব্যৱস্থাত থকা কৰৰ বিপৰীতে বৰ্তমান আৰোপিত কৰৰ বোজা যথেষ্ট লাঘৱ হ'ব। পৰিৱৰ্তিত অৰ্থনৈতিক অৱস্থা আৰু চাহিদাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ গ্ৰহণ কৰা হৈছে। শ্ৰীনগৰত মে'ত অনুষ্ঠিত জী এছ টী পৰিষদৰ বৈঠকত গৃহীত সিদ্ধান্তৰ পাছত সেইদিনাই জী এছ টীৰ স্তৰ ৬৬ পইণ্ট অৱনমিত কৰা হ'ল।

জী এছ টীৰ পৰিমাণ হ্ৰাস কৰাৰ লগতে চোৰাং ব্যৱসায় প্ৰতিৰোধী দফা সন্নিবিষ্ট কৰাৰ মূল উদ্দেশ্য হ'ল কৰ হ্ৰাস হোৱাৰ সুবিধা উপভোক্তাক নিদিয়াকৈ ব্যৱসায়ীসকলে নিজেই লাভৱান হোৱাৰ চেষ্টা ৰোধ কৰা। চৰকাৰৰ অভিপ্ৰায়ৰ ই বিৰোধী।

কেন্দ্ৰীয় জী এছ টী আইনে নিৰ্দিষ্ট কৰি দিছে যে 'যিকোনো সামগ্ৰী বা সেৱা যোগানত আৰোপিত কৰ হ্ৰাস হ'লে বা 'ইনপুট ষ্টেক্স ক্ৰেডিট'ৰ লাভ উপভোক্তালৈ সঞ্চালন কৰিব লাগিব আৰু মূল্য হ্ৰাসৰ জৰিয়তে এই সুবিধা তেওঁলোকক প্ৰদান কৰিব লাগিব।

প্ৰস্তাৱিত চোৰাং ব্যৱসায় প্ৰতিৰোধ প্ৰাধিকৰণৰ মুৰব্বী সচিব পৰ্যায়ৰ বিষয়া। 'কেন্দ্ৰীয় আবকাৰী আৰু সীমা শুল্ক পৰিষদৰ অধীনস্থ ৰক্ষণাবেক্ষণ কোষৰ সঞ্চালক প্ৰধানক তেওঁ চোৰাং ব্যৱসায়ৰ সন্দেহজনক গোচৰসমূহৰ বিষয়ে দৃষ্টিগোচৰ কৰাব যাতে এই সন্দৰ্ভত বিতং অনুসন্ধান কৰিব পৰা যায়।

***লেখক গিৰীশ চন্দ্ৰ প্ৰসাদ দিল্লী-ভিত্তিক বিয়নিছ ক্ষেত্ৰৰ ১৭ বছৰ অভিজ্ঞতাসম্পন্ন সাংবাদিক।**

জী এছ টী কৰ্তৃপক্ষই সেৱা বা সামগ্ৰী যোগানকাৰী দাম কমাব পাৰে বা জী এছ টীৰ বাবে হ্ৰাস পোৱা কৰৰ সম পৰিমাণৰ ধন উপভোক্তাক ঘূৰাই দিবলৈ নিৰ্দেশ দিব পাৰে। চোৰাং ব্যৱসায়ত লিপ্ত থকা বুলি দোষী সাব্যস্ত হ'লে এজন ব্যৱসায়ী বা জী এছ টীৰ অধীনত থকা কৰৰ ওপৰত ১৮ শতাংশ সুতসহ উপভোক্তাক ৰেহাই নিদিয়া ধন ঘূৰাই দিব লাগিব। যদি উপভোক্তাই প্ৰাপ্য হ্ৰাসপ্ৰাপ্ত কৰৰ সমান ধন ওভতাই নিবিচাৰে কৰ্তৃপক্ষই যোগানকাৰীৰপৰা সেই ধন ঘূৰাই ল'ব পাৰে। ক'লা বেপাৰীক জৰিমনা বিহা হ'ব পাৰে আৰু সময়ত ব্যৱসায়িক পঞ্জীয়নো বাতিল হ'ব পাৰে। এয়া কঠোৰ পদক্ষেপ যেন লাগিব পাৰে যদিও চৰকাৰৰ লক্ষ্য হ'ল কাৰ্যকৰী প্ৰতিৰোধ ব্যৱস্থাযাৰ জৰিয়তে দেশত বৃহৎ পৰিমাণৰ ক'লা বেপাৰ বন্ধ কৰিব পৰা যায়। মুক্ত বজাৰ অৰ্থনীতিত দামৰ সূক্ষ্ম ব্যৱস্থাপনাতকৈ এনে ব্যৱস্থা অধিক কাৰ্যকৰী হোৱাৰ থল আছে।

বৰ্তমানলৈ এই পৰিৱৰ্তন বৰ সুষম আৰু উপভোক্তাক লাভ প্ৰদান কৰাৰ ক্ষেত্ৰত ব্যৱসায় খৰতকীয়া হোৱাটো চকুত পৰিছে; আনকি কিছুমান লেনদেন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু তদানীন্তন ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীয়ে সংসদ ভৱনৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত জী এছ টী শুভাৰম্ভ কৰাৰ কথা ১ জুলাইৰ মাজনিশা ঘোষণা কৰা সময়ৰে পৰা কাৰ্যকৰী হৈছিল। সেইবোৰৰ ভিতৰত অন্যতম হ'ল এপ্‌লৰ আইফোন, আইপেড, মেক্‌ছ (Macs) আৰু এপ্‌ল ঘড়ীৰ খুচুৰা বিক্ৰীমূল্য ভাৰতৰ উপভোক্তাৰ কাৰণে হ্ৰাস কৰা হৈছিল। উপভোক্তাৰ দ্ৰুত চাহিদাৰ সামগ্ৰী (এফ এম চী জী)ৰ কোম্পানী হিন্দুস্তান ইউনিলিভাৰ লিমিটেডেও ডিটাৰজেণ্ট আৰু চাবোনৰ মূল্য হ্ৰাস কৰিছিল। দুচকীয়া বাহন নিৰ্মাতা হিৰ' মট'কৰ্প লিমিটেডে ইয়াৰ বাহনসমূহৰ মূল্য ৪০০ টকাৰ পৰা ১,৮০০ টকালৈ হ্ৰাস কৰিছিল।

সামগ্ৰী আৰু সেৱাৰ বিপৰীতে কৰৰ বোজা লাঘৱ নিশ্চিতকৰাটোও বৰ গুৰুত্বপূৰ্ণ বিষয়। কাৰণ প্ৰত্যক্ষ কৰ ধনী আৰু দুখীয়া উভয় শ্ৰেণীৰ বাবে সমানে প্ৰয়োজ্য। ইয়াৰ বিপৰীতে আয়কৰ কোনো ব্যক্তিৰ উপাৰ্জন সামৰ্থ্যৰ ওপৰত নিৰ্ভৰশীল। যিমানেই উপাৰ্জন বাঢ়ে, আয়কৰৰ বোজাও বৃদ্ধি হয়।

কৰৰ বোজা লাঘৱ হ'লে সামগ্ৰীৰ দামো কমিব আৰু ইয়াৰ ফলত খুচুৰা সামগ্ৰীৰ মুদ্ৰাস্ফীতি প্ৰশমিত হোৱাৰ পূৰ্ণ সম্ভাৱনা পৰিলক্ষিত হয়। তেতিয়া অৰ্থনীতিৰ অস্থিৰতাও কমে। অধিক কৰ ৰাজহ জমা হ'লে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে কল্যাণমূলক আঁচনি আৰু আন্তঃগাঁথনিত অধিক ধন ব্যয় কৰিব পাৰে। বহু পৰিমাণে বজাৰ দখল কৰাৰ প্ৰতিযোগিতাৰ ফলত উপভোক্তা-সকল লাভৱান হয়, কাৰণ কোনো ব্যৱসায়িক-প্ৰতিষ্ঠানে বজাৰৰ অংশী-দাৰিত্ব হেৰুৱাব নিবিচাৰে।

জী এছ টী বা সামগ্ৰী আৰু সেৱা কৰৰ বাবে যাতে দৰিদ্ৰ শ্ৰেণীয়ে ভুগিবলগীয়া নহয়, কেন্দ্ৰীয় বিত্ত মন্ত্ৰী অৰুণ জেইটলীয়ে সভাপতিত্ব কৰা জী এছ টী পৰিষদে পোনতে ঠাৱৰ কৰা একক কৰ স্তৰৰ পৰিৱৰ্তন ঘটাই চাৰিটা বিভিন্ন স্তৰৰ কৰ আৰোপ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই স্তৰকেইটা হ'ল ৫ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ। জনসাধাৰণে বহুলভাৱে ব্যৱহাৰ কৰা সামগ্ৰীসমূহ ন্যূনতম স্তৰত আৰু বিলাস সামগ্ৰী উচ্চতম স্তৰত অন্তৰ্ভুক্ত কৰা হ'ল।

জী এছ টী হাৰ সমতুল্য নীতিৰ ওপৰত প্ৰতিষ্ঠিত, অৰ্থাৎ সাম্প্ৰতিক কৰৰ সৈতে এই কৰ সামগ্ৰী আৰু সেৱা কৰৰ সৈতে যথেষ্টে ওচৰ চপা। উদ্যোগ জগতৰ ভিতৰত কেইটামানে কৰ ৰেহাই বিচাৰিব পাৰে; ইয়াৰ ভিতৰত বস্ত্ৰ উদ্যোগো আছে যদিও কৰ ৰেহাই বা কৰ বহিৰ্ভূত শ্ৰেণীত অন্তৰ্ভুক্ত কৰিলে ভাল হোৱাতকৈ ক্ষতিৰহে সম্ভাৱনা। যদি সামগ্ৰীবিধ কৰমুক্ত কৰা হয়, তেন্তে উৎপাদনৰ প্ৰাৰম্ভিক স্তৰত কেঁচা সামগ্ৰীসমূহৰ বিপৰীতে বিক্ৰেতাই আদায় দিয়া কৰৰ 'ক্ৰেডিট' দাবী কৰিব নোৱাৰিব। ফলস্বৰূপে বস্তু সামগ্ৰীৰ দাম বৃদ্ধি হয়।

উদ্যোগসমূহত মাজত পৰিলক্ষিত হোৱা উদ্যোগৰ মূল বিষয় হ'ল কেতবোৰ নিৰ্দিষ্ট সেৱাৰ সম্ভাব্য বৰ্দ্ধিত কৰ। জী এছ টী পৰিষদে গ্ৰহণ কৰা নীতি সমগ্ৰ বিশ্বতে প্ৰযোজ্য। ❐

*পয়োভৰা ৰাইজৰ আলোচনী—*

***নিজে পঢ়ক, আনকো পঢ়ুৱাওক—***

***দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—***

# শক্তিশালী তথ্য প্ৰযুক্তি মেৰুদণ্ড গঠন

**প্ৰকাশ কুমাৰ***

২০১৭ চনৰ ১ জুলাইত ভাৰতৰ বৰ্তমানলৈ আটাইতকৈ অধিক বৈপ্লৱিক কৰ সংস্কাৰ সামগ্ৰী আৰু সেৱা কৰ (জী এছ টী) প্ৰৱৰ্তন কৰা হয়। দেশখনক একক কৰ ব্যৱস্থা আওতালৈ আনি অৰ্থনৈতিক ব্যৱস্থাটোক পুনৰুজ্জীৱিত কৰি তোলাৰ অংগীকাৰ কৰে জী এছ টীয়ে। বহিঃবিশ্বৰে অৰ্থনীতিৰ দুৱাৰ মুকলি কৰাৰ ২৬ বছৰ পাছত ভাৰতে অন্য এটা গুৰুত্বপূৰ্ণ অৰ্থনৈতিক সংস্কাৰ প্ৰৱৰ্তন কৰে যি দেশক আগুৱাই লৈ যোৱাৰ লগতে উদাৰীকৰণৰ বিকাশৰ লাভ সুনিশ্চিত কৰে।

নতুন সামগ্ৰী আৰু সেৱা কৰৰ অধীনত ১৭ বিধ কেন্দ্ৰীয় আৰু ৰাজ্যিক কৰ আৰু ২২ বিধ উপকৰ শ্ৰেণীভুক্ত হয় আৰু ইয়াৰ ফলত বহুমুখী কৰৰ জটিলতা দূৰ হোৱাৰ লগতে স্তৰে স্তৰে আৰোপিত কৰৰ মাত্ৰা হ্ৰাস পাই পৰোক্ষ কৰৰ গুৰুত্বপূৰ্ণ সৰলীকৰণ সম্ভৱ হৈ পৰে। ৩৪ বিধ ৰাজ্যিক মূল্যসংযোজিত কৰ (ভেট) আৰু ৯৭ বিধ বিভিন্ন আয়কৰৰ হিচাপ দাখিলৰ প্ৰপত্ৰ ৩১৭ টা পৰিশিষ্ট আৰু ২৮ টা ঘোষণাৰে সন্নিৱিষ্ট থাকে। একেদৰে কেন্দ্ৰীয় আবকাৰী শুল্কৰ ১৩ খন হিচাপ দাখিলৰ প্ৰপত্ৰ থাকে য'ত এটা ঘোষণা সন্নিৱিষ্ট থাকে। আনকি ব্যৱহৃত চালানেই ১২ প্ৰকাৰৰ। এই আটাইবোৰ এতিয়া মাত্ৰ ১২ বিধ প্ৰপত্ৰ আৰু এখন চালানলৈ পৰিৱৰ্তিত হৈছে। দেশত একে ধৰণৰ ব্যৱস্থাই প্ৰচলিত হৈছে। জী এছ টীৰ বাবে কৰ আদায় আৰু আয়কৰ হিচাপ দাখিলেই সহজ হৈ থকা নাই, জী এছ টীৰ বাবে কৰ পৰিশোধৰ বিধি মানি চলাৰ বোজা হ্ৰাস কৰাৰ লগতে ব্যৱসায় কৰাটো সহজসাধ্য হৈ পৰিছে।

জী এছ টীৰ ফলত ৮০ লাখ কৰ দাতাৰ 'ক্ৰেডিট অব ইনপুট টেক্স ক্ৰেডিট' (আই টি চি) প্ৰক্ৰিয়াগত পদ্ধতিৰে নিৰ্ণয় কৰা হ'ব আয়কৰ হিচাপ দাখিলৰ ১০ দিনৰ ভিতৰতে। য'ত ২.৬ ৰ পৰা ৩.০ বিলিয়ন ব্যৱসায়িক চালান থাকে। শক্তিশালী তথ্য-প্ৰযুক্তিগত আন্তঃগাঁথনি নাথাকিলে এই পদক্ষেপ অসম্ভৱ। গতিকে আমি ক'ব পাৰোঁ যে শক্তিশালী তথ্য নেটৱৰ্ক নাথাকিলে জি এছ টি সম্পূৰ্ণ নহয়। তথ্য প্ৰযুক্তিৰ মেৰুদণ্ডডাল হ'ল জী এছ টী প'ৰ্টেল আৰু আই টি প্লেটফৰ্ম— অতি উন্নত এই প্ৰযুক্তিগত আন্তঃগাঁথনিৰে নতুন কৰ ব্যৱস্থা সময়মতে প্ৰৱৰ্তন কৰাটো সম্ভৱ হৈছে। জী এছ টী নেটৱৰ্কে উমৈহতীয়া জী এছ টী প'ৰ্টেল সফলভাৱে সম্প্ৰসাৰিত কৰিবলৈ সক্ষম হৈছে। পৰোক্ষ কৰ আৰোপ ব্যৱস্থাৰে জড়িত ব্যৱসায়ী, অংশীদাৰ আৰু কৰদাতাসকলৰ বাবে এই জী এছ টী প'ৰ্টেল 'ৱান ষ্টপ শ্বপ' হৈ পৰিছে। এই লেখাটো প্ৰকাশ হোৱালৈকে বৰ্তমানৰ ৬৯ লাখ কৰদাতা নতুন জী এছ টী বিধি ব্যৱস্থাৰ আওতালৈ সোমাই পৰিব। এই জী এছ টী এন প'ৰ্টেলৰ অন্তৰ্ভুক্ত হৈ পৰিছে। ২০১৭ চনৰ ২৫ জুনত নতুন ব্যৱসায়ৰ বাবে পৰ্টেলটো নতুন পঞ্জীয়নৰ বাবে মুকলি কৰি দিয়া হৈছিল। বৰ্তমানলৈ ৫ লক্ষাধিক নতুন ব্যৱসায়ী বা ব্যৱসায়িক গোষ্ঠীয়ে নতুন পঞ্জীয়নৰ বাবে আবেদন জনাইছে আৰু ইয়াৰ ভিতৰত ৩ লক্ষাধিক পঞ্জীয়নৰ অনুমতি প্ৰদান কৰা হৈছে।

## জী এছ টী এন ঃ জী এছ টীৰ তথ্য প্ৰযুক্তি বৰ্দ্ধক

সামগ্ৰী আৰু সেৱা কৰ নেটৱৰ্ক বা জী এছ টী এন জি টিৰ তথ্য প্ৰযুক্তি মেৰুদণ্ডৰূপে চিহ্নিত হৈছে। জী এছ টী এনে নতুন পৰোক্ষ কৰ ব্যৱস্থাৰ তথ্য প্ৰযুক্তিৰ আন্তঃগাঁথনি গঢ়ি তুলি কৰ দাতা সকলৰ বহুস্তৰীয় কৰ ব্যৱস্থাৰ পৰা একক কৰ ব্যৱস্থালৈ পৰিৱৰ্তিত হোৱাত সহায় কৰে। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে একেলগে সামগ্ৰী আৰু সেৱা কৰ নেটৱৰ্ক (জী এছ টী এন) সৃষ্টি কৰে। এইটো বিশেষ উদ্দেশ্যমুখী ব্যৱস্থা যি বেচৰকাৰী আৰু লাভজনক নহয়, য'ত

*লেখক প্ৰকাশ কুমাৰ সামগ্ৰী আৰু সেৱা কৰ নেটৱৰ্কৰ চী ই অ'। তেওঁ মাইক্ৰ'চফ্ট ইণ্ডিয়াৰ ৰাষ্ট্ৰীয় প্ৰযুক্তিবিজ্ঞান বিষয়া আৰু ইণ্টাৰনেট বিয়্নিছ ছলিউশ্বনছ গ্ৰুপ (আই বী এছ জী) অৰ 'চিচ্‌ক' ইণ্ডিয়াৰ মুৰব্বী হিচাপে কাম কৰিছিল। ইয়াৰ পূৰ্বে তেওঁ ২৩ বছৰ কাল ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া আছিল।

কেন্দ্ৰৰ ২৪.৫ শতাংশ আৰু ৰাজ্য চৰকাৰসমূহৰ সমূহীয়াকৈ ২৪.৫ শতাংশ অংশীদাৰিত্ব আছে। বাকী অংশকেইটা পাঁচটা ব্যক্তিগত বিত্তীয় প্ৰতিষ্ঠানৰ নামত আছে। এই গাঁথনিয়ে ব্যক্তিগত খণ্ডলৈ নমনীয়তা আনে। ইয়াত বিপৰীতে কৌশলগত নিয়ন্ত্ৰণ চৰকাৰৰ হাততে থাকে।

জী এছ টী এনৰ ভুল হোৱাৰ সম্ভাৱনা কম থাকে। কৰ পদ্ধতিৰ বৃহৎ সংখ্যক ব্যৱস্থা একত্ৰীকৰণৰ সহায়ত ই প্ৰশাসনৰ বিভিন্ন স্তৰৰ কাম-কাজত স্বাচ্ছন্দ্য আনে। জী এছ টী ব্যৱস্থা প্ৰকল্প অনন্য আৰু ই অবিৰামভাৱে যোৱা কেইবছৰমানৰপৰা কাম কৰি আহিছে। পৰিকল্পনা, কৌশল, ৰূপায়ণৰ জৰিয়তে উমৈহতীয়া জী এছ টী প'ৰ্টেল প্ৰস্তুত কৰি উলিওৱাৰ পাছত সামগ্ৰিক জী এছ টী আই টি ইক'ছিষ্টেম ৰূপে কাৰ্যকৰী কৰা হৈছে। উমৈহতীয়া জী এছ টী প'ৰ্টেল হ'ল কৰদাতাসকলৰ একক 'ইণ্টাৰফেছ' যি সমগ্ৰ দেশজুৰি কৰদাতা সকলৰ বাবে প্ৰযোজ্য। এপ্লিকেশ্বন ছফটৱেৰৰ বিকাশৰ বাবে জী এছ টী এনে ইনফ'ছিছৰ সৈতে অংশীদাৰিত্ব গঢ়ি তুলিছে। অহা ৫ বছৰৰ বাবে মেনেজ্ড ছাৰ্ভিচ প্ৰভাইডাৰ (এম এছ পি) ৰূপে জী এছ টী এনে ইনফ'ছিছক নিৰ্বাচন কৰিছে।

## ই কেনেদৰে কাম কৰে ঃ

জী এছ টী এনে সকলো পৰোক্ষ কৰদাতাৰ বাবে উমৈহতীয়া পঞ্জীয়ন, ডেজিগনেটেড বেংকৰ জৰিয়তে কৰ আদায়ৰ বাবে চালান তৈয়াৰ কৰা আৰু ব্যৱসায়ৰ সৈতে ব্যৱসায়ীৰ সম্পৰ্ক থকা চালান সৃষ্টি কৰি হিচাপ দাখিল কৰা ইত্যাদি কাম কৰাত সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। ২৭ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে মূল্যায়ন, আবেদন (এপিল), প্ৰৱৰ্তন আদিৰ নিৰ্দেশ তৈয়াৰ কৰাত সহায়ক হয়। ২০১৬ চনৰ ৮ নৱেম্বৰত জী এছ টী এনে পঞ্জীয়নৰ বাবে আৰ্হি প্ৰস্তুত কৰে। ভেট, সেৱা কৰ, কেন্দ্ৰীয় আবকাৰী আৰু অন্যান্য কৰ যিবোৰ জী এছ টীৰ অধীনত শ্ৰেণীভুক্ত হয়, তেনে ধৰণৰ কৰ সকলো কৰদাতাৰ বাবে সমূহীয়া প'ৰ্টেলৰ কাম কৰে জী এছ টী এনে।

## কৰ আদায়ৰ বাবে সুবিধাজনকঃ

কৰদাতাসকলৰ বাবে কৰ আদায় দিয়াটো অৱশ্য কৰ্তব্য। কিন্তু কৰৰ হিচাপ দাখিল আৰু কৰ আদায়ৰ বাবে সময় ৰাহি কৰা আদি কৰাৰোপণ কৰ্তৃপক্ষৰ দায়িত্ব। কৰ সংস্কাৰৰ মূল ধাৰণা অনুসৰি কৰ আদায়ৰ বাবে সহজ আৰু সুবিধাজনক ব্যৱস্থা গঢ়ি তোলাটোৱেই জী এছ টী এনৰ মূল উদ্দেশ্য। জী এছ টীৰ অধীনত সকলো স্বাভাৱিক আৰু নৈমিত্তিক কৰদাতাই তেওঁলোকৰ কৰৰ হিচাপ পৰৱৰ্তী প্ৰতিমাহৰ ১ তাৰিখৰ ভিতৰত বিতং-ভাৱে দাখিল কৰিব লাগে। ইয়াৰ বাবে www.gst.gov.in জী এছ টী উমৈহতীয়া প'ৰ্টেলৰপৰা সহজে ডাউন-ল'ড কৰিব পৰা যায় এক্সেল ৱৰ্কবুক টেমপ্লেট। নিয়মীয়াকৈ কৰদাতাসকলে এই ব্যৱস্থাৰে সকলো চালান সম্পৰ্কীয় কাম-কাজ কৰিব পাৰে। ক্ষুদ্ৰ কৰদাতাসকলে কেৱল উপভোক্তা-সকলকহে সামগ্ৰী বিক্ৰী কৰে আৰু সেইবাবে তেওঁলোকে ব্যৱসায়িক চালান ব্যৱহাৰ কৰাৰ প্ৰয়োজন নাথাকে। এক্সেলশ্বীটত থকা তথ্যসমূহ অফলাইন প্ৰপত্ৰ ৰূপে ব্যৱহাৰ কৰিব পাৰি যিবোৰৰ সহায়ত জি এছ অ'এন ফাইল সৃষ্টি কৰি জী এছ টী এন প'ৰ্টেলত আপল'ড কৰিব পৰা যায় (ইণ্টাৰনেটৰ সৈতে সংযোগ কৰাৰ পাছত)। কৰদাতাসকলে কৰ আদায় দিবলৈ ইণ্টাৰনেট ব্যৱহাৰ মাত্ৰ এবাৰহে কৰিব লাগে।

আমাৰ উদ্দেশ্য হ'ল কৰৰ হিচাপ দাখিল আৰু কৰ আদায় দিয়াটো সহজসাধ্য আৰু সৰল কৰি তোলা। এক্সেল ফৰমেটত ব্যসায়িক ব্যয়ত হিচাপ বিভিন্ন শিতানত অন্তৰ্ভুক্ত কৰি তালিকাভুক্ত কৰিব পৰা যায়।

## ব্যৱসায় সহজসাধ্য আৰু সুষম কৰি তোলাৰ বাবে পদক্ষেপ ঃ

ব্যৱসায় কৰাৰ সহজসাধ্যতাই অৰ্থনীতিৰ উদাৰীকৰণৰ প্ৰথম পদক্ষেপ। দুৰ্ভাগ্যজনকভাৱে বিশ্ব অৰ্থনীতিত এই ক্ষেত্ৰত ভাৰত যথেষ্ট পিছ পৰি ৰৈছে। জী এছ টী এনৰ উদ্দেশ্য হ'ল কৰৰ হিচাপ দাখিলৰ কাম-কাজ সৰল কৰি তোলা। জী এছ টী এনৰ জৰিয়তে জী এছ টীৰ সফল ৰূপায়ণেৰে ভাৰতক অৰ্থনৈতিক ক্ষেত্ৰখনত অগ্ৰগামী কৰিব পৰা যায়। জী এছ টীৰ ৰূপায়ণে ব্যৱসায় ত্বৰান্বিত কৰি আৰ্থিক বিকাশৰ হাৰ বৃদ্ধি কৰে। ❐

# সংঘীয় বিত্তীয় সম্পৰ্কৰ ভাৰসাম্য

**জয়ন্ত ৰয় চৌধুৰী***

কৰ সংক্ৰান্তত ৰাজ্যসমূহৰ নিজা সাংবিধানিক সক্ষমতা বা দায়িত্ব নাথাকিলেও নতুন সৰ্বভাৰতীয় সামগ্ৰী/ সেৱা কৰ আইনৰ ৰূপায়ণত সফলতা লাভৰ বাবে ৰাজ্যসমূহে এক প্ৰকাৰে পণ লোৱা যেন পৰিলক্ষিত হৈছে।

সি যি কি নহওক, ৰাজহ বৃদ্ধিৰ প্ৰতিশ্ৰুতি পূৰণৰ ব্যৰ্থতাকে ৰাজ্যসমূহে দীৰ্ঘদিন ধৰি সংগ্ৰাম চলাই আহিছিল আৰু ৰাজহ ঘাটি পূৰণৰ বাবে ৰাজ্যসমূহৰ মাজত ভগাই দিবলগীয়া শুল্ক (Cess) ৫০,০০০ কোটিলৈ বৃদ্ধি কৰাৰ বাবে কেন্দ্ৰৰ ওচৰত জনাই অহা ৰাজ্যসমূহৰ দাবীও পূৰণ হোৱা নাছিল। এনেক্ষেত্ৰত তৈল খণ্ডত সংঘটিত পৰিঘটনা বা অন্য কোনো কাৰণত মন্দাৱস্থাৰ বাবে দেশৰ অৰ্থনীতি যদি নিম্নগামী হয় তেতিয়াহ'লে অৰ্থনীতি প্ৰতিশ্ৰুত হাৰ ৭.৫-৮% পূৰণ অথবা প্ৰতিশ্ৰুতি অনুযায়ী ৰাজহ বৃদ্ধিও সম্ভৱ নহ'ব। এই চিন্তাৰ সূত্ৰ লৈয়েই প্ৰৱৰ্তন কৰা হয় সামগ্ৰী/সেৱা কৰ আইন (Goods/Service Tax Act) পিছে এই ক্ষেত্ৰত সমস্যাটো হ'ল অন্য যিকোনো কৰৰ দৰেই সামগ্ৰী/সেৱা কৰো অৰ্থনীতিৰ সচ্ছলতাৰ ওপৰত নিৰ্ভৰশীল। ধাৰণা কৰামতে সামগ্ৰী/ সেৱা কৰে দেশখনৰ কৰৰ ভেটি বহল কৰিব লাগে। সেই প্ৰয়োজনত মুঠ ঘৰুৱা উৎপাদনৰ কৰ অনুপাত ১৬% লৈ বৃদ্ধি কৰিব পাৰি। অৱশ্যে সেই লক্ষ্য পূৰণ হোৱাটো নিৰ্ভৰ কৰিব পিছৰটো স্তৰতহে। এনেকৈয়ে প্ৰক্ৰিয়াটো চলি থাকিব কেনেকৈ চৰকাৰ আৰু উদ্যোগ বিভাগে এটাৰ পিছত এটাকৈ সামগ্ৰিকভাৱে আদান-প্ৰদান আৰু যাৱতীয় নিয়ম মনাৰ হাৰৰ প্ৰতি চকু ৰাখিব।

বিত্ত বিভাগৰ এক প্ৰতিবেদনত ৰিজাৰ্ভ বেংকৰ মুৰব্বীগৰাকীয়ে কৈছিল— 'সাম্প্ৰতিক অনিশ্চিত পৰিস্থিতিত জী এছ টী ৰূপায়ণৰ প্ৰয়োজনত ৰাজহৰ ৰচিদৰ বাবে ভোগ কৰিবলগীয়া অৱস্থাই পৰিস্থিতিটো অনিশ্চিত কৰিহে পেলাব পাৰে।

ইপিনে ৰাজ্যসমূহেও সামগ্ৰীৰ দৰৰ ক্ষেত্ৰত অনেক বেঁকা পথ বা জটিলতাৰ সন্মুখীন হ'বলীয়া হয়। সপ্তম দৰমহা আয়োগৰ পৰামৰ্শাৱলী ৰূপায়ণ হোৱা দৰমহা অথবা বেতনৰ বিলসমূহ যথেষ্ট বৰ্দ্ধিত হাৰৰ হোৱা বুলি আশা কৰা গৈছে। ইতিমধ্যে উত্তৰ প্ৰদেশত পামৰ ঋণসমূহৰ অৱলুপ্তি ঘটোৱা হৈছে। এই পৰ্যন্ত তিনিখন ৰাজ্যৰ চৰকাৰে ঋণসমূহৰ বিলোপ সাধনৰ বাবে সন্মতি প্ৰকাশ কৰিছে।

ৰাজ্য চৰকাৰসমূহ আৰু কেন্দ্ৰ ইতিমধ্যেই ঋণৰ এই ফুটো ফুটোকৈ থকা টাইম বোমাৰ ওপৰত বহি আছে। যিটো ফুটিলেই ভাৰত অন্য এখন গ্ৰীচত পৰিণত হোৱাৰ বিপদশংকা আছে। কেন্দ্ৰ আৰু ৰাজ্যৰ ঋণ একেলগ কৰি ভাৰতৰ ৰাজহুৱা ঋণ দেশখনৰ সামগ্ৰিক মুঠ ঘৰুৱা উৎপাদনৰ ৬৭% । এই হাৰ জাপানক বাদ দি সমগ্ৰ এছীয় অৰ্থনীতিৰ ভিতৰতেই সৰ্বোচ্চ।

এনে এটা সময়ত যদি দেশৰ সকলোবোৰ ৰাজ্যই কৃষি বা পাম ঋণসমূহ বাতিল কৰে আৰু সেই কাৰ্যৰ জোৰা মাৰিবলৈ যদি নতুনকৈ ঋণ লয়, তেতিয়াহ'লে সেই নতুন ঋণৰ পৰিমাণ হ'বগৈ তিনি লাখ কোটি। বিত্ত মন্ত্ৰণালয়ৰ বিষয়াই এই তথ্য হিচাপ কৰি উলিয়াইছে।

এই ধৰণৰ ঋণ গ্ৰহণ কোনো সময়তেই বহনক্ষম নহয়। পিছে যি সময়ত আমি এটা নতুন কৰ গাঁথনিৰ দিশে আগবাঢ়িছো আৰু এইটোও নাজানো ৰাজ্যিক বিত্তীয় অৱস্থা কেনে ধৰণৰ হ'ব, বিত্তীয় অৱস্থাৰ অগ্ৰগতিয়েই হ'ব নে অৱনমন হ'ব— এই গোটেইবোৰ প্ৰেক্ষাপটত নতুনকৈ আৰু উল্লিখিত ধৰণেৰে ঋণ ল'বলৈ যোৱাটো কিছু পৰিমাণে বিপজ্জনক আৰু ৰাজ্যসমূহে সেই কথা জানেও।

ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ এক প্ৰতিবেদনত প্ৰকাশ পোৱামতে যোৱা বছৰটোত দেশৰ মুঠ সোতৰখন ৰাজ্যত মুঠ ঘৰুৱা উৎপাদনত ঋণৰ আনুপাতিক হাৰ বৃদ্ধি পাইছে। ৰিজাৰ্ভ বেংকৰ প্ৰতিবেদনতেই প্ৰকাশ পোৱা আনটো গুৰুত্বপূৰ্ণ তথ্য হ'ল— 'সাম্প্ৰতিক বছৰবোৰত ৰাজ্যসমূহৰ সংহত বা একক

*লেখক জয়ন্ত ৰয় চৌধুৰী আঢ়ৈ দশকতকৈয়ো বেছি কাল ডী টেলিগ্ৰাফৰ জ্যেষ্ঠ সম্পাদক-বাণিজ্য হিচাপে কৰ্মৰত। তেওঁ অৰ্থনীতি আৰু ৰাজনীতি-অৰ্থনৈতিক বিষয়ক ক্ষেত্ৰত বিশেষজ্ঞ লিখক।

বিত্তীয় অৱস্থাৰ অৱনমন ঘটিছে। পঁচিশখন ৰাজ্যৰ ২০১৬-১৭ ৰ বাজেটত বিত্তীয় অৱস্থাৰ উন্নতিৰ ইংগিত দিয়া হৈছে যদিও সেয়া কাৰ্যকৰী হোৱা নাই।

২০১৫-১৬ ৰ মুঠ বিত্তীয় ঘাটি মুঠ ঘৰুৱা উৎপাদনৰ আনুপাতিক হাৰে ইতি মধ্যেই ২০০৪-০৫ চনৰ প্ৰথমবাৰৰ বাবে ৩%ৰ চিলিং ভংগ কৰিছে। বিত্তীয় দিশৰপৰা ই যুক্তিযুক্তই। এই পৰিপ্ৰেক্ষিতত ৰাজ্যসমূহৰ মজুৰি উন্নয়নমূলক কাৰ্যসূচী ৰূপায়ণত নগদ লেনদেনৰ দাবী আৰু ঋণৰ অৱলুপ্তিৰ বাবে কেন্দ্ৰীয় চৰকাৰে কৰা ঘোষণা— এই সকলোবোৰ মিলি ৰাজ্যসমূহ এক প্ৰকাৰ যেন কেন্দ্ৰৰ বিৰুদ্ধে যুদ্ধংদেহি মনোভাৱেৰে অৱতীৰ্ণ হৈছে।

সি যি কি নহওক, বিষয়ববীয়া সকলে আঙুলিয়াই দেখুৱাইছে ভূ-সম্পত্তি, পেট্ৰ'লজাত সামগ্ৰী, সুৰাজাতীয় পানীয়ৰ পৰোক্ষ কৰ জী এছ টীয়ে সামৰি লোৱা নাই আৰু এই ক্ষেত্ৰত উল্লিখিত কেইটা বিভাগতে কৰ বলৱৎ কৰা আৰু আনকি সেই কৰ বৃদ্ধি কৰাৰ ক্ষমতাও ৰাজ্য চৰকাৰৰ আছে।

উল্লেখযোগ্য যে এই সামগ্ৰীসমূহো জী এছ টীৰ পৰিধিলৈ অনা হ'ব বুলি সামগ্ৰী/সেৱা কৰ (Goods/Sevice Tax Bill) বিধেয়কত প্ৰতিশ্ৰুতি দিয়া হৈছে। সি যি কি নহওক, সময়ত ৰাজ্যসমূহে ভবাৰ অৱকাশ থাকিব যে নিজাববীয়াকৈ কিছু বিত্তীয় স্বাধীনতাৰ প্ৰয়োজন। ইয়াৰ লগতে সাঙোৰ খাই আছে নিজা নিজা ৰাজ্যৰ কৰ ব্যৱস্থাৰ উন্নয়নৰ বাবেই ৰাজ্য চৰকাৰসমূহে পূৰ্বে উল্লেখ কৰি অহা সামগ্ৰীসমূহৰ কৰ ব্যৱস্থাৰ সংস্কাৰৰ দিশটো।

পাহৰা উচিত নহয় যে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত ক্ষমতা ভাগ বাটোৱাৰাৰ সময়ত কংগ্ৰেছৰ সাংসদকে ধৰি বহুকেইজন সাংসদে ৰাজ্যসমূহলৈ অধিক ক্ষমতাৰ হকে যুক্তি দাঙি ধৰিছিল। মাত্ৰাধিক সংহতিবাদ বা সংঘীয়বাদে 'এক ভাৰত'ৰ ধাৰণা বিপন্ন কৰে— এই যুক্তি সাৰোগত কৰি বিধানিক বা আইন প্ৰণয়নকাৰীৰ ওপৰত অধিক গুৰুত্ব দি আৰু কৰ বলৱৎ কৰা ক্ষমতা ৰাজ্যতকৈ কেন্দ্ৰত বাহাল ৰখাৰ পোষকতা কৰিলে। সংবিধান সম্পৰ্কিত পণ্ডিতসকলৰ মতে এই ধৰণৰ পক্ষপাতিত্বই জী এছ টী ৰূপায়ণৰ বাবে কেন্দ্ৰৰ পোষকতা মূল কাৰকৰ কাম কৰিছে। পৰ্যাবেক্ষকসকলৰ মতে অন্ততঃ কিছু সামগ্ৰীৰ ওপৰত দাম বঢ়োৱাৰ বিষয়টোত যদি ৰাজ্যসমূহে নিজৰ স্বাধীনতা এৰি দিয়ে, তেতিয়া হ'লে সেই সামগ্ৰীৰ সম্পদ হিচাপে পৰিগণিত হোৱা কিছু বৈশিষ্ট্যৰ সমস্যা লৈ কেন্দ্ৰৰ সৈতে কৰিবলগীয়া বা হ'ব পৰা আলোচনাত আপোচৰ আশংকা থাকি যায়। তামিলনাডুৱে জী এছ টীৰ কেইবাটাও বিধি বা দফাৰ প্ৰতি আপত্তি দৰ্শাই কৈছে যে ইতিমধ্যেই ৰাজ্যখনে সামাজিক খণ্ডৰ সংস্কাৰত কৰ সংশোধন আঁচনিৰ অন্তৰ্গত নগদ উৎপাদনী ক্ষেত্ৰত বহুত দূৰ আগুৱাই গৈছে।

এইটো সত্য যে সামাজিক আঁচনিৰ ক্ষেত্ৰত দক্ষিণৰ ৰাজ্যকেইখনে যথেষ্ট ভাল কাম কৰিছে। সেই ৰাজ্য কেইখনৰ স্বাস্থ্য আৰু শিক্ষা খণ্ডত চলা কাম-কাজে সেইকেইখন ৰাজ্যৰ সমুখলৈ অহি পৰা তেল উৎপাদনকাৰী দেশকেইখনকো ওফৰাই লৈ যাব। অৰ্থনীতিবিদ জাঁ ড্ৰেজৰ ভাষাত— কেৰালা আৰু তামিলনাডুৱে উন্নয়নৰ সাৰাংশ তালিকাত প্ৰায় সমানে সমানে আৰু কেতিয়াবা ওচৰা-উচৰিকৈ গতি কৰিছে। দুয়োখন ৰাজ্যই আনকি বিকাশৰ ক্ষেত্ৰত দেশৰ অন্য ৰাজ্যবোৰকো পিছ পেলাইছে।

আইনৰ ফালৰপৰা ক'বলৈ হ'লে জী এছ টী সংশোধনী আইনে কাৰ্যকৰী-ভাৱেই কৰ ৰূপায়ণ সম্পৰ্কিত শক্তি সম্ভাব্য কৰ বলৱৎকৰণ প্ৰক্ৰিয়াক অনিৰ্বাচিত সংস্থা এটাক প্ৰদান কৰিছে। জী এছ টী আইনৰদ্বাৰা স্থাপিত জী এছ টী পৰিষদে কেন্দ্ৰীয় সংসদ আৰু ৰাজ্যিক বিধান পৰিষদৰ পৰা কৰ বিষয়ক সিদ্ধান্ত গ্ৰহণ ক্ষমতা আহৰণৰ লগতে সেই সম্পৰ্কিত পৰামৰ্শাৱলী সমগ্ৰ দেশতে ৰূপায়ণৰ ব্যৱস্থা কৰে। জী এছ টী পৰিষদৰ ভোট দান ক্ষমতাৰ ব্যাপক পৰিসৰলৈ নগৈও এটা কথা ক'ব পাৰি যে গোটেই দেশজুৰি সকলো সামগ্ৰী আৰু সেৱা কৰৰ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত উক্ত পৰিষদেই এতিয়া সৰ্বোচ্চ বিধায়নী সংস্থা। এই পৰিষদৰ সদস্য-সকল প্ৰত্যক্ষ বা পৰোক্ষভাৱে সংসদ আৰু ৰাজ্য বিধানসভাৰ সদস্য। সেইফালৰপৰা এই পৰিষদ নাগৰিক ভোট দাতা কাৰো লগত পৰোক্ষ অথবা প্ৰত্যক্ষভাৱে জড়িত নহৈও সুশিক্ষিত উচ্চ সংস্থা। ৰাজ্যসমূহে এতিয়া কৰৰ ক্ষেত্ৰত কিছু ক্ষমতা ভোগ কৰিবলৈ বিচাৰিব; যিহেতু জী এছ টীৰ সূত্ৰেই তেওঁলোক আজি এই খিনি পাইছেহি। অৱশ্যে জী এছ টী পৰিষদৰ বাবে অসুবিধাজনক পৰিস্থিতি কেতিয়াবা হয়তো আহিব পাৰে নগৰপালিকাৰ দৰে সংস্থাৰপৰা, যাৰ এতিয়া কৰ বৃদ্ধি আৰু প্ৰসাৰণৰ ক্ষেত্ৰত যথেষ্ট ক্ষমতা।

নগৰ পালিকাৰদ্বাৰা আৰোপিত প্ৰৱেশ কৰ, স্থানীয় নিকায়ৰদ্বাৰা আৰোপিত প্ৰমোদ কৰ, সুৰা, ইন্ধন আৰু বিদ্যুতৰ মাচুল, চৰকাৰী মোহৰ মৰা টিকটত জি এছ টিৰদ্বাৰা সামৰা হোৱা নাই । এই ব্যৱস্থাই কৰৰ বৃদ্ধি বা ৰেহাইৰ বা মাফ কৰাৰ ক্ষেত্ৰত অধিকাৰ দিয়া হৈছে আৰু সেইফালৰপৰা ৰাজ্য

চৰকাৰৰদ্বাৰা যথেষ্ট বিত্তীয় স্বাধীনতা প্ৰদান কৰা হৈছে। অৱশ্যে ৰাজ্যসমূহৰ বাবে ইয়াৰ বিপৰীতটোও ঘটিব পাৰে। যিহেতু জী এছ টী পৰিষদে ৰাজহৰ প্ৰতি লক্ষ্য ৰাখি যিকোনো সিদ্ধান্ত গ্ৰহণ কৰি তাক মানিবলৈ ৰাজ্যক বাধ্য কৰাব পাৰে।

মনত ৰখা ভাল যে বহুবোৰ দেশত— য'ত বিভিন্ন কৰ্তপক্ষই পৰোক্ষ কৰ নিৰ্দ্ধাৰণ কৰাৰ লগতে সেইবোৰ বৃদ্ধি কৰাৰো অধিকাৰ থাকে, সেইসমূহ কৰ্তৃপক্ষৰ হাতত থাকে প্ৰত্যক্ষ কৰ নিৰ্দ্ধাৰণৰ ব্যৱস্থাও। কানাডাত যোৰাটো শতিকাত জী এছ টী বলৱৎ কৰাৰ পাছত দেশখনে প্ৰত্যক্ষ কৰৰ ওপৰত অধিকাৰ লাভ কৰে। যি ক্ষেত্ৰত ফেডাৰেল চৰকাৰখনে পৰোক্ষ কৰৰ অধিকাৰ লাভ কৰে ফলত জী এছ টীৰ পৰিৱৰ্তন ঘটা সত্বেও ৰাজ্যৰ ক্ষমতাৰ ওপৰত একো প্ৰভাৱ নপৰিল। ভাৰতত চৰকাৰৰ প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ নিৰ্দ্ধাৰণৰ কেৱল ক্ষমতা থকাই নহয়, তাৰ এটা অংশ ৰাজ্য চৰকাৰকো দিব পাৰে। আনকি ভাৰত চৰকাৰে জী এছ টী প্ৰক্ৰিয়াৰ প্ৰায় অৰ্দ্ধেক অংশই অধিকাৰ কৰিব পাৰে। সেয়া কেন্দ্ৰৰ আছুতীয়া অধিকাৰ। সামগ্ৰী/সেৱা কৰৰ প্ৰতি ভাৰতীয় ৰাজনীতিয়ে কেনেদৰে সঁহাৰি দিয়ে আৰু তাৰ ৰূপায়ণ কেনে হয় সেইটো লক্ষণীয় হ'ব। দেশত কৰ প্ৰয়োগ ব্যৱস্থাৰ প্ৰতি সঁহাৰি জনোৱা পৰিলক্ষিত হৈছে আৰু নতুন সহাৱস্থানত উপনীত হোৱা দেখা গৈছে।

যদি ৰাজ্যসমূহে কম কঠোৰ ব্যৱস্থাৰ বিত্তীয় ব্যৱস্থাপনাৰ পোষকতা কৰে, তেতিয়াহ'লে ৰাজ্যসমূহে অষ্ট্ৰেলীয় আৰ্হিৰ পোষকতা কৰাই ভাল। কিয়নো এই পদ্ধতিত সমুদায় কৰৰ ৭৫% ফেডাৰেল বা কমনওৱেলথ চৰকাৰে বহন কৰে আৰু এটা অত্যাধুনিক পদ্ধতিত তাৰ বিতৰণ হয়। ভাৰতৰ কৰ গাঁথনিয়ে ভৱিষ্যতে কেনে ৰূপ লয়গৈ সেইটো চাবলগীয়া হ'ব। কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত নতুন কৰ ব্যৱস্থাত ভাৰতীয় ৰাজনীতিয়ে কি সিদ্ধান্ত গ্ৰহণ কৰে, কি পৰ্যায়লৈ গতি কৰে সেৱা সময়ে ক'ব। এই সন্দৰ্ভত এতিয়াও শেষ কথা ক'ব পৰা হোৱাগৈ নাই। জী এছ টী আৰু ৰাজ্যসমূহে নিজৰ নিজৰ ক্ষেত্ৰত ৰখা বা প্ৰকাশ কৰা বক্তব্যই এটা পৰিৱৰ্তনৰ সূচনা কৰিব পাৰে আইনৰ দিশৰপৰা। সেই দিনলৈ হয়তো আৰু বেছি সময় নাই। ❑

## পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ বিষয় সম্ভাৰ

ছেপ্তেম্বৰ ২০১৭ — **সকলোৰে বাবে গৃহ**

অক্টোবৰ ২০১৭ — **নতুন ভাৰত**

উপৰোক্ত বিষয়ত অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**
পেন্সনপাৰা পথ, গৃহ নং-৪,
গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# সামগ্ৰী আৰু সেৱা কৰ ঃ এটা যুগৰ আৰম্ভণি

চী এ উপেন্দ্ৰ গুপ্তা*

সংসদ ভৱনৰ ভিতৰত ২০১৭ চনৰ ৩০ জুনৰ মাজনিশাৰ ঘণ্টাধ্বনি হোৱাৰ লগে লগে সমগ্ৰ বিশ্বত সেই ধ্বনি ভাৰতীয় ৰাজনৈতিক পৰিপক্কতা আৰু গোটবন্ধনৰ ৰণশিঙা হিচাপে প্ৰতিধ্বনিত হ'ল। এয়া আছিল নৈৰাজ্যবাদী তথা জটিল ব্যৱস্থাৰ সৈতে সংলগ্ন হৈ থকা পৰোক্ষ কৰৰ শাসন প্ৰণালীৰ পৰিবৰ্তে এবিধ সুচল আৰু সৰল কৰ ব্যৱস্থাৰ প্ৰতি ৰূপান্তৰ সাধনৰ হ'কে সমগ্ৰ দেশখনেই ঐক্যবদ্ধ ৰূপত আগবাঢ়ি অহা অদৃষ্টৰ সৈতে নিৰ্দ্ধাৰিত সাক্ষাতৰ ভাৰতীয় অৰ্থনীতিৰ ইতিহাসৰ এটা বিৰল মুহূৰ্ত। এই কথাত সন্দেহৰ কোনো অৱকাশ নাই যে দেশৰ বাণিজ্য আৰু উদ্যোগৰ জগতখনে আৰু তাৰ মাজেৰে সাধাৰণ নাগৰিসকলে বৰ্তমানলৈ ভুগি থকা অসংখ্য জটিল আৰু অকোৰা পকোৰা কৰৰ উৎপীড়নৰপৰা ভাৰতীয় অৰ্থনীতিক পৰিত্ৰাণ দিয়াৰ লগতে জী এছ টী ভাৰতীয় ৰাজনীতিক শ্ৰেণীৰ বাবে সফলতাৰ হকে এটা গড় বা বুৰুজ হিচাপে পৰিচিত হৈ উঠিছে।

২। ভাৰতবৰ্ষ হ'ল কেইবাখনো ৰাজ্যৰ এটা সংযুক্ত গোট আৰু ৰাজনৈতিকভাৱে আমি ১৯৪৭ চনৰ পৰা এটা জাতি হিচাপে পৰিচিত হৈছো; পিছে দৰাচলতে আমি এখন অৰ্থনৈতিক ৰাষ্ট্ৰত বসবাস কৰিব পাৰিছোনে? তামিলনাডুত বহি থকা এজন ব্যৱসায়ীয়ে ভিন ভিন ৰাজ্যত বৰ্তি থকা সুকীয়া কৰৰ হাৰক লৈ উদ্বেগ অনুভৱ নকৰাকৈ হিমাচল প্ৰদেশত তেওঁৰ কিবা সামগ্ৰী বিক্ৰী কৰিব পাৰেনে? অথবা জন্মু আৰু কাশ্মীৰৰ পৰা ৰাওনা হোৱা এখন ট্ৰাক কন্যাকুমাৰীলৈ বুলি যোৱাৰ পথত প্ৰতিখন ৰাজ্যৰ সীমাত থকা পৰীক্ষণ চকীসমূহত নোৰোৱাকৈ যাব পাৰেনে? জী এছ টীৰ এনে ধৰণৰ প্ৰতিটো প্ৰতিবন্ধকতা আঁতৰাই পেলোৱাৰ আৰু ভাৰতক এখন অৰ্থনৈতিক ৰাষ্ট্ৰ হিচাপে অথবা এখন উমৈহতীয়া বজাৰ হিচাপে গঢ় দিয়াৰ কাৰ্যকৰী শক্তি আছে, যত সঁচা অৰ্থত দেশৰ যি কোনো ৰাজ্যতেই শংকা অথবা অনুগ্ৰহৰ সম্ভাৱনা অবিহনেই ব্যৱসায় বাণিজ্য সম্পন্ন হয়।

৩। জী এছ টীনো কি, সেই কথা এতিয়া আৰু সকলো শ্ৰেণীৰ লোকৰ মুখে মুখে বাগৰি থকা প্ৰশ্ন হৈ থকা নাই। সমগ্ৰ দেশকে এতিয়া এই বিষয়ৰ সজাগতাৰ জোৱাৰে জোকাৰি গৈছে আৰু এই কথাক লৈ এতিয়া আৰু বিভ্ৰান্তিৰ কোনো অৱকাশ নাই। এটি শিশুৱেও এতিয়া আৰু এই কথা নজনা হৈ থকা নাই যে জী এছ টী বুলিলে সামগ্ৰী আৰু সেৱা কৰক বুজোৱা হয়। পিছে এই কথা হয়তো তেওঁ নাজানিব পাৰে যে কিহৰ বাবে দেশত এই বৃহৎ সংস্কাৰ সাধনৰ প্ৰয়োজন আহি পৰিল? অথবা এই নতুন যুগটোৰ আৰম্ভণি দেখিবলৈ পোৱাৰ বাবে দেশখনে কিয়ই বা দহ বছৰৰো অধিক কাল অপেক্ষা কৰিবলগীয়া হ'ল? দৰাচলতে এই প্ৰশ্নৰ উত্তৰ লুকাই আছে আমাৰ দেশৰ কৰ আদায়ৰ পদ্ধতিটো গঢ় লৈ উঠা প্ৰক্ৰিয়াৰ সৈতে জড়িত ঐতিহাসিক প্ৰেক্ষাপটৰ মাজত। ইতিহাসৰ দৃষ্টিকোণৰপৰা চাবলৈ হ'লে কেন্দ্ৰীয় চৰকাৰে এই কেইটা বিষয়ত ইমান দিনে কৰ আৰোপ কৰি আহিছে— উৎপাদন (কেন্দ্ৰীয় আবকাৰী শুল্ক), সেৱা সম্পৰ্কীয় বিধানসমূহ (সেৱা কৰ), সা-সামগ্ৰীৰ আন্তঃৰাজ্যিক বিক্ৰী (টী এছ টী— যিটো কেন্দ্ৰীয় চৰকাৰে আৰোপ কৰে ঠিকেই, কিন্তু নিজাববীয়াকৈ নিৰ্দ্ধাৰণ কৰি আদায় কৰে ৰাজ্য চৰকাৰসমূহে)। আনহাতে ৰাজ্য চৰকাৰ-সমূহে খুচুৰা বিক্ৰী (মূল্য সংযোজিত কৰ), সা-সামগ্ৰী সংশ্লিষ্ট ৰাজ্যখনত প্ৰৱেশ কৰা সময়ত (প্ৰৱেশ কৰ) আৰোপ কৰা কৰৰ লগতে বিলাসিতা কৰ, ক্ৰয় কৰ আদি বিভিন্ন শিতানত কৰ আদায় কৰি আহিছে। কেৱল এনে ধৰণৰ কৰসমূহৰ সংখ্যাটোৱেই যে একোজন কৰদাতাৰ বাবে মনৰ চিন্তাৰ কাৰণ হৈ পৰে তেনে নহয়, এনে কৰসমূহ আদায় কৰাৰ পদ্ধতিৰ সৈতে জড়িত আনুগত্য-মূলক ধ্যান-ধাৰণাও কৰদাতাসকলৰ বাবে সময়ে সময়ে মানসিক অশান্তিৰ কাৰণ হৈ পৰে। এই সমস্যাক অধিক পৰিমাণে জটিল কৰি তোলা আন এটা বিষয় হ'ল এই কৰ আদায়ৰ ব্যৱস্থাটো

*লেখক চী এ উপেন্দ্ৰ গুপ্তা আয়ুক্ত (জী এছ টী), চী বী ই চী, এম অ' এফ, জী অ' আই

ইমানদিনে একোটা থূপ হিচাপেই প্ৰচলিত হৈ আহিছিল; অৰ্থাৎ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰসমূহক সুকীয়াকৈ আদায় দিয়া কৰৰ মাজত কোনো ধৰণৰ জমাৰ শৃংখলৰ ব্যৱস্থা নাছিল। ইয়াৰ ফলস্বৰূপে আন্তঃৰাজ্যিক আৰু ৰাজ্যসমূহৰ আভ্যন্তৰীণ বিক্ৰী ব্যৱস্থাৰ মাজত ভিন ভিন পৰ্যায়ৰ কৰ আদায়ক কেন্দ্ৰ কৰি সুকীয়া পৰিস্থিতিৰো উদ্ভৱ হৈছিল আৰু তেনেক্ষেত্ৰত জটিল পৰিস্থিতিৰ অৱসানৰ গইনা লৈ অসংখ্য সন্দেহযুক্ত মধ্যস্থতাকাৰী শ্ৰেণীৰ লোকৰ আৰিৰ্ভাৱ ঘটিছিল, যিসকল লোকে এনে কৃত্ৰিম প্ৰতিবন্ধকতাসমূহৰ সুযোগ গ্ৰহণ কৰিছিল। এনেবোৰ ক্ষেত্ৰত প্ৰযোজ্য হৈ অহা ভিন ভিন প্ৰ-পত্ৰৰ নিৰ্দিষ্ট সাঁচ আৰু লৰচৰ কৰিব নোৱাৰা নীতি-নিয়মসমূহৰ সৈতে অনুমতি প্ৰদানৰ লেহেমীয়া তথা অকাৰ্যকৰী ব্যৱস্থাই লগ লাগি বাণিজ্য আৰু উদ্যোগ জগতৰ অধিকাংশৰ বাবেই ভাৰতত ব্যৱসায় সম্পাদন কৰাটোক বিপত্তিৰ কাৰণ কৰি তুলিছিল।

৪। পিছে হাৰাশাস্তিৰ কাৰণ হৈ পৰা এনেধৰণৰ অভিজ্ঞতাসমূহ এতিয়া এটা বেয়া সপোন হিচাপে পাহৰিব পৰাৰ দিন সমাগত। তাৰ পৰিৱৰ্তে এতিয়াৰেপৰা আমি যিটো প্ৰত্যক্ষ কৰিবলৈ পাম, সেয়া হ'ল দক্ষ, নৈতিকভাৱে দায়বদ্ধ, উত্তৰদায়ী আৰু স্বচ্ছতাৰ লেখিয়া গুৰুত্বপূৰ্ণ গুণসমূহেৰে সমৃদ্ধ এবিধ নতুন, দক্ষতাসম্পন্ন প্ৰশাসনৰ আগমন— যাৰ নাম হ'ল জী এছ টী শাসন প্ৰণালী। এই পদ্ধতিৰ জৰিয়তে ভিন ভিন ধৰণৰ কৰক সাঙুৰি সামগ্ৰী আৰু সেৱা কৰ (জী এছ টী) নামেৰে এবিধ একক কৰ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হৈছে— যি কৰ উৎপাদন অথবা আমদানিৰ পৰ্যায়ৰপৰা আৰম্ভ কৰি খুচুৰা বিক্ৰীৰ একেবাৰে অন্তিমটো পৰ্যায়লৈ যোগানৰ সম্পূৰ্ণ শৃংখলাটোত সামগ্ৰী অথবা সেৱাৰ ক্ষেত্ৰত নাইবা উভয় ক্ষেত্ৰতেই আৰোপ কৰা হ'ব। ভাৰবৰ্ষৰ সংযুক্ত শাসনতন্ত্ৰৰ অন্তৰ্গত হোৱাৰ ফলত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ উভয়ৰে কৰ আদায়ৰ স্বতন্ত্ৰ ক্ষমতা থকাৰ পৰিপ্ৰেক্ষিতত ভাৰতত জী এছ টী হ'ব দ্বৈত কৰ আদায় ব্যৱস্থাৰ অধীনস্থ, য'ত সামগ্ৰী অথবা সেৱাৰ ৰাজ্যৰ ভিতৰতে হোৱা যোগানৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় জী এছ টী ('চী জী এছ টী' অথবা কেন্দ্ৰীয় কৰ) আৰোপ তথা সংগ্ৰহ কৰিব আৰু সংশ্লিষ্ট ৰাজ্য চৰকাৰসমূহে আৰোপ তথা সংগ্ৰহ কৰিব ৰাজ্যিক জী এছ টী ('এছ জী এছ টী' অথবা ৰাজ্যিক কৰ) আনহাতে সামগ্ৰী অথবা সেৱাৰ আন্তঃৰাজ্যিক যোগানৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সংহত জী এছ টী ('আই জী এছ টী' অথবা সংহত কৰ)ও আৰোপ তথা সংগ্ৰহ কৰিব। এইবোৰৰ বাহিৰেও নিজাববীয়া বিধি বিধান নথকা কেন্দ্ৰ শাসিত অঞ্চলসমূহত একোটা কেন্দ্ৰ শাসিত অঞ্চলৰপৰা আন একোটা অঞ্চললৈ সামগ্ৰী আৰু সেৱাৰ যোগানৰ ক্ষেত্ৰত কেন্দ্ৰ শাসিত জী এছ টী ('ইউ টি জী এছ টী') অথবা 'কেন্দ্ৰ শাসিত কৰ') আৰোপ আৰু সংগ্ৰহৰ ব্যৱস্থা থাকিব। আনহাতে জী এছ টী প্ৰৱৰ্তনৰ ফলত কোনো ৰাজ্য যিকোনো ধৰণৰ লোকচান অথবা ক্ষতিৰ সন্মুখীন হ'লে, তেনে লোকচান অথবা ক্ষতিৰ জোৰা মৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সংশ্লিষ্ট ৰাজ্যসমূহক আদায় দিবলগীয়া ক্ষতিপূৰণ গোটাৰাৰ উদেশ্যে নিৰ্দিষ্ট কেতবোৰ বৰঙণি অথবা বিলাসী সামগ্ৰী আৰু সেৱাৰ ওপৰত জী এছ টী ক্ষতিপূৰণ উপ কৰ নামেৰে আন এবিধ কৰ আৰোপ আৰু সংগ্ৰহ কৰাৰ ব্যৱস্থাও বলৱৎ কৰা হৈছে।

**জী এছ টীৰ প্ৰধান বিষয়সমূহ**

৫। জী এছ টীৰ বিষয়ে ভালদৰে বুজি পাবলৈ হ'লে ভাৰতত প্ৰৱৰ্তন হোৱা জী এছ টী ৰ আৰ্হিৰ সৈতে জড়িত প্ৰধান বিষয়সমূহ ভালদৰে বৰ্ণনা কৰাটো উচিত হ'ব। তেনে বিষয়বোৰ হ'ল—

i) জম্মু আৰু কাশ্মীৰৰ দৰে ৰাজ্যকে ধৰি দেশৰ সমগ্ৰ অঞ্চলতে জী এছ টী ৰ প্ৰদেশীয় বিস্তৃতি।
ii) পূৰ্বৰেপৰা প্ৰৱৰ্তিত হৈ অহা সামগ্ৰীৰ উৎপাদন অথবা উৎপাদিত সামগ্ৰীৰ বিক্ৰী নাইবা সেৱাৰ ব্যৱস্থাৰ ওপৰত কৰ আৰোপ কৰাৰ ধাৰণাৰ পৰিৱৰ্তে সামগ্ৰী অথবা সেৱাৰ 'যোগান'ৰ ওপৰত জী এছ টী প্ৰযোজ্য হ'ব।
iii) উৎপাদনৰ স্থান অথবা উৎসৰ নীতিৰ ওপৰত ভিত্তি কৰি কৰ আৰোপ কৰাৰ প্ৰচলিত পদ্ধতিৰ ঠাইত যোগানৰ স্থান অথবা লক্ষ্যস্থানৰ নীতিৰ ওপৰত ভিত্তি কৰিহে এই কৰ আৰোপ কৰাৰ ব্যৱস্থা কৰা হ'ব।
iv) আমদানি কৰা সামগ্ৰীৰ বিষয়টোক আন্তঃৰাজ্যিক যোগান হিচাপে গণ্য কৰা হ'ব আৰু এই ক্ষেত্ৰত প্ৰযোজ্য হোৱা সীমা শুল্কৰ ওপৰঞ্চিভাৱে 'আই জী এছ টী' আৰোপ কৰা হ'ব।
v) সেৱাৰ আমদানিৰ বিষয়টোক আন্তঃৰাজ্যিক যোগান হিচাপে গণ্য কৰা হ'ব আৰু এই ক্ষেত্ৰতো ওলোটা দেনাৰ ভিত্তিত 'আই জী এছ টী' আৰোপ কৰাৰ ব্যৱস্থা কৰা হ'ব।
vi) জী এছ টী পৰিষদ ('জী এছ টী চি')ৰ অধীনত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ উভয়ে পাৰস্পৰিক

বুজাবুজিৰে সন্মতি প্ৰকাশ কৰা হাৰৰ আধাৰত চি জী এছ টী, এছ জী এছ টী / ইউ টি জি এছ টিআৰু আই জী এছ টী আৰোপ কৰা হ'ব।

vii) সকলো সামগ্ৰী আৰু সেৱাৰ ক্ষেত্ৰত আৰোপ কৰিবলগীয়া কৰৰ হাৰৰ ক্ষেত্ৰত চাৰিটা সুকীয়া স্তৰ প্ৰযোজ্য হ'ব। সেইকেইটা হ'ল ৫ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ। মূল্যৱান ধাতু-সমূহৰ ক্ষেত্ৰত ৩ শতাংশ হাৰত কৰ প্ৰৱৰ্তন কৰা হ'ব আৰু ইয়াৰ বিপৰীতে খহটা প্ৰকৃতিৰ মূল্যৱান পাথৰ সমূহৰ ওপৰত আৰোপ কৰিবলগীয়া কৰৰ হাৰ হ'ব ০.২৫ শতাংশ। আনহাতে নিৰ্দিষ্ট কিছুমান সামগ্ৰী আৰু সেৱাৰ ক্ষেত্ৰত কৰ ৰেহাইৰ ব্যৱস্থা বলৱৎ থাকিব।

viii)সকলো ধৰণৰ সামগ্ৰী আৰু সেৱাৰ ক্ষেত্ৰত জী এছ টী ব্যৱস্থা বলৱৎ থাকিব যদিও মানুহে সেৱন কৰা সুৰা সাংবিধানিকভাৱে জী এছ টীৰ আওতাৰ বাহিৰত থকা বাবে এইবিধ সামগ্ৰীক এই নতুন কৰ পদ্ধতিয়ে সামৰি নল'ব। ইয়াৰ বাহিৰেও মুঠ পাঁচবিধ পেট্ৰ'লিয়াম-জাত সামগ্ৰী (খাৰুৱা তেল, পেট্ৰ'ল, ডিজেল, এ টী এফ আৰু প্ৰাকৃতিক গেছ) সাম্প্ৰতিক পৰিস্থিতিত জী এছ টী ৰ আওতাৰ বাহিৰত ৰখা হ'ব আৰু জী এছ টী পৰিষদৰ অনুমোদনৰ ওপৰত ভিত্তি কৰি ভৱিষ্যতে এনেবোৰ সামগ্ৰীক জী এছ টীৰ পৰিসৰৰ ভিতৰলৈ আনিব পৰা হ'ব।

ix) চী জী এছ টী আৰু এছ জী এছ টী/ইউ টি জী এছ টীৰ ক্ষেত্ৰত দুৱাৰডলিতে ২০ লাখ টকাৰ উমৈহতীয়া ৰেহাই (সংবিধানৰ ২৭৯ নং অনুচ্ছেদত উল্লেখ থকা বিশেষ ৰাজ্যৰ মৰ্যাদা লাভ কৰা জম্মু আৰু কাশ্মীৰৰ বাহিৰে এই শ্ৰেণীৰ আন ৰাজ্যসমূহৰ ক্ষেত্ৰত এই ৰেহাইৰ পৰিমাণ হ'ব ১০ লাখ টকা) ৰ ব্যৱস্থা। ইয়াৰ বাহিৰেও ক্ষুদ্ৰ কৰ দাতাসকলৰ ক্ষেত্ৰত সংযোগ আঁচনিৰ অধীনত ইচ্ছা অনুসাৰে কৰ আদায় দিয়াৰো ব্যৱস্থা (অৰ্থাৎ বাকী অবিহনে সমান হাৰত কৰ আদায় দিয়াৰ ব্যৱস্থা) থাকিব। বিশেষ শ্ৰেণীৰ অন্তৰ্ভুক্ত উৎপাদনকাৰী আৰু সেৱা আগবঢ়াওঁতাসকলক বাদ দি বছৰি ৭৫ লাখ টকা পৰ্যন্ত লেনদেন কৰা ক্ষুদ্ৰ কৰদাতাসকলে এই সুবিধা লাভ কৰিব। অৱশ্যে জম্মু আৰু কাশ্মীৰ আৰু উত্তৰাখণ্ডক বাদ দি সংবিধানৰ ২৭৯ -ক- নং অনুচ্ছেদত উল্লেখ কৰা বিশেষ ৰাজ্যৰ মৰ্যাদা লাভ কৰা আন ৰাজ্যসমূহৰ ক্ষুদ্ৰ কৰদাতাৰ ক্ষেত্ৰত এই পৰিমাণ হ'ব বছৰি ৫০ লাখ টকা।

x) 'ছেজ' লৈ ৰপ্তানি আৰু যোগানৰ ক্ষেত্ৰত কোনো ধৰণৰ কৰ আদায় দিবলগীয়া নহ'ব।

xi) ইনপুটৰ আধাৰত আদায় দিবলগীয়া 'চী জী এছ টী' ৰ দেনাখিনি কেৱল উৎপাদিত সামগ্ৰী অথবা সেৱাৰ আধাৰত আদায় দিবলগীয়া 'চী জী এছ টী' আদায়ৰ বাবে আৰু ইনপুটৰ আধাৰত আদায় দিবলগীয়া 'এছ জী এছ টী' নাইবা 'ইউ টী জী এছ টী'ৰ দেনাৰ পৰিমাণ কেৱল উৎপাদিত সামগ্ৰী অথবা সেৱাৰ আধাৰত আদায় দিবলগীয়া 'এছ জী এছ টী' নাইবা 'ইউ টী জী এছ টী' আদায়ৰ বাবে ব্যৱহাৰ কৰিব লাগিব। আনকথাত ক'বলৈ হ'লে, ইনপুট কৰৰ দেনা (আই টী চী)ৰ সুকীয়া শাখা দুটাক ইটোৰ সৈতে আনটোৰে সনা-পোটকা হ'বলৈ দিব পৰা নহ'ব। অৱশ্যে আই জী এছ টী' আদায়ৰ বাবে আন্তঃৰাজ্যিক যোগানৰ বিশেষ পৰিস্থিতিত এই নিয়মৰ ব্যতিক্ৰম ঘটিব পাৰে। এনেবোৰ ধৰণে দেনা ব্যৱহাৰ কৰাটো অনুমোদনযোগ্য হ'ব পাৰে—

(ক) চী জী এছ টী আৰু আই জী এছ টী আদায় দিয়াৰ বাবে চী জী এছ টীৰ আই টী চী দিয়াৰ প্ৰতি সেইটো নিৰ্দেশৰ জৰিয়তে অনুমোদন জনোৱা হ'ব।

(খ) এছ জী এছ টী আৰু আই জী এছ টী আদায় দিয়াৰ বাবে চী জী এছ টীৰ আই টী চী আদায় দিয়াৰ প্ৰতি সেইটো নিৰ্দেশৰ জৰিয়তে অনুমোদন জনোৱা হ'ব।

(গ) ইউ টি জী এছ টী আৰু আই জী এছ টী আদায় দিয়াৰ বাবে ইউ টী জী এছ টীৰ আই টী চী আদায়ৰ প্ৰতি সেইটো নিৰ্দেশৰ জৰিয়তে অনুমোদন জনোৱা হ'ব।

(ঘ) আই জী এছ টী, চি জী এছ টী আৰু এছ জি এছ টি অথবা ইউ টি জী এছ টী আদায় দিয়াৰ বাবে আই জী এছ টীৰ আই টি চি আদায়ৰ প্ৰতি সেইটো নিৰ্দেশৰ জৰিয়তে অনুমোদন জনোৱা হ'ব।

এছ জী এছ টী অথবা ইউ টী জী এছ টী আদায় দিয়াৰ বাবে চী জী এছ টীৰ আই টী চী ব্যৱহাৰ কৰিব পৰা নহ'ব আৰু ঠিক একেদৰে ইয়াৰ ওলোটাটোও কৰিবলৈ অনুমতি দিয়া নহ'ব।

xii) ভিন ভিন সীমাৰ অন্তৰ্ভুক্ত সুকীয়া শ্ৰেণীৰ লোকৰ ক্ষেত্ৰত ইলেকট্ৰনিক

ৰিটাৰ্ণ দাখিলৰ ব্যৱস্থাও সুকীয়া হ'ব।

xiii) কৰ দাতাসকলৰ বাবে কৰ আদায় দিয়াৰ ভিন ভিন পদ্ধতিৰ ব্যৱস্থা থাকিব। তেনে পদ্ধতিৰ কেইটামান হ'ল ইণ্টাৰনেট বেংকিং, ডেবিট/ ক্ৰেডিট কাৰ্ড আৰু 'নেচনেল ইলেকট্ৰনিক ফাণ্ড ট্ৰেন্সফাৰ' (এন ই এফ টি) অথবা ৰিয়েল টাইম গ্ৰছ ছেট্‌লমেণ্ট' (আৰ টি জি এছ)।

xiv) কৰ আদায় দিয়া যি কোনো লোক অথবা কৰদাতাই সংশ্লিষ্ট তাৰিখটোৰপৰা দুবছৰৰ ভিতৰত কৰৰ ধন ওভতাই বিচাৰি আবেদন জনাব পাৰিব।

xv) আদায় দিবলগীয়া কৰ সন্দৰ্ভত পঞ্জীয়নভুক্ত কোনো ব্যক্তিৰ জৰিয়তে নিজাববীয়াকৈ ঠাৰৰ কৰিব পৰা পদ্ধতিও ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে।

xvi) আইনত উল্লেখ থকা বিধি অনুসৰি কৰ আদায় সম্পন্ন হৈছে নে নাই সেই হিচাপ-নিকাচ পঞ্জীয়নভুক্ত ব্যক্তিৰ জৰিয়তে পৰীক্ষা কৰাব লাগিব।

xvii) কৰ গাঁথনিৰ বিষয়ত স্পষ্ট নীতি নিৰ্দেশনা সন্দৰ্ভত কৰদাতাসকল বিভাগীয়ভাৱে অৱগত হ'ব পৰাকৈ ৰাজ্যসমূহত সংশ্লিষ্ট কৰ্তৃপক্ষ গঠন কৰাৰ ব্যৱস্থা ল'ব লাগিব। কেন্দ্ৰীয় চৰকাৰে চী জী এছ টী আইনৰ আধাৰত এনে কৰ্তৃপক্ষ গঠন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব।

xviii) সামগ্ৰী অথবা সেৱাৰ ক্ষেত্ৰত নাইবা উভয়ৰে ক্ষেত্ৰত হ্ৰাস পোৱা কৰৰ পৰিমাণৰপৰা পাব পৰা সুবিধাৰ জৰিয়তে উপভোক্তাসকল উপকৃত হ'ব পৰা ব্যৱস্থা ব্যৱসায়ৰ পদ্ধতিত অন্তৰ্ভুক্ত কৰাৰ বাবে ইয়াত লাভ-বিৰোধী ধাৰণা এটাও সংলগ্ন কৰা হৈছে।

xix) সম্প্ৰতি চৰকাৰী প্ৰক্ৰিয়াৰ ভিতৰত থকা কৰ দাতাসকল জী এছ টী পদ্ধতিৰ মাজলৈ সুকলমে পৰিৱৰ্তিত হোৱাত সহায়ক হোৱাকৈ সুচল তথা বিস্তৃত অৱস্থান্তৰ প্ৰক্ৰিয়া কাৰ্যকৰী কৰা হৈছে।

**জী এছ টীৰ সুফলসমূহ**

(ক) **মেইক ইন ইণ্ডিয়াঃ**

i) ই ভাৰতবৰ্ষৰ বাবে এখন সংঘবদ্ধ উমৈহতীয়া ৰাষ্ট্ৰীয় বজাৰ সৃষ্টি কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়াব। বৈদেশিক বিনিয়োগৰ পৰিমাণ বৃদ্ধি হোৱাৰ লগতে 'মেইক ইন ইণ্ডিয়া' অভিযান ত্বৰান্বিত হোৱাৰ ফলতেই এইটো হ'ব বুলি আশা কৰা হৈছে।

ii) যোগানৰ প্ৰতিটো স্তৰতে সামগ্ৰী আৰু সেৱাৰ ক্ষেত্ৰত ভিন ভিন প্ৰকাৰৰ কৰসমূহৰ বাবে ইনপুট কৰৰ দেনা (আই টী চী)ৰ ব্যৱস্থা বলৱৎ থকাৰ পৰিপ্ৰেক্ষিতত ভিন ভিন পৰ্যায়ত সুকীয়াকৈ কৰ আদায় দিবলগীয়া পৰিস্থিতিৰ ই উপশম ঘটাব।

iii) আইন, পদ্ধতি আৰু কৰৰ হাৰৰ মাজত সমন্বয় সাধন হ'ব।

iv) বিশেষকৈ ৰপ্তানি কাৰ্যৰ বাবে অধিক উপযুক্ত কৰ গাঁথনি চূড়ান্ত কৰি তাৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় বজাৰত আমাৰ উৎপাদিত সামগ্ৰী-সমূহ অধিক প্ৰতিদ্বন্দ্বিতামূলক কৰি তুলিব পৰা হ'ব আৰু ইয়াৰ ফলত ভাৰতৰপৰা ৰপ্তানি অধিক ত্বৰান্বিত হ'ব।

v) কোম্পানীসমূহৰ ওপৰত থকা নিয়মীয়া কৰৰ বোজা হ্ৰাস পোৱাৰ সম্ভাৱনা আছে আৰু ইয়াৰ ফলত সামগ্ৰীৰ মূল্য হ্ৰাস পাব বুলি আশা কৰা হৈছে। মূল্য হ্ৰাস পোৱাৰ অৰ্থ হ'ব উপভোক্তাৰদ্বাৰা অধিক পৰিমাণে ব্যৱহাৰ আৰু ইয়াৰ ফলত উৎপাদনৰ হাৰ বৃদ্ধি পাব, যিটো উদ্যোগসমূহৰ বিকাশৰ গতি ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত সহায়ক হৈ উঠিব। এনে অৱস্থাৰ ফলস্বৰূপে ভাৰতবৰ্ষক এখন উৎপাদনৰ স্নায়ুকেন্দ্ৰৰ ৰূপত গঢ় দিয়াটো সম্ভৱপৰ হৈ উঠিব।

(খ) **ব্যৱসায়-বাণিজ্যৰ পথৰ সৰল অৱস্থাঃ**

i) কেইটামান ক্ষেত্ৰত ৰেহাইৰ বাহিৰে পূৰ্বতকৈ সৰল প্ৰকাৰৰ কৰ সংগ্ৰহ পদ্ধতি;

ii) আমাৰ প্ৰচলিত পৰোক্ষ কৰ পদ্ধতিত বৰ্তি থকা কৰৰ জটিলতাবোৰ হ্ৰাস কৰি সৰল কৰ ব্যৱস্থা আৰু সমানত্বৰ দিশে প্ৰক্ৰিয়াটোৰ ৰূপান্তৰ ঘটোৱা;

iii) কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত হোৱা ব্যয়ৰ পৰিমাণ হ্ৰাস কৰা— ভিন ভিন কৰৰ বিষয়ে তথ্য মজুত কৰা জটিল ব্যৱস্থাৰ অৱসান— তথ্যৰ ব্যৱস্থাপনাৰ বাবে ব্যৱহাৰ হ'বলগীয়া সম্পদ আৰু মানৱ শক্তিৰ পৰিমাণ তেনেই কম;

iv) পঞ্জীয়ন, কৰ ৰিটাৰ্ণ, অতিৰিক্তভাৱে আদায় দিয়া ধন ঘূৰাই পোৱা আৰু কৰ আদায় আদিৰ লেখিয়া ভিন ভিন প্ৰক্ৰিয়া সম্পন্ন কৰাৰ ক্ষেত্ৰত পূৰ্বতকৈ সৰল আৰু স্বয়ংক্ৰিয় পদ্ধতিৰ প্ৰয়োগ;

v) সকলো ধৰণৰ পাৰস্পৰিক বিনিময় উমৈহতীয়া 'জী এছ টী এন' প'ৰ্টেলৰ জৰিয়তে সম্পন্ন কৰাৰ ব্যৱস্থা যাৰ ফলত কৰদাতা আৰু কৰ আদায়কাৰী প্ৰশাসন তথা

কৰ্তৃপক্ষৰ মাজৰ মতবিৰোধ আঁতৰোৱাৰ বাবে প্ৰয়োজন হোৱা ৰাজহুৱা পদক্ষেপৰ পৰিমাণ সমূলি হ্ৰাস পাই আহিব।

vi) কৰদাতাৰ নাম পঞ্জীয়ন, অতিৰিক্তভাৱে আদায় দিয়া কৰ ঘূৰাই পোৱাৰ ব্যৱস্থা, কৰ ৰিটাৰ্ণ সমতাপূৰ্ণ পদ্ধতি, উমৈহতীয়া কৰ গাঁথনি, সামগ্ৰী আৰু সেৱাৰ বাবে উমৈহতীয়া শ্ৰেণীবদ্ধকৰণ ব্যৱস্থা আদি সকলো ক্ষেত্ৰত অৱলম্বন কৰিবলগীয়া উমৈহতীয়া কাৰ্য ৰূপায়ণ পদ্ধতিয়ে কৰ আদায়ৰ সামগ্ৰিক প্ৰক্ৰিয়াটোক অধিক নিশ্চিতিৰ দিশে আগবঢ়াই লৈ যাব।

(গ) **উপভোক্তাসকলে লাভ কৰিবলগীয়া সুফল ঃ**

i) উৎপাদনকাৰী, খুচুৰা বিক্ৰেতা আৰু সেৱাৰ যোগান ধৰোঁতা-সকলৰ মাজত ইনপুট কৰৰ দেনাৰ সন্ধিবিহীন প্ৰৱাহৰ বাবে বিভিন্ন সা-সামগ্ৰীৰ চূড়ান্ত মূল্য হ্ৰাস পাব বুলি আশা কৰা হৈছে।

ii) কোম্পানীসমূহৰ গড় কৰৰ বোজা ক্ৰমান্বয়ে হ্ৰাস পোৱাৰ সম্ভাৱনা প্ৰকাশ পাইছে। যাৰ ফলস্বৰূপে উপভোক্তা সামগ্ৰীৰ মূল্য হ্ৰাস পাব আৰু এনেদৰে মূল্য হ্ৰাস পোৱাৰ ফলত উৎপাদিত সামগ্ৰীৰ ব্যৱহাৰ পূৰ্বতকৈ বৃদ্ধি পাব।

**সামৰণি ঃ**

অদূৰদৰ্শী দৃষ্টিৰে জী এছ টীৰ বিষয়ে বিবেচনা কৰিবলৈ হ'লে ইয়াত আমি পূৰ্বৰ পৰোক্ষ কৰসমূহৰ সংস্কাৰৰ প্ৰচ্ছায়াই কেৱল দেখিবলৈ পাম। পিছে যদিহে এই ৰূপান্তৰমূলক সংস্কাৰৰ প্ৰতি আমি সৰ্বাত্মক দৃষ্টি নিক্ষেপ কৰোঁ, তেতিয়াহ'লে এই ক্ষেত্ৰত যিটো দেখিবলৈ পোৱা হ'ব সেয়া হ'ল কাৰ্যকলাপৰ সম্পূৰ্ণ পৰিৱৰ্তন, এটা সামাজিক পুনৰুৎপত্তি, এটা বিপ্লৱ— যি আমাৰ অৰ্থনৈতিক উন্নয়ন সাময়িকভাৱে বাধাগ্ৰস্ত হোৱা এছোৱা সময়ৰপৰা মুক্ত কৰি উন্নয়নক পুনৰ গতি প্ৰদান কৰিব, যি বিশ্বৰ উন্নয়নৰ নামত সংঘটিত নীতি-নিয়মবিহীন কাৰ্য কলাপৰ পৰা আমাৰ অৰ্থনীতিক প্ৰতিৰোধৰ ক্ষমতা প্ৰদানৰ ক্ষেত্ৰত এটা শক্তিবৰ্দ্ধক পদক্ষেপ হিচাপে বিবেচিত হ'ব পাৰে আৰু সৰ্বোপৰি, ই হ'ব ভৱিষ্যতৰ বাবে এনে এটা অৱস্থা, য'ত শিৰবোৰ উচ্চ হৈ ৰ'ব আৰু মনবোৰ হৈ থাকিব মুকলি। ❐


**'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী**

▯ 'পয়োভৰা'ৰ প্ৰতিখনৰ মূল্য ২২.০০ টকা আৰু বিশেষ সংখ্যাৰ মূল্য ৩০.০০ টকা। আনহাতে এবছৰৰ বাবে গ্ৰাহক মূল্য হ'ব ২৩০.০০ টকা, দুবছৰৰ বাবে ৪৩০.০০ টকা আৰু তিনি বছৰৰ বাবে ৬১০.০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠোৱাৰ ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# সামগ্ৰী আৰু সেৱা কৰ ঃ ব্যৱসায়ৰ সৰলীকৰণৰ পথত ইয়াৰ প্ৰভাৱ


**ডানিছ এ হাছিম***

**বৰ্ষা কুমাৰী***


**আৰম্ভণি ঃ**

দেশৰ সবাতোকৈ অধিক গুৰুত্বপূৰ্ণ কৰ সংস্কাৰ ব্যৱস্থাৰ সুদীৰ্ঘ ১৭ বছৰ জোৰা অবিৰত যাত্ৰা আৰু কেইবালানিও দীঘলীয়া তৰ্ক-বিতৰ্ক, আলাপ-আলোচনা, সভা, বৈঠক, মত বিনিময় আৰু মতানৈক্যৰ ওৰ পেলাই ২০১৭ বৰ্ষৰ পহিলা জুলাইত দেশত সামগ্ৰী আৰু সেৱা কৰ ( জী এছ টী) ব্যৱস্থা কাৰ্যকৰী হ'ল। এই প্ৰক্ৰিয়াটো আৰম্ভ হৈছিল ২০০০ চনত, যেতিয়া অটল বিহাৰী বাজপেয়ীৰ চৰকাৰখনে জী এছ টীৰ আৰ্হিৰ বিষয়ে দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে এখন সমিতি গঠন কৰি দিছিল আৰু ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ২০০৩ চনত বিজয় কেলকাৰৰ অধ্যক্ষতাৰে এটা কৰ্ম বাহিনী গঠন কৰা হৈছিল। সেই সময়ৰেপৰা আৰু এই বিষয়টোক লৈ সংশ্লিষ্ট পক্ষসমূহে উভতি চোৱা নাই। তদুপৰি ইয়াক যথাসম্ভৱ সোনকালে কাৰ্যকৰী ৰূপ দিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহৰ সৈতে অবিৰতভাৱে চেষ্টা চলাই গৈছে।

জী এছ টী কাৰ্যকৰী কৰাৰ জৰিয়তে ভাৰত জাৰ্মানী, ইটালী, ব্ৰিটেইন, ,দক্ষিণ কোৰিয়া, জাপান, কানাডা, অষ্ট্ৰেলিয়া, ৰাছিয়া, চীন, ছিংগাপুৰ আৰু মালয়ছিয়াকে ধৰি জী এছ টী অথবা মূল্য সংযোজিত কৰৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা বিশ্বৰ ১৬০ খনতকৈও অধিক দেশৰ সৈতে একে শাৰীত অন্তৰ্ভুক্ত হ'ল। উল্লেখযোগ্য যে জী এছ টী ৰূপায়ণ কৰা বিশ্বৰ প্ৰথমখন দেশ আছিল ফ্ৰান্স। কৰ ফাঁকি দিয়া কাৰ্যক প্ৰতিহত কৰাৰ উদ্দেশ্যে দেশখনে ১৯৫৪ চনত প্ৰথমবাৰৰ বাবে এই ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। ভাৰতবৰ্ষ জী এছ টীত ৰূপায়ণৰ হকে গ্ৰহণ কৰা ব্যৱস্থা, ব্যৱসায়-বাণিজ্য সুচল কৰি তোলাৰ বিষয়ত বিশ্বৰ আগশাৰীৰ দেশত স্থান লাভৰ ক্ষেত্ৰত দেশখনৰ বাবে এটা বৃহৎ পদক্ষেপ হিচাপে বিবেচিত হৈছে। বিশ্ব বেংকে প্ৰস্তুত কৰা ২০১৭ চনৰ ব্যৱসায় সম্পাদন বিষয়ৰ প্ৰতিবেদনত বিশ্বৰ ১৯০ খন দেশৰ ভিতৰত সম্প্ৰতি ভাৰতে ১৩০ সংখ্যক স্থান লাভ কৰিছে।

**২। জী এছ টীৰ বিষয়ে বুজিবলৈ হ'লে**

জী এছ টী হ'ল উৎপাদনকাৰীৰ পৰা উপভোক্তাৰ ওচৰলৈ কোনো সামগ্ৰী আৰু সেৱাৰ যোগানৰ ক্ষেত্ৰত আৰোপ কৰা লক্ষ্য-ভিত্তিক এবিধ একক কৰ আৰু কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্য চৰকাৰসমূহে আৰোপ কৰি অহা ভিন ভিন জটিল কৰ ব্যৱস্থাসমূহৰ সলনি ইয়াক প্ৰয়োগ কৰা হৈছে। আনহাতে ইয়াৰ জৰিয়তে সমগ্ৰ দেশখনক এখন একীভূত বজাৰলৈ ৰূপান্তৰিত কৰিব পৰা হৈছে (তালিকা নং ১)। জী এছ টীয়ে আগবঢ়োৱা অন্যান্য সা-সুবিধাসমূহৰ বাহিৰেও ইয়াৰ ফলত কৰ ব্যৱস্থাৰ নীতি-নিয়ম পালন কৰি ব্যৱসায়-বাণিজ্যৰ সৰলীকৰণৰ পৰিৱেশ উন্নত কৰা, কৰৰ ওপৰত কৰ আৰোপৰ ব্যৱস্থাৰ অৱসান ঘটাই কৰৰ বোজা লাঘৱ কৰা, কৰ প্ৰশাসনৰ অৱস্থা উন্নত কৰা, কৰ ফাঁকি দিয়াটো হ্ৰাস কৰা, অৰ্থনীতিৰ সংগঠিত খণ্ডটোক অধিক পৰিমাণে প্ৰসাৰ কৰা আৰু ৰাজকোষলৈ কৰৰ বৰঙণিৰ পৰিমাণ বৃদ্ধি কৰা আদি সুফল লাভ কৰিব পৰা হ'ব বুলি আশা প্ৰকাশ পাইছে। তদুপৰি ইয়াৰ ফলত ঔদ্যোগিকভাৱে উৎপাদিত সামগ্ৰীৰ বাবে আদায় দিবলগীয়া কৰৰ হাৰ পূৰ্বৰ ২৫-২৮ শতাংশৰপৰা সম্প্ৰতি ১৮ শতাংশলৈ হ্ৰাস পাইছে।

জী এছ টীৰ জৰিয়তে ১৭ বিধ পৰোক্ষ কৰ (৮ বিধ কেন্দ্ৰীয় + ৯ বিধ ৰাজ্যিক পৰ্যায়ৰ) আৰু কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মিলি মুঠ ২৩ বিধ উপকৰ ব্যৱস্থাৰ অৱসান ঘটাবলৈ বিচৰা হৈছে আৰু ইয়াৰ ফলস্বৰূপে কেইবাবিধো ৰিটাৰ্ণ তথা মূল্য হিচাপকৰণ দাখিল কৰাৰ প্ৰয়োজনৰ ওৰ পৰাৰ লগতে উৎপাদনকাৰী আৰু উপভোক্তাৰ মাজৰ যোগানৰ শৃংখলৰ ক্ষেত্ৰত ব্যৱহৃতহৈ অহা সামগ্ৰী আৰু সেৱাৰ প্ৰক্ৰিয়াটোক যুক্তিসংগত কৰি তুলিবলৈ বিচৰা হৈছে। পূৰ্বে ক্ৰমে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য

*লেখক ড° দানিছ এ হাছিম ভাৰতীয় উদ্যোগ মহাসংঘ (চী আই আই), নতুন দিল্লী # ইজ অব ডুইং বিযনিছ এণ্ড ইক'ন'মিক এফেয়াৰ্ছ'ৰ মুৰব্বী আৰু বৰ্ষা কুমাৰী নতুন দিল্লীস্থিত চীয় আই আইৰ ইজ অব ডুইং বিযনিছ এণ্ড ইক'ন'মিক এফেয়াৰ্ছ বিভাগৰ পৰামৰ্শ দাতা।

চৰকাৰসমূহে আৰোপ কৰি অহা শুল্ক সমূহক একগোট কৰি কেন্দ্ৰীয় জী এছ টী (চি জী এছ টী) আৰু ৰাজ্যিক জী এছ টী (এছ জী এছ টী) ৰ ৰূপত জী এছ টী ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। মূল্য সংযোজনৰ প্ৰতিটো স্তৰতে জী এছ টী (চি জী এছ টী + এছ জী এছ টী) আৰোপ কৰা হয় আৰু সংশ্লিষ্ট যোগানকাৰীয়ে কৰ-জমা প্ৰক্ৰিয়াৰ জৰিয়তে মূল্যৰ শৃংখলৰ পূৰ্বৱৰ্তী স্তৰত 'ইনপুট'ৰ ওপৰত কৰৰ নিৰ্দিষ্ট পৰিমাণ সংযোজন কৰি থয়। যোগানৰ শৃংখলৰ একেবাৰে অন্তিমজন ডিলাৰে সংযোজিত জী এছ টীৰ মুঠ পৰিমাণটো উপভোক্তাৰ ওচৰলৈ আগবঢ়াই নিয়ে আৰু এনেদৰেই জী এছ টী হৈ পৰে এবিধ লক্ষ্য -ভিত্তিক ব্যৱহাৰ কৰণ কৰ। জী এছ টী—ৰ অধীনত সংযোজন শৃংখলৰ প্ৰতিটো স্তৰতে 'ইনপুট'ৰ জমা সন্নিৱিষ্ট কৰিব পৰাৰ ব্যৱস্থাই ঢাপে ঢাপে আদায় কৰা কৰ (কৰৰ ওপৰত কৰ) ৰ ব্যৱস্থাক আঁতৰাই ৰখাত সহায় কৰিছে আৰু ইয়াৰ ফলত দ্ৰব্যৰ মূল্য হ্ৰাস কৰাৰ জৰিয়তে উপভোক্তাক উপকৃত কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে। ইয়াৰ পূৰ্বে প্ৰচলিত ব্যৱস্থাত কৰৰ ওপৰত আৰোপ কৰা কৰৰ পদ্ধতি এটা গুৰুত্বপূৰ্ণ বিষয় হিচাপে বিবেচিত হৈছিল আৰু ইয়াৰ বাবেই উৎপাদিত সামগ্ৰীৰ মূল্য বৃদ্ধি পাইছিল। উদাহৰণ হিচাপে, এগৰাকী উৎপাদনকাৰীয়ে প্ৰস্তুত কৰা ১০০ টকা মূল্যৰ চোলা এটাৰ বাবে কেন্দ্ৰীয় আবকাৰী শুল্ক হিচাপে আদায় দিবলগীয়া ধনৰ পৰিমাণ আছিল ১২ টকা। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত সংশ্লিষ্ট ৰাজ্য চৰকাৰে আদায় কৰিবলগীয়া ১৫ শতাংশ মূল্য সংযোজিত কৰৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰা হৈছিল ১১২ টকাৰ ওপৰতহে, প্ৰকৃত মূল্য ১০০ টকাৰ ওপৰত নহয়। আৰু

১ নং তালিকা ঃ **জী এছ টীৰ জৰিয়তে শ্ৰেণীভুক্ত কৰা পৰোক্ষ কৰসমূহ**

| ক্ৰ. নং | **কেন্দ্ৰীয় চৰকাৰ** | **ৰাজ্য চৰকাৰ** |
|---|---|---|
| ১ | কেন্দ্ৰীয় আবকাৰী শুল্ক | ৰাজ্যিক মূল্য সংযোজিত কৰ |
| ২ | আবকাৰী বিভাগৰ শুল্কসমূহ (ঔষধ জাতীয় আৰু ধৌত কৰ্মৰ প্ৰস্তুতি) | কেন্দ্ৰীয় বিক্ৰী কৰ |
| ৩ | আবকাৰী বিভাগৰ অতিৰিক্ত শুল্ক (বিশেষ প্ৰয়োজনৰ সামগ্ৰী) | বিলাসিতা কৰ |
| ৪ | আবকাৰী বিভাগৰ অতিৰিক্ত শুল্ক (পোছাক-পৰিচ্ছদ আৰু বস্ত্ৰ সামগ্ৰী) | প্ৰৱেশ কৰ (সকলো প্ৰকাৰৰ) |
| ৫ | অতিৰিক্ত সীমা শুল্ক (চী ভি ডী) গোট, সংস্থা আদিয়ে কৰাৰ বাহিৰে) | মনোৰঞ্জন আৰু আমোদ কৰ(স্থানীয় |
| ৬ | বিশেষ অতিৰিক্ত সীমা শুল্ক (এছ এ ডী) | বিজ্ঞাপনৰ ওপৰত আৰোপ কৰা কৰ |
| ৭ | সেৱা কৰ | ক্ৰয় কৰ |
| ৮ | সামগ্ৰী আৰু সেৱাৰ যোগানৰ সৈতে জড়িত কৰি বৰ্তমানলৈ আৰোপ কৰি অহা কেন্দ্ৰীয় ওপৰঞ্চি কৰ আৰু উপকৰসমূহ | লটাৰী, বাজি আৰু জুৱা খেলৰ ওপৰত আৰোপ কৰা কৰ |
| ৯ | | সামগ্ৰী আৰু সেৱাৰ যোগানৰ সৈতে জড়িত কৰি বৰ্তমানলৈ আৰোপ কৰি অহা ৰাজ্য চৰকাৰৰ অতিৰিক্ত কৰ আৰু উপকৰসমূহ |

**উৎস ঃ** চি বি ই চি

এনেদৰেই কৰৰ ওপৰত কৰ আদায়ৰ ব্যৱস্থা বৰ্তি আহিছিল।

ভিন ভিন ৰাজ্যৰ সীমান্ত অতিক্ৰম কৰি বিভিন্ন সামগ্ৰী আৰু সেৱাৰ বাধাহীন তথা সুচল গতি প্ৰসাৰিত কৰাৰ পথ প্ৰশস্ত কৰিব পৰাকৈ কেন্দ্ৰীয় চৰকাৰৰদ্বাৰা আৰোপ কৰা সংহত জী এছ টী (আই জী এছ টী) ৰ ব্যৱস্থা প্ৰৱৰ্তন কৰি আৰু আন্তঃৰাজ্যিক পৰ্যায়ৰ আহ-যাহৰ ক্ষেত্ৰত দুটা সুকীয়া ঠাইত কৰ আদায় দিয়াৰ আৱশ্যকতাৰ অৱসান ঘটাই জী এছ টীৰ জৰিয়তে আন্তঃৰাজ্যিক লেনদেনৰ প্ৰক্ৰিয়াত থকা কৰ ব্যৱস্থাৰ বাধাসমূহ আঁতৰাই পেলোৱা হৈছে। নিয়ম পালনৰ ক্ষেত্ৰত থকা অহেতুক বোজা তথা জটিলতাবোৰ সৰল কৰি তোলাৰ লগতে প্ৰতিখন ৰাজ্যৰ সুকীয়া পৰীক্ষণ চকীসমূহত নথি-পত্ৰ পৰীক্ষণৰ নামত ট্ৰাকবোৰক প্ৰয়োজন হোৱা অতিৰিক্ত সময় ৰাহি হোৱাৰ ফলত আদান-প্ৰদানৰ ব্যয়ৰ হাৰ হ্ৰাস পোৱাত সহায়ক হ'ব বুলিও আশা কৰা হৈছে। উল্লেখযোগ্য যে একোখন ট্ৰাকে সামগ্ৰী কঢ়িওৱাৰ বাবে লোৱা মুঠ সময়ৰ প্ৰায় ৬০ শতাংশই এনে আনুষ্ঠানিকতাৰ বাবে প্ৰয়োজন হোৱা বুলি এটা হিচাপত প্ৰকাশ পাইছিল।

জী এছ টী হ'ল ৫, ১২, ১৮ আৰু ২৮ শতাংশ কৰৰ এবিধ চাৰিটা পৰ্যায়ৰ কৰ গাঁথনি আৰু এই ব্যৱস্থাত ন্যূনতম কৰৰ হাৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ ক্ষেত্ৰত আৰু সৰ্বাধিক হাৰ বিলাসী সামগ্ৰীৰ ক্ষেত্ৰত প্ৰৱৰ্তনৰ ব্যৱস্থা কৰা হৈছে।

তদুপৰি পাছৰ বিধ সামগ্ৰীৰ ক্ষেত্ৰত পূৰ্বে পৰোক্ষ কৰৰপৰা আহৰণ কৰা ৰাজহৰ ক্ষতিপূৰণ হিচাপে ৰাজ্য-সমূহে লাভ কৰিবলগীয়া অতিৰিক্ত উপকৰসমূহো অন্তৰ্ভুক্ত হ'ব। আনহাতে উপভোক্তা মূল্য সূচক (চি পি আই) শ্ৰেণীৰ অন্তৰ্গত প্ৰায় ৩০-৩৫ বিধ সামগ্ৰীক কৰ ৰেহাই শিতানৰ শ্ৰেণীভুক্ত কৰি ৰখা হৈছে, যিটো ব্যৱস্থা অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ মূল্য নিয়ন্ত্ৰণত ৰখাৰ ক্ষেত্ৰত সহায়ক হ'ব বুলি আশা কৰা হৈছে। একেদৰে সামগ্ৰী অথবা সেৱাৰ ৰপ্তানিৰ বিষয়টোক শূন্য মূল্যমানৰ যোগান হিচাপে বিবেচনা কৰা হৈছে, কাৰণ এনে ক্ষেত্ৰত কোনো ধৰণৰ জী এছ টী আৰোপ কৰা হোৱা নাই। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ-দ্বাৰা ৰাজহ সংগ্ৰহ কৰা কাৰ্যৰ যাতে কোনো ক্ষেত্ৰতে বিৰূপ প্ৰভাৱ নপৰে, সেই কথা নিশ্চিত কৰাৰ বাবেও চেষ্টা কৰা হৈছে। জী এছ টীৰ অধীনত সামৰি লোৱা বিভিন্ন সামগ্ৰীৰ প্ৰায় ৬০ শতাংশ সামগ্ৰীৰ ওপৰত হয় ১৮ শতাংশ, নহ'লে ২৮ কৰ শতাংশ আৰোপ কৰা হ'ব আৰু আন প্ৰায় ২০ শতাংশ সামগ্ৰীৰ ওপৰত আৰোপ কৰা কৰ হাৰ হ'ব ২৮ শতাংশ। পাছৰ শ্ৰেণীটোৰ অন্তৰ্ভুক্ত সামগ্ৰীৰ ভিতৰত বিভিন্ন বিলাসী সামগ্ৰী আৰু নেতিবাচক সামগ্ৰীৰ বাহিৰেও চকলেট, চুইংগাম, শ্বেম্পু ডিঅ'ড'ৰেণ্ট, পেইণ্ট আদি[৩]ৰ দৰে বিভিন্ন সামগ্ৰীয়েও স্থান পাব। আনহাতে সাম্প্ৰতিক অৱস্থাত বিদ্যুৎ শুল্ক, ৰাজহ শুল্ক আৰু আবকাৰী শুল্কৰ লগতে সুৰাজাতীয় পানীয় আৰু পেট্ৰ'লিয়ামজাত দ্ৰব্য (যেনে খাৰুৱা তেল, প্ৰাকৃতিক গেছ, পেট্ৰ'ল আৰু ডিজেল আদি) ৰ দৰে সামগ্ৰীসমূহক জী এছ টীৰ আওতাৰপৰা বাহিৰত ৰখা হৈছে। কৰ ৰেহাইৰ যোগ্যতা লাভ কৰা সামগ্ৰীৰ ব্যৱসায়ৰ ক্ষেত্ৰত অথবা বছৰি ২০ লাখ টকাতকৈ কম পৰিমাণৰ সামগ্ৰী ক্ৰয়-বিক্ৰয় কৰা আৰু আন্তঃৰাজ্যিক যোগানৰ সৈতে জড়িত নথকা ব্যৱসায়ীৰ বাবে জী এছ টী বিষয়ক ৰিটাৰ্ণ দাখিলৰপৰা ৰেহাইৰ ব্যৱস্থা ঘোষণা কৰা হৈছে।

উপভোক্তাৰ স্থায়ী পণ্য নিৰ্মাণ সামগ্ৰী আৰু এফ এম চী জীৰ লেখিয়া সামগ্ৰীক সামৰি লোৱা প্ৰধান খণ্ডসমূহৰ ক্ষেত্ৰত আৰোপিত কৰৰ হাৰ মূলতঃপূৰ্বৰ কাৰ্যকৰী কৰ গাঁথনিৰ প্ৰায় সম পৰ্যায়ৰ হোৱাৰ পৰিপ্ৰেক্ষিতত এনেবোৰ খণ্ডৰ সামগ্ৰীৰ মূল্য অথবা ব্যয়ৰ ওপৰত সামগ্ৰিকভাৱে জী এছ টীৰ প্ৰভাৱ হ'ব তেনেই সীমিত পৰিমাণৰ। ভিন ভিন ৰাজ্যত মূল্য সংযোজিত কৰৰ ক্ষেত্ৰত পূৰ্বৰে পৰা ভিন্নতা থকাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য বিশেষে এফ এম চি জিৰ ওপৰত ইয়াৰ প্ৰভাৱো হ'ব ভিন ভিন। পূৰ্বৰে পৰা চি এছ টিৰ উচ্চ হাৰ বৰ্তি থকা সামগ্ৰীৰ বেহা-বেপাৰৰ ক্ষেত্ৰত (সামগ্ৰীৰ আন্তঃৰাজ্যিক সৰবৰাহৰ প্ৰতি লক্ষ্য ৰাখি) প্ৰায় ২ শতাংশ পৰ্যন্ত লাভ আহৰণ কৰিব পৰা হ'ব। অট'মবাইল খণ্ড ক্ষেত্ৰত ৰাহি হোৱা কৰৰ পৰিমাণ হ'ব তুলামূলকভাৱে অধিক; কিয়নো পূৰ্বৰ ৫০ শতাংশতকৈও অধিক হাৰৰ কৰৰ ঠাইত এতিয়া এই হাৰ ৪৩ শতাংশলৈ (২৮ শতাংশ জী এছ টী + ১৫ শতাংশ উপকৰ) হ্ৰাস পালে। মুঠৰ ওপৰত জী এছ টী আৰোপ কৰাৰ পৰৱৰ্তী পৰ্যায়ত অট'মবাইল খণ্ড আৰু এফ এম চি জি খণ্ডই সামৰি লোৱা সামগ্ৰীসমূহৰ মূল্য হ্ৰাস পোৱাটো সম্ভৱ হৈ উঠিছে।

### ৩। বেহা-বেপাৰৰ প্ৰক্ৰিয়াক সৰল কৰি তোলা কাৰ্যত জী এছ টীৰ প্ৰভাৱ

ভাৰতত বেহা-বেপাৰ প্ৰক্ৰিয়াক সৰল কৰি তোলাৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলাই অহা পৰোক্ষ কৰ সংগ্ৰহ ব্যৱস্থাৰ জটিলতা সৃষ্টিকাৰী নিৰ্দিষ্ট ক্ষেত্ৰসমূহ চিনাক্ত কৰি চী আই আই— কে পী এম জী (২০১৪)[৪]— ৰদ্বাৰা চলোৱা এটা অধ্যয়নত এই কথা প্ৰকাশ পাইছিল যে মূল্য সংযোজিত কৰ, আবকাৰী শুল্ক, সীমা শুল্ক আৰু সেৱা কৰৰ বাবে পঞ্জীয়নৰ লগতে বিভিন্ন সামগ্ৰীৰ সৰবৰাহ, কৰ আদায়কাৰী কৰ্তৃপক্ষ-সমূহৰ সৈতে মোকাবিলা কৰা, কৰ সম্পৰ্কীয় বিবাদৰ নিষ্পত্তিকৰণ, কৰ বিষয়ক উদগনিমূলক ব্যৱস্থাৰ সুবিধা গ্ৰহণ কৰা আৰু সময় অনুসাৰে কৰৰ অতিৰিক্ত ধন ঘূৰাই পোৱা আদিৰ দৰে কেতবোৰ বিষয়ৰ ক্ষেত্ৰত কোম্পানী-সমূহ জটিল পৰিস্থিতিৰ সন্মুখীন হৈ আহিছিল। পূৰ্বৰ কৰ আৰোপৰ পদ্ধতিত ৰাজ্যসমূহে ভিনি ভিন কৰৰ হাৰ প্ৰৱৰ্তন কৰিছিল আৰু ইয়াৰ ফলত অধিক হাৰৰ কৰ আৰোপ কৰা ৰাজ্যসমূহত বেহা-বেপাৰ কৰাটো অসুবিধাজনক হৈ পৰিছিল। ভিন ভিন ৰাজ্যৰ সীমা অতিক্ৰম কৰি সামগ্ৰী সৰবৰাহ কৰিবলৈ হ'লে উভয় ৰাজ্যতেই সুকীয়াকৈ কৰ আদায় দিবলগীয়া হৈছিল আৰু ইয়াৰ সমান্তৰালভাৱে নিয়ম পালনৰ কাম সম্পন্ন কৰাৰ নামতো অতিৰিক্ত ধন ব্যয় কৰিবলীয়া হৈছিল। আনহাতে ভিন ভিন ৰাজ্যত কৰৰ হাৰৰ ভিন্নতা থকাৰ ফলত ব্যৱসায় সম্পৰ্কীয় সিদ্ধান্তৰ ক্ষেত্ৰত অনিশ্চয়তা আৰু দ্বি-ধাগ্ৰস্ততা বিৰাজ কৰি আহিছিল। বিভিন্ন সামগ্ৰী আৰু সেৱাৰ ওপৰত আৰোপ কৰা কৰ সংগ্ৰহৰ প্ৰক্ৰিয়াত মূল্য নিৰূপণৰ শৃংখলৰ পূৰ্বৱৰ্তী স্তৰসমূহত আদায় দিয়া কৰৰ ৰেহাইৰ ব্যৱস্থাৰ ক্ষেত্ৰত কোনো স্পষ্ট নীতি-নিৰ্দেশনা নাছিল আৰু তাৰ ফলস্বৰূপে বহু খলপীয়া কৰ ব্যৱস্থা (কৰৰ ওপৰত কৰ) আৰোপ কৰা পদ্ধতিৰ প্ৰচলন হৈছিল।

জী এছ টী ব্যৱস্থাৰ কাৰ্যকৰী ৰূপায়ণৰ ফলস্বৰূপে কৰ সংগ্ৰহৰ বাবে পালন কৰিবলগীয়া নিয়ম-নীতিবোৰৰ সৰলীকৰণ, বিভিন্ন সামগ্ৰীৰ আন্তঃৰাজ্যিক সৰবৰাহৰ ক্ষেত্ৰত বলৱৎ হৈ থকা বাধা-নিষেধৰ হ্ৰাসকৰণ, কৰৰ বোজাৰ উপশম ঘটোৱাৰ ব্যৱস্থা, অতিৰিক্তভাৱে আদায় দিয়া কৰৰ ধন সময়মতে ওভতাই দিয়াৰ কাম ত্বৰান্বিত কৰা আদি ভিন ভিন পদক্ষেপৰ জৰিয়তে পূৰ্বে উল্লেখ কৰি অহা সমস্যাবোৰৰ লগতে আন বহু সমস্যাৰ সমাধান সম্ভৱপৰ হৈ উঠিব। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বিশ্ব বেংকৰ বেহা-বেপাৰ সম্পাদন সম্পৰ্কীয় প্ৰতিবেদনত 'কৰ আদায়'ৰ ক্ষেত্ৰত থকা দেশৰ গোলকীয় মান পূৰ্বতকৈ উন্নত হোৱাটোও সম্ভৱ হৈ উঠিব। উল্লেখ-যোগ্য যে বিশ্বৰ ১৯০ খন দেশৰ অৰ্থনীতিক সামৰি কৰা বিশ্ব বেংকৰ এই অধ্যয়নৰ প্ৰতিবেদনত ভাৰত সম্প্ৰতি পুতৌজনকভাৱে ১৭২ সংখ্যক স্থানতহে আছে।

বেহা-বেপাৰৰ প্ৰক্ৰিয়াক সৰল কৰি তোলাৰ ক্ষেত্ৰত জী এছ টীৰপৰা পাব পৰা কেতবোৰ বিশেষ সহায়ক এনেদৰে তালিকাভুক্ত কৰিব পাৰি।

**নীতি-নিয়ম পালনৰ ব্যৱস্থাৰ সৰলীকৰণ**

পূৰ্বৰ কৰ আদায় পদ্ধতিত বেহা-বেপাৰ সম্পাদনৰ সময়ত ভালেমান জটিল কৰ ব্যৱস্থাৰ ৰিটাৰ্ণ দাখিল কৰাৰ লগতে কৰ আদায় কৰা একাধিক কৰ্তৃপক্ষৰ সুকীয়া নীতি-নিয়মৰ মুখামুখি হোৱা আৰু বিভিন্ন ধৰণৰ পৰোক্ষ কৰ হিচাপ-নিকাচ কৰা কামত বিধি-বিধানৰ দীঘলীয়া প্ৰক্ৰিয়া আদি অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছিল। সকলো পৰোক্ষ কৰ লগ লগাই এবিধ একক কৰৰ ব্যৱস্থা আৰম্ভ কৰাৰ জৰিয়তে জী এছ টীৰ সহায়ত বেহা-বেপাৰৰ বাবে প্ৰয়োজনীয় নীতি-নিয়ম পালন কৰাটো অধিক সহজ হৈ পৰিল। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত তথ্য প্ৰযুক্তিৰ আন্তঃগাঁথনিৰ বিনিময়ৰ জৰিয়তে গঢ়ি তোলা জী এছ টী নেটৱৰ্ক (জী এছ টী এন) ৰ মঞ্চ ব্যৱহাৰ কৰি আৰু সাৱলীল তথা বাধাহীন ৰূপত জী এছ টী ৰূপায়ণ কৰিব পৰাকৈ এই তথ্য প্ৰযুক্তিয়ে আগবঢ়োৱা নিৰ্ভৰযোগ্য আৰু সমৰ্থবান সমৰ্থন গ্ৰহণ কৰি কৰদাতা-সকলে কৰ বিভাগৰ কোনো বিষয়াৰ মুখামুখি হ'ব নলগীয়াকৈয়ে অনলাইন-যোগে যিকোনো সময়ত যিকোনো ঠাইৰপৰা নিজ নিজ নথি-পত্ৰ পঞ্জীয়ন কৰিব পাৰে, ৰিটাৰ্ণ ফাইল কৰিব পাৰে, কৰ আদায় দিব পাৰে আৰু অতিৰিক্ত-ভাৱে আদায় দিয়া কৰৰ ধন ওভতাই বিচাৰিব পাৰে। এই পদ্ধতিয়ে কৰ আদায়ৰ ক্ষেত্ৰত নীতি-নিয়ম অনুসৰণ কৰাৰ ব্যৱস্থাক সহজ, স্বচ্ছ, খৰতকীয়া আৰু কাকতৰ ব্যৱহাৰবিহীন কৰি তোলাৰ লগতে বেহা-বেপাৰৰ ক্ষেত্ৰত উৎপাদনশীলতা আৰু দক্ষতা তথা সামৰ্থ্য অধিক ত্বৰান্বিত কৰাৰ পথ প্ৰশস্ত হোৱাৰ ক্ষেত্ৰত অৰিহণা যোগাইছে।

সামগ্ৰীৰ আন্তঃৰাজ্যিক সৰবৰাহ অধিক সহজ হৈ উঠিছে বিভিন্ন সামগ্ৰীৰ আন্তঃৰাজ্যিক সৰবৰাহৰ বাবে নিয়ম অনুসাৰে ভিন ভিন ৰাজ্যৰ পৰীক্ষণ চকীত কৰ আদায় দিবলগীয়া হোৱাৰ বাবে পূৰ্বে এনে সৰবৰাহৰ কামত ব্যৱহাৰ হোৱা যান-বাহনসমূহ গন্তব্য-স্থলত উপস্থিত হ'বৰ বাবে অস্বাভাৱিক-ভাৱে দীঘলীয়া সময়ৰ প্ৰয়োজন হৈছিল। পিছে জী এছ টীৰ জৰিয়তে প্ৰৱেশ কৰ আৰু নগৰদ্বাৰ শুল্কক ধৰি ভালেমান পৰোক্ষ কৰ সংযুক্ত কৰাৰ ফলত এনেবোৰ প্ৰয়োজনৰ ওৰ পৰিল। এনে হোৱাৰ ফলত ব্যৱসায়ৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা সংগ্ৰহ তথা পৰিবহনৰ ব্যয় (অৰ্থ আৰু সময় উভয় দিশৰপৰা) হ্ৰাস পোৱাৰ লগতে ক্ৰেতাৰ বাবে সামগ্ৰীৰ মূল্যও পূৰ্বৰ তুলনাত হ্ৰাস পাব। জী এছ টী ৰূপায়ণৰ পৰৱৰ্তী পৰ্যায়ত সকলো ৰাজ্যৰ প্ৰৱেশ পথত থকা পৰীক্ষণ চকীসমূহ উঠাই দিয়া হৈছে আৰু এই কথা এতিয়া প্ৰমাণিত হৈছে যে ট্ৰাকৰ পৰিবহণৰ বাবে প্ৰয়োজন হোৱা সময় উল্লেখনীয়ভাৱে কমি আহিছে।

**সকলোৰে ক্ষেত্ৰত এবাৰেই পাৰস্পৰিক যোগাযোগ কৰিবলগীয়া হোৱাৰ ব্যৱস্থা**

জী এছ টী এনৰ জৰিয়তে কৰ দাতাসকল সংশ্লিষ্ট কৰ আদায়কাৰী কৰ্তৃপক্ষৰ সৈতে মাত্ৰ এবাৰেই পাৰস্পৰিকভাৱে যোগাযোগ কৰিব-লগীয়া হোৱাৰ আৰু যি কোনো বিবাদ অথবা মতবিৰোধ একেখন মঞ্চৰ সহায়ত নিষ্পত্তি কৰাৰ সুবিধা আগবঢ়োৱা হৈছে। যোগানকাৰী, ক্ৰেতা আৰু কৰ আদায়কাৰী কৰ্তৃপক্ষ সকলোৰে বাবে যি কোনো প্ৰাসংগিক তথ্য পাতি সহজে বিচাৰি পাব পৰা ব্যৱস্থা হোৱাৰ ফলত সামগ্ৰীৰ চালান-সমূহ ৰিজাই চোৱা আৰু শৃংখলাবদ্ধ-ভাৱে লগ লগোৱাটো সহজ হৈ উঠিব। কেৱল সেয়াই নহয়, 'ইনপুট টেক্স ক্ৰেডিট' ব্যৱস্থাৰ প্ৰৱৰ্তনৰ ফলত জমা ধন ঘূৰাই পোৱাৰ সুবিধা গ্ৰহণ কৰাৰ বাবে সকলো চালান শৃংখলাবদ্ধ-ভাৱে লগ লগাবই লাগিব আৰু ইয়াৰ জৰিয়তে যোগানকাৰী পক্ষই নিৰ্দিষ্ট সময়ৰ ভিতৰত ৰিটাৰ্ণ দাখিল কৰা আৰু কৰ আদায় দিয়াটো নিশ্চিত কৰাৰ দায়বদ্ধতা ক্ৰেতাৰ ওপৰত নিজে নিজেই ন্যস্ত হ'ব।

### কৰৰ বোজাৰপৰা ৰেহাই

পূৰ্বৰ কৰ আদায় ব্যৱস্থাত প্ৰচলিত নিয়মৰ পৰিৱৰ্তে জী এছ টী ব্যৱস্থাত মূল্য শৃংখলৰ পূৰ্বৱৰ্তী পৰ্যায়ত কেঁচা সামগ্ৰী আৰু বিনিয়োগ কৰা মূলধন, শক্তি আদিৰ ওপৰত আৰোপ কৰা কৰৰ জমা ধন আহৰণৰ সুবিধা আগবঢ়োৱা হৈছে, যাৰ ফলত বহুখলপীয়া কৰ ব্যৱস্থা (কৰৰ ওপৰত কৰ) ৰ বোজাৰ পৰা উপশম পাব পৰা হ'ব। এতিয়াৰে পৰা উৎপাদনকাৰীয়ে যিহেতু সমগ্ৰ উৎপাদন প্ৰক্ৰিয়াটোৰ এটা নিৰ্দিষ্ট পৰ্যায়ত সংযোজন কৰা মূল্যৰ আধাৰতহে কৰ আদায় দিবলগীয়া হ'ব আৰু উৎপাদিত সামগ্ৰীৰ সৰ্বমুঠ মূল্যৰ আধাৰত কৰ আদায় দিব নালাগিব, সেয়েহে কৰৰ বোজাও পূৰ্বৰ তুলনাত লাঘৱ হ'ব।

### উমৈহতীয়া বজাৰৰ সৃষ্টি

জী এছ টী ব্যৱস্থা ৰূপায়ণৰ পৰৱৰ্তী পৰ্যায়ত যিহেতু সমগ্ৰ ভাৰতবৰ্ষ মাত্ৰ এখন বৃহৎ উমৈহতীয়া বৃহৎ বজাৰত পৰিণত হ'ল, সেয়েহে কেঁচা সামগ্ৰী আহৰণ কৰা উৎস আৰু উৎপাদন আৰু মজুত কৰাৰ বাবে স্থান নিৰ্বাচন কৰাৰ লগতে উৎপাদিত সামগ্ৰী বিক্ৰী কৰাৰ ক্ষেত্ৰত উৎপাদনকাৰী পক্ষসমূহ অধিক যুক্তিসংগত সিদ্ধান্ত ল'বৰ বাবে সমৰ্থ হ'ব। সমগ্ৰ প্ৰক্ৰিয়াটোৰ ক্ষেত্ৰত আৰম্ভ হোৱা সমানত্ব তথা কেন্দ্ৰীভূত পঞ্জীয়ন ব্যৱস্থাৰ ফলত একোখন ৰাজ্যৰ সীমা অতিক্ৰম কৰি বেহা-বেপাৰ সম্পাদন কৰাটো পূৰ্বতকৈ সৰল আৰু সহজসাধ্য হৈ উঠিব।

### ৰপ্তানিৰ ক্ষেত্ৰত প্ৰতিদ্বন্দ্বিতামূলক মানসিকতাৰ প্ৰাবল্য বৃদ্ধি

পূৰ্বৰ কৰ আদায় প্ৰক্ৰিয়াত দ্বৈত কৰ আৰোপ পদ্ধতি কাৰ্যকৰী হৈ থকাৰ ফলত আৰু লগতে কৰ আদায়ৰ সৈতে জড়িত নীতি-নিয়ম পালনৰ ক্ষেত্ৰত প্ৰয়োজনীয় উচ্চ হাৰৰ আদান-প্ৰদানৰ আনুষ্ঠানিকতাৰ ফলত সংগ্ৰহ কৰা কৰৰ একোটা অংশও আমি ৰপ্তানি কৰিবলগীয়াত পৰিছিলো। এনে পৰিস্থিতিৰ বাবে বিশ্বৰ বজাৰত ভাৰতৰ প্ৰতিদ্বন্দ্বিতাৰ পৰিমাণ কমি গৈছিল। পিছে জী এছ টী প্ৰৱৰ্তনৰ লগে লগে বহুস্তৰীয় কৰ সংগ্ৰহ পদ্ধতিৰ অৱসান ঘটাৰ লগতে কৰ আদায় দিয়াৰ ক্ষেত্ৰত পালন কৰিবলগীয়া নীতি-নিয়মৰ বোজা পূৰ্বতকৈ লাঘৱ হ'ল। সেইবাবেই নিউজিলেণ্ড আৰু অষ্ট্ৰেলিয়াৰ দৰে দেশৰ অৰ্থনীতিৰ ক্ষেত্ৰত হোৱাৰ নিচিনাকৈ ভাৰতৰ ক্ষেত্ৰতো ৰপ্তানিৰ হাৰ অধিক প্ৰসাৰিত হ'ব বুলি আশা কৰিব পাৰি। উদাহৰণ হিচাপে নিউজিলেণ্ডৰ কথাই ক'ব পাৰি, য'ত ১৯৮৬ চনত জী এছ টী ব্যৱস্থা কাৰ্যকৰী কৰাৰ পৰৱৰ্তী বছৰটোতেই ৰপ্তানিৰ হাৰ ২২ শতাংশতকৈও অধিক পৰিমাণে বৃদ্ধি হোৱা পৰিলক্ষিত হৈছিল।

### সম্পদ আবণ্টনৰ ক্ষেত্ৰত থকা পক্ষপাতিত্ব হ্ৰাস

সাধাৰণতে যিবোৰ ৰাজ্যই কৰ আদায় দিয়াৰ বাবে পালন কৰিবলগীয়া নীতি-নিয়মৰ ক্ষেত্ৰত শিথিলতা তথা অনুগ্ৰহ প্ৰদৰ্শন কৰে, অন্যান্য পৰোক্ষ কাৰক আৰু সা-সুবিধাক আওকাণ কৰি সম্পদ আবণ্টনৰ বাবে তেনে ৰাজ্যৰ প্ৰতি পক্ষপাতিত্ব প্ৰদৰ্শন কৰাৰ এটা মানসিকতা বেহা-বেপাৰৰ ক্ষেত্ৰত গঢ় লৈ উঠিছিল। ইয়াৰ ফলত একোটা প্ৰতিষ্ঠানৰ সামগ্ৰিক প্ৰতিদ্বন্দ্বিতাৰ পৰিসৰ হ্ৰাস কৰি সম্পদৰ আবণ্টন তথা যোগানৰ শৃংখলৰ ক্ষেত্ৰত ক্ৰমান্বয়ে বিৰূপ প্ৰভাৱ পৰিলক্ষিত হৈছিল। কিন্তু জী এছ টী প্ৰৱৰ্তনৰ জৰিয়তে একোবিধ বেহা-বেপাৰৰ নিৰ্দিষ্ট অৱস্থানৰ সৈতে কোনো সম্পৰ্কৰ প্ৰশ্ন অবিহনেই দেশৰ সকলো অংশতেই ব্যৱহাৰৰ বাবে কৰৰ কোনো তাৰতম্য নাইকিয়া হোৱাৰ পৰিপ্ৰেক্ষিতত কৰ আদায় দিয়াৰ নিয়ম-নীতি আৰু কৰৰ হাৰ উভয়ৰে ক্ষেত্ৰত ভিন ভিন খণ্ড তথা ৰাজ্যৰ মাজৰ ভিন্নতা তেনেই নগণ্য কৰি আনি এই পদ্ধতিয়ে এনেবোৰ সমস্যাৰ সমাধান সম্ভৱ কৰি তুলিছে।

### অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠানৰ বাবে বেহা-বেপাৰ সম্পন্ন কৰাৰ পৰিৱেশৰ উন্নতি সাধন

কৰ আদায়ৰ পূৰ্বৱৰ্তী পৰিস্থিতিত বছৰি পাঁচ লাখ টকাৰ লেনদেন কৰা অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান (এম এছ এম ই) সমূহ মূল্য সংযোজিত কৰ ('ভেট') ৰ অধীনত পঞ্জীয়ন কৰাটো আৱশ্যকীয় আছিল। ভিন ভিন ৰাজ্যত বেহা-বেপাৰ সম্পন্ন কৰিবলগীয়া হ'লে তেনে বাণিজ্যিক প্ৰতিষ্ঠানসমূহে সংশ্লিষ্ট ৰাজ্যসমূহত বলৱৎ হৈ থকা সুকীয়া কৰৰ হাৰৰ লগতে নীতি-নিয়ম আৰু পদ্ধতিসমূহ অনুসৰণ কৰিবলগীয়া হৈছিল। এনে জটিল পৰিস্থিতি এম এছ এম ই-সমূহৰ বাবে অধিক নিয়ম-নীতি পালন কৰিবলগীয়া গুৰুতৰ বোজাই যে কেৱল আছিল, তেনে নহয়— বৰঞ্চ এনে বহু প্ৰতিষ্ঠানে কৰ আদায়ৰ সৈতে জড়িত কাম-কাজ সম্পন্ন কৰাৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ বৃত্তিজীৱী লোক নিয়োগ কৰিবলৈ বাধ্য হৈ পৰিছিল। ইয়াৰ বিপৰীতে জী এছ টী প্ৰৱৰ্তনৰ ফলত দেশৰ সকলো ৰাজ্যতেই এটা সমতাপূৰ্ণ, অনলাইন, খৰতকীয়া আৰু স্বচ্ছ কৰ প্ৰশাসনৰ ব্যৱস্থা আৰম্ভ হ'ল আৰু ইয়াৰ সহায়ত কেৱল সংশ্লিষ্ট কাম-কাজসমূহ নিয়ম অনুসাৰে সম্পন্ন কৰাটো সহজসাধ্য

হোৱাই নহয়, অৰ্থৰ ব্যয় কম কৰাৰ বিষয়তো সুফল পৰিলক্ষিত হ'ল। একেদৰে জী এছ টীৰ অধীনত আদায় দিয়া কৰৰ বিনিয়োগ জমা মূলধনৰ ব্যৱস্থাৰ ক্ষেত্ৰতো এম এছ এম ই সমূহে লাভজনক স্থিতিত অৱস্থান কৰিবলৈ ল'লে, যাৰ ফলত এনে প্ৰতিষ্ঠানসমূহে অধিক প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ বাবে সামৰ্থ্য অৰ্জন কৰাত সহায়ক হ'ল।

৪। **সমুখৰ পথ**

জী এছ টীয়ে বেহা-বেপাৰ সম্পন্ন কৰাৰ ব্যৱস্থা উন্নত হোৱাৰ ক্ষেত্ৰত সহায় হোৱাৰ লগতে উৎপাদনকাৰী আৰু উপভোক্তা উভয় পক্ষৰ বাবে কৰৰ বোজা লাঘৱ কৰা আৰু একে সময়তে চৰকাৰৰ কৰ সংগ্ৰহৰ পৰিমাণ বৃদ্ধি কৰাৰ হকে প্ৰতিশ্ৰুতি আগবঢ়াইছে। এই সংস্কাৰ সাধনৰ পদক্ষেপে দেশৰ অৰ্থনীতিৰ তিনিটা প্ৰধান অংশীদাৰ পক্ষৰ জীৱন আৰু কৰ্ম পদ্ধতিক ব্যাপক ৰূপত প্ৰভাৱিত কৰিছে। সেই কেইটা পক্ষ হ'ল উপভোক্তা, উৎপাদনকাৰী আৰু চৰকাৰ। তদুপৰি প্ৰতিখন ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰ শাসিত অঞ্চলক সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ দৃষ্টান্তমূলক মানসিক প্ৰবৃত্তিৰ সৈতে ই জড়িত কৰাইছে। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাখনক আটাইকেইটা অংশীদাৰ পক্ষক একেখন মঞ্চত গোট খুওৱা আৰু সংশ্লিষ্ট প্ৰতিটো পক্ষৰ বাবে জী এছ টীৰ ব্যৱস্থাক এটা লাভজনক আৰু দীৰ্ঘস্থায়ী অৱস্থালৈ অনা এই পৰিস্থিতিৰ বাবে প্ৰশংসা কৰিবই লাগিব।

বেহা-বেপাৰ সম্পাদনৰ কামৰ সৰলীকৰণৰ ক্ষেত্ৰত জী এছ টী প্ৰৱৰ্তনৰ ইতিবাচক প্ৰভাৱক লৈ কোনো ধৰণৰ সন্দেহৰ অৱকাশ থাকিব নোৱাৰে। বেহা-বেপাৰৰ ক্ষেত্ৰত ইয়াৰ প্ৰত্যক্ষ সুফল-সমূহৰ কেইটামান হ'ল নীতি-নিয়ম পালনৰ প্ৰক্ৰিয়াত হোৱা ব্যয়ৰ পৰিমাণ হ্ৰাস, কৰৰ বোজা লাঘৱ কৰাৰ ব্যৱস্থা আৰু ভিন ভিন ৰাজ্যৰ সীমা অতিক্ৰম কৰি বিভিন্ন সামগ্ৰী সৰবৰাহ কৰাৰ বিষয়ত দেখা দিয়া সহজ অৱস্থা। এনে এবিধ ব্যাপক ৰূপৰ সংস্কাৰ ব্যৱস্থা সফল ৰূপত কাৰ্যকৰী হোৱাৰ পাছত এতিয়া জী এছ টীৰ পৰৱৰ্তী পৰ্যায়টোত সুকলমে উপনীত হ'বলৈ চেষ্টা কৰাটো সকলোৰে কৰ্তব্য হোৱা উচিত। নিজ নিজ সামৰ্থ্যক আমি এতিয়াৰে পৰা ভিন ভিন কৰৰ হাৰ আৰু পৰিহাৰ কৰিব পৰা কৰ ৰেহাইৰ জটিলতাৰ অৱসান ঘটোৱাৰ জৰিয়তে 'এখন ৰাষ্ট্ৰ, এবিধ কৰ'ৰ মূল নীতিক ইয়াৰ প্ৰকৃত অৰ্থত কাৰ্যত ৰূপায়িত কৰাটো নিশ্চিত কৰাৰ দিশত প্ৰয়োগ কৰিব লাগিব। উদ্যোগ খণ্ড আৰু আন আন অংশীদাৰী পক্ষ-সমূহৰপৰা নিয়মিত ৰূপত মতামত গ্ৰহণ কৰাৰ হকে এখন মঞ্চ আৰু এটা প্ৰক্ৰিয়া আৰম্ভ কৰাটোও এই ক্ষেত্ৰত সহায়ক হ'ব পাৰে। একেদৰে, জী এছ টীৰ পৰা অধিক পৰিমাণে লাভ আহৰণ কৰাৰ স্বাৰ্থত বিভিন্ন পৰোক্ষ কৰৰ ৰূপত অতিৰিক্ত শুল্ক আৰোপ কৰাৰ যি কোনো ধৰণৰ প্ৰৱণতাৰপৰা আঁতৰত থাকিবৰ বাবে বিভিন্ন ৰাজ্য চৰকাৰ আৰু স্থানীয় গোটসমূহো সৈমান হোৱা উচিত। জী এছ টীৰ ক্ষেত্ৰখনক সম্প্ৰসাৰিত কৰা তথা অসংগঠিত খণ্ডকো এই মঞ্চখনৰ অন্তৰ্ভুক্ত হ'বৰ বাবে উৎসাহিত কৰাটো সততে আন এটা গুৰুত্বপূৰ্ণ লক্ষ্য হৈ ৰোৱা উচিত।

এনেবোৰ ব্যৱস্থাৰ লগতে ছিংগাপুৰ আৰু মালয়ছিয়াৰ নিচিনাকৈয়ে ভাৰতেও দ্ৰুতভাৱে মাত্ৰ এটা হাৰৰ জী এছ টী প্ৰৱৰ্তনৰ দিশত আগবাঢ়ি যাব লাগে আৰু সেই হাৰটোও হ'ব লাগে তেনেই কম; লগতে এই ক্ষেত্ৰত কৰ ৰেহাইৰ সংখ্যাও যিমান সম্ভৱ কম হোৱা উচিত। উল্লেখযোগ্য যে ছিংগাপুৰ আৰু মালয়ছিয়াত সম্প্ৰতি প্ৰযোজ্য হৈ থকা জী এছ টীৰ হাৰ হ'ল ক্ৰমে ৭ শতাংশ আৰু ৬ শতাংশ। জী এছ টী ৰূপায়ণৰ প্ৰক্ৰিয়াত আগবাঢ়ি যাওঁতে ভিন ভিন ৰাজ্যত সম্পাদন কৰিবলগীয়া হোৱা ব্যৱসায়ৰ ক্ষেত্ৰত সংশ্লিষ্ট সকলো ৰাজ্যতে সুকীয়াকৈ কৰিবলগীয়া পঞ্জীয়ন তথা ফাইল দাখিলৰ ব্যৱস্থা পৰিহাৰ কৰাৰো উপায় উদ্ভাৱন কৰিব লাগিব। ভাৰতত বেহা-বেপাৰ সম্পাদনৰ কাম সহজ কৰি তোলাৰ হকে পৰিস্থিতিৰ উন্নতি সাধনৰ সম্ভাৱনাৰ পথত থকা অন্তৰায়সমূহ আঁতৰ কৰাৰ বাবে এনে ধৰণৰ পদক্ষেপসমূহ ফলপ্ৰসূ হিচাপে বিবেচিত হ'ব পাৰে। একেদৰে, গোলকীয় প্ৰেক্ষাপটত মুখামুখি হ'বলগীয়া হোৱা প্ৰতিদ্বন্দ্বিতাৰ সামগ্ৰিক পৰিস্থিতিত শক্তিশালী ৰূপত অৱতীৰ্ন হ'বৰ বাবেও এনেবোৰ ব্যৱস্থাৰ সুদূৰ প্ৰসাৰী ভূমিকা থাকিব আৰু চৰকাৰৰ 'মেইক ইন ইণ্ডিয়া' আঁচনিৰ সফলতাৰ হকে ই হ'ব অতিশয় গুৰুত্বপূৰ্ণ। জী এছ টী ৰূপায়ণৰ দীঘলীয়া পৰিক্ৰমা সম্পন্ন কৰি উঠাৰ পাছত এতিয়া আমাৰ বাবে যিটো প্ৰয়োজনীয়, সেয়া হ'ল বিশ্বৰ ভিতৰত শ্ৰেষ্ঠ প্ৰতিপন্ন হোৱা অৰ্থনৈতিক শক্তিৰ সৈতে ফেৰ মাৰিব পৰাকৈ ইয়াৰ অতিশয় কাৰ্যকৰী ৰূপায়ণৰ বাবে শীঘ্ৰে এটা নতুন যাত্ৰা আৰম্ভ কৰা। ❒

# সন্মুখত সাময়িক প্ৰত্যাহ্বান

**দেৱৰাজা ৰেড্ডী এম***

দেশৰ কৰ ব্যৱস্থাৰ সংস্কাৰৰ ক্ষেত্ৰত ঐতিহাসিক পদক্ষেপ হিচাপে চিহ্নিত হোৱা সামগ্ৰী আৰু সেৱা কৰ (জী এছ টী) ২০১৭ চনৰ ১ জুলাইৰপৰা কাৰ্যকৰী হয়। এই ব্যৱস্থাৰ লক্ষ্য হ'ল কেন্দ্ৰীয় আৰু ৰাজ্যিক কৰবোৰ জড়িত কৰি দেশৰ কৰৰ প্ৰতিচ্ছবিৰ সম্পূৰ্ণৰূপে ৰূপান্তৰ ঘটোৱা। স্বাধীনতাৰ পৰৱৰ্তী সময়ৰ সৰ্ববৃহৎ কৰ সংস্কাৰ জী এছ টীয়ে এক ৰাষ্ট্ৰ - এক কৰ - এখন বজাৰ ব্যৱস্থাৰ পথ প্ৰদৰ্শন কৰাব আৰু সকলো সম্পৰ্কিত গোট ক্ৰমেঃ উদ্যোগ, চৰকাৰ আৰু উপভোক্তাক উপকৃত কৰিব বুলি আশা কৰা হৈছে। জী এছ টী কাৰ্যকৰী হোৱাৰ পাছত সামগ্ৰী আৰু সেৱাৰ মূল্য নিম্ন হ'ব, অৰ্থনীতিৰ উত্তৰণ ঘটিব আৰু ভাৰতীয় উৎপাদন আৰু সেৱা গোলকীয় প্ৰতিযোগিতা সম্পন্ন হ'ব বুলি প্ৰত্যাশা কৰা হৈছে। অৰ্থাৎ ই 'মেইক-ইন ইণ্ডিয়া, উদ্যোগৰ উত্তৰণ ঘটাব। জী এছ টীৰ চৰকাৰী পদ্ধতিৰ অধীনত বৰ্তমানৰ ব্যৱস্থাতকৈ সম্পূৰ্ণ ৰূপে পৃথক হিচাপে ৰপ্তানি শূন্য মূল্যৰ হ'ব। পূৰ্বৰ ব্যৱস্থা মতে কেন্দ্ৰ আৰু ৰাজ্যৰ পৰোক্ষ কৰ ব্যৱস্থাত থকা ভগ্ন অংশ প্ৰকৃতিৰ কাৰণে কেতবোৰ কৰৰ পৰিশোধেয় ব্যৱস্থা কাৰ্যকৰী নহয়। জী এছ টীয়ে সাৰ্বজনীন কৰ নিৰিখ আৰু পদ্ধতিৰে ভাৰতবৰ্ষত উমৈহতীয়া বজাৰ সৃষ্টি আৰু অৰ্থনৈতিক বাধাবোৰ বিলুপ্ত কৰিব বুলি আশা কৰা হৈছে। সামগ্ৰিকভাৱে জী এছ টী প্ৰযুক্তিগত ব্যৱস্থা হোৱা হেতুকে বৃহৎ পৰিসৰত ব্যক্তি হস্তক্ষেপ হ্ৰাস পাব আৰু ভাৰতবৰ্ষত ব্যৱসায় কৰাৰ সুচলতা বৃদ্ধি পাব।

উদাহৰণ হিচাপে এবিধ সামগ্ৰীৰ ভিত্তি মূল্য ১০০ টকা আৰু শতকৰা@ ১২ (আনুমানিক) হাৰত উৎপাদন শুল্ক ধাৰ্য কৰাৰ পাছত সামগ্ৰী বিধৰ মূল্য হ'ব ১১২ টকা। বিক্ৰীৰ পৰ্যায়ত সেই বিধ সামগ্ৰীৰ ভেট শতকৰা @ ১২.৫ (আনুমানিক) হাৰত ধৰিলে উপভোক্তাৰ বাবে সামগ্ৰীবিধৰ চূড়ান্ত মূল্য হ'ল ১২৬ টকা। প্ৰস্তাৱিত জী এছ টী ব্যৱস্থাত ১০০ টকা ভিত্তি মূল্যৰ সামগ্ৰীবিধৰ কেন্দ্ৰীয় জী এছ টী আৰু ৰাজ্যিক জী এছ টী প্ৰত্যেকতে শতকৰা @ ৯ হাৰত ধৰিলেও উপভোক্তাই চূড়ান্তভাৱে ১১৮ টকা দিব লাগিব। গতিকে তেনে ক্ষেত্ৰত গোলকীয় পৰিৱেশত উদ্যোগবোৰে অধিক উন্নত ধৰণে প্ৰতিযোগিতা কৰিব পাৰিব। সেয়ে জী এছ টী বহল ভিত্তিক আৰু এক অৰ্থনীতিয়ে গ্ৰহণ কৰা সামগ্ৰী আৰু সেৱাৰ বাবে ধাৰ্য কৰা কৰৰ একক সৰ্বাত্মক ৰূপ। উৎপাদন আৰু বিতৰণৰ প্ৰতিটো পৰ্যায়ত পূৰ্বতে বলৱৎ হোৱা কৰ বোৰ জী এছ টীয়ে একক ৰূপ প্ৰদান কৰিব। বাস্তৱিকতে ই চূড়ান্ত গ্ৰহণযোগ্য অৱস্থাৰ কৰ।

একক স্থানত ৰাখিবৰ বাবে জী এছ টীক যোগান (যথা সামগ্ৰীৰ বিক্ৰী বা সেৱাৰ ব্যৱস্থা) ব্যৱস্থাৰ প্ৰতিটো পদক্ষেপত ধাৰ্য কৰা কৰ, যিবোৰ সামগ্ৰী বিক্ৰী বা বিক্ৰেতাই সেৱা আগবঢ়োৱাৰ সময় বা সেৱা প্ৰদানকাৰীয়ে দাবী কৰিব পৰা সামগ্ৰী ক্ৰয় বা সেৱা আগবঢ়োৱাৰ সময়ত তেওঁ কৰৰ আগতীয়াকৈ জমা দিয়া বুলি কৈছিল সেই জটিলতা নাইকিয়া কৰিব।

জী এছ টীৰ মূল বৈশিষ্ট্যবোৰ তলত দিয়া ধৰণৰ

(ক) জী এছ টী হ'ল স্বেচ্ছামূলক ব্যৱস্থা আৰু একাউণ্ট ভিত্তিক ব্যৱস্থাক গুৰুত্ব প্ৰদানৰ সৈতে মূল্য আৰোপিত কৰ অথবা 'ইনপুট টেক্স পদ্ধতি' বা 'বিয়োগ' পদ্ধতিৰ ওপৰত ভিত্তি কৰি পৰিচালিত ব্যৱস্থা।

(খ) ই এক সৰ্বাত্মক সংগ্ৰহ আৰু ইনপুট টেক্স ক্ৰেডিট বা উপান্ত বিনিময় মূল্যৰ বিয়োগ মূল্যৰ সৈতে একে নিৰিখত সামগ্ৰী আৰু সেৱা সংগ্ৰহ।

(গ) কৰৰ মঞ্চ নিৰিখৰ ন্যূনতমকৰণ।

(ঘ) উপকৰৰ সংগ্ৰহ, পুনঃ বিক্ৰী কৰ, অতিৰিক্ত কৰ, বিশেষ কৰ, টাৰ্ণঅ'ভাৰ কৰ আদিৰ কোনো ব্যৱস্থা নাই।

(ঙ) সামগ্ৰী আৰু সেৱাৰ কৰ সংগ্ৰহৰ বহুমুখী ব্যৱস্থা যথা বিক্ৰী কৰ, প্ৰৱেশ কৰ, আমোদ কৰ, বিলাস কৰ আদি।

(চ) ৰপ্তানি আৰু সামগ্ৰীৰ আন্তঃ ৰাজ্যিক বিক্ৰী আৰু সেৱাৰ যোগানৰ শূন্য মান নিৰ্দ্ধাৰণ।

*লেখক দেৱৰাজা ৰেড্ডী এম কমিটী ফৰ মেম্বাৰ্ছ ইন এণ্টাৰপ্ৰিনিউৰশ্বিপ এণ্ড পাব্লিক ছাৰ্ভিছেজৰ অধ্যক্ষ।

(ছ) মূলধনী সামগ্ৰীৰ কৰ আৰু ইনপুট য'ত সামগ্ৰী আৰু সেৱা উৎপাদনকাৰী সম্পৰ্কীয় কম নিৰিখৰ হ'ব, যাতে উদ্ভাৱনী বহন ব্যয় আৰু উৎপাদন মূল্য হ্ৰাস হয়।

(জ) এক প্ৰশাসনিক ব্যৱস্থাৰ অন্তৰ্গত সমগ্ৰ দেশতে উমৈহতীয়া আইন আৰু ব্যৱস্থাৱলী ৰূপায়ণ হ'ব।

(ঝ) জী এছ টী হ'ল চূড়ান্ত উপভোক্তাই সামগ্ৰী বা সেৱা গ্ৰহণ কৰা সময়ত লক্ষ্য ভিত্তিক কৰ আৰু এক স্থানত সংগ্ৰহ ব্যৱস্থা।

**জী এছ টীৰ লাভালাভ**

অৰ্থনীতিক শক্তিশালী কৰাৰ কাৰণে জী এছ টীয়ে এখন একক, একত্ৰিত ভাৰতীয় বজাৰ সৃষ্টি কৰিব। মুঠতে জী এছ টীয়ে দীৰ্ঘকালীন সময়ৰ বাবে চৰকাৰৰ লগতে উপভোক্তাকো লাভান্বিত কৰিব যাতে উভয়ৰ কাৰণে লাভজনক অৱস্থাৰ সৃষ্টি হয়। জী এছ টীৰ কেতবোৰ লাভ তলত দিয়া ধৰণৰে তালিকাভুক্ত কৰা হ'ল।

**(ক) কৰৰ বহুমুখী স্তৰৰ অৱসান**

ভাৰতবৰ্ষত জী এছ টী প্ৰচলনৰ ফলত কেন্দ্ৰীয় উৎপাদ শুল্ক, সেৱা কৰ, বিক্ৰী কৰ, মূল্য সংযোজিত কৰ আদিৰ দৰে প্ৰচলিত কৰ শ্ৰেণীক একত্ৰিত কৰিব। ইয়াৰ জৰিয়তে বৰ্তমান উৎপাদন আৰু সেৱা উভয়ৰ বাবে ধাৰ্য কৰা বহুমুখী কৰ পৰিহাৰ কৰিব পৰা যাব। উদাহৰণ স্বৰূপেঃ এখন ৰেস্তোৰাঁত আমি সেৱা গ্ৰহণ কৰাৰ বিনিময়ত সেৱা কৰ আৰু মূল্য সংযোজিত কৰ দুয়োটা দি প্ৰায় মুঠ পৰিমাণৰ ১৪০ শতাংশ কৰযোগ্য পৰিমাণ হৈ পৰে (১০০ শতাংশ মূল্যৰ ওপৰত ভেট আৰু ৪০ শতাংশ মূল্য কমাই সেৱা কৰ)

**(খ) কেইবা স্তৰীয় কৰ ব্যৱস্থাৰ সীমিতকৰণ**

জী এছ টী ব্যৱস্থাৰ সামগ্ৰী/সেৱাৰ বাবে উপভোক্তাই চূড়ান্ত কৰ পৰিশোধ কৰিব লাগিব কিন্তু কৰৰ কেইবা স্তৰীয় ব্যৱস্থাৰ পৰিৱৰ্তে একক ইনপুট টেক্স ক্ৰেডিট ব্যৱস্থা থাকিব। জী এছ টীয়ে প্ৰতিটো স্তৰতে কেৱল মূল্য সংযোজিত কৰিব যদিও বৰ্তমানৰ দৰে বহু ক্ষেত্ৰত কৰৰ ওপৰত কৰ আদায় দিবলগীয়া নহ'ব উদাহৰণ স্বৰূপে উৎপাদন শুল্কৰ ওপৰত ভেট।

**(গ) উমৈহতীয়া ৰাষ্ট্ৰীয় বজাৰৰ উন্নয়ন**

জী এছ টীয়ে ৰাজ্যবোৰৰ মাজত উমৈহতীয়া কৰ আইন প্ৰণয়ন কৰিব আৰু সমগ্ৰ দেশতে সামগ্ৰী আৰু সেৱাৰ যোগান বাধ্যবাধকতা মুক্তভাৱে কৰাৰ বাবে বিভিন্ন ক্ষেত্ৰৰ পৰোক্ষ কৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিব। এই ব্যৱস্থাই অৰ্থনৈতিক বিকৃতিৰ বিলুপ্তি ঘটাই ৰপ্তানিত উদগনি যোগাব আৰু উমৈহতীয়া ৰাষ্ট্ৰীয় বজাৰৰ উন্নয়ন সাধন কৰিব। ই নিশ্চিতভাৱে দেশৰ মুঠ ঘৰুৱা উৎপাদনত কৰ অনুপাত বৃদ্ধি কৰিব আৰু এইদৰে অৰ্থনৈতিক যোগ্যতাৰ উত্তৰণ ঘটোৱাত সহায় কৰিব তথা দীৰ্ঘকালিন আৰ্থিক উন্নতি বহুনক্ষম হ'ব।

**(ঘ) স্বেচ্ছামূলক ঘোষণা বৃদ্ধি**

জী এছ টী ব্যৱস্থাৰ অধীনত পদ্ধতিবোৰ সৰল আৰু কম ভুল হোৱাৰ ব্যৱস্থা থাকিব। যিহেতু সকলো তথ্য উমৈহতীয়া জী এছ টী নেটৱৰ্কৰ জৰিয়তে গতি কৰিব সেয়ে ই কৰ আদায় আৰু ঘোষণা নিয়মীয়া কৰিব আৰু ভুল হোৱাৰ সম্ভাৱনা কম থাকিব। ই কেৱল কৰ আদায়ৰ ক্ষেত্ৰতহে হ'ব, উপভোক্তাই ইনপুটত কৰ আদায়ৰ জমা লাভ কৰিব। ইয়াৰ জৰিয়তে মূল্য আৰোপণৰ এটা স্বয়ংক্ৰিয় গাণনিক ব্যৱস্থা সৃষ্টি হ'ব আৰু উৎপাদন শৃংখলত সামগ্ৰিক আয় হ'ব আৰু একীভূত কৰ সম্ভাৱনীয়তা গ্ৰহণ যোগ্য হ'ব। অৰ্থাৎ জী এছ টী আৰ্হিয়ে বৰ্তমান বিভক্তভাৱে প্ৰদান কৰা পৰোক্ষ কৰ আঁতৰাব।

**(ঙ) কৰ প্ৰদানৰ আইনী প্ৰক্ৰিয়া হ্ৰাস পাব**

জী এছ টীৰ অধীনত কৰ প্ৰদানৰ আইনী প্ৰক্ৰিয়া হ্ৰাস পাব কাৰণ বৰ্তমানৰ অৱস্থাত কেতবোৰ ক্ষেত্ৰ যেনে ছফ্‌টৱেৰ সামগ্ৰী ব্যৱস্থাৰ অধিকাৰ আদিৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্যৰ আইনী সীমাৰেখা অপ্ৰয়োজনীয়ভাৱে বাহাল আছিল। জী এছ টীৰ চৰকাৰী ব্যৱস্থাত বিভিন্ন কৰ আইনৰ বহুমুখী মান নিৰ্দ্ধাৰণৰ পৰিৱৰ্তে এখন একক কৰ আইন প্ৰয়োজন হ'ব যি প্ৰচলিত ব্যৱস্থাৰ সৰলতা আনিব।

**(চ) চৰকাৰৰদ্বাৰা দক্ষ প্ৰশাসন**

সম্প্ৰতি কৰৰ বহুমুখী ব্যৱস্থা আৰু ইয়াৰ ফলত হোৱা বহুস্তৰীয় প্ৰভাৱ, সমন্বিত ব্যৱস্থাৰ দুৰ্বলতাৰ বাবে পৰোক্ষ কৰৰ প্ৰশাসন চৰকাৰৰ বাবে এক বৃহৎ কাম হৈ পৰে যি ঘোষণা আৰু প্ৰশাসনিক ব্যয়ত অৰিহণা যোগায়। জী এছ টী ব্যৱস্থাৰ অধীনত একীভূত কৰ কৰ নিৰিখ সৰল ইনপুট টেক্স ক্ৰেডিট ব্যৱস্থা আৰু সমন্বিত জী এছ টী নেটৱৰ্কৰ বাবে তথ্যবোৰ সহজলভ্য আৰু সম্পদৰ প্ৰশাসন ব্যৱস্থা চৰকাৰৰ বাবে সহজ আৰু দক্ষ হৈ পৰে। যিহেতু ইয়াৰ জৰিয়তে একক কৰ ব্যৱস্থা থাকিব, সেয়ে ই ভুল আৰু আইনী ব্যৱস্থাৰ মাত্ৰা হ্ৰাস কৰিব। ফলত প্ৰশাসনিক ব্যয়ো হ্ৰাস কৰিব।

**জী এছ টীৰ অধীনত প্ৰত্যাহ্বান**

সমগ্ৰ দেশৰ ব্যৱসায়, উৎপাদন-কাৰী, ব্যৱসায়ী আৰু সেৱা প্ৰদানকাৰীক

একক কৰ ব্যৱস্থাৰ অধীনলৈ অনাৰ বাবে সামগ্ৰী আৰু সেৱা কৰক 'সম্ভাব্য খেল পৰিৱৰ্তনকাৰী' হিচাপে কোৱা হয়। এই ব্যৱস্থাৰ অধীনত পূৰ্বৰ নিৰ্দিষ্ট কৰা ব্যৱস্থাৰ সৈতে কাম কৰিবলগীয়া নহয়।

'এক ৰাষ্ট্ৰ, এক বজাৰ, এক কৰ' ধাৰণাৰে স্বাধীনতাৰ ৭০ বছৰত চৰকাৰে গ্ৰহণ কৰা এয়া এটা বৃহৎ কৰ সংস্কাৰ। সি যি কি নহওক, প্ৰতিটো নতুন বিধিয়ে কেতবোৰ প্ৰাথমিক সমস্যাৰ সৃষ্টি কৰে

প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা কেতবোৰ সমস্যা হ'ল—

**তথ্য প্ৰযুক্তিগত প্ৰস্তুতি আৰু আন্তঃগাঁথনি ঃ** জী এছ টী এখন তথ্য প্ৰযুক্তিগত আইন। এই আইনখন আঁকোৱালি ল'ব পৰাকৈ ভাৰতবৰ্ষৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলবোৰত বৰ্তমান আন্তঃগাঁথনি আৰু প্ৰয়োজনীয় মানৱ শক্তি আছে নে নাই সেয়া নিশ্চিতকৈ ক'ব নোৱাৰি। কেইখনমান ৰাজ্য যেনেঃ কৰ্ণাটক, মহাৰাষ্ট্ৰ আৰু গুজৰাট যি কেইখন ই প্ৰশাসন আৰ্হিতো আগৰণুৱা, সেই কেইখনক বাদ দি আন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলবোৰ এই দিশত আগুৱাই যাব পৰা নাই। কেতবোৰ ৰাজ্যত আজিও ভেট পৰিশোধৰ নিৰ্দেশনা সম্বলিত গ্ৰন্থৰ মতেই চলি আছে।

**বিষয়াসকলৰ প্ৰশিক্ষণ ঃ** কোনো নতুন আইনত পুৰণি আইনৰ লগতে নতুন বিশ্বাসৰ ধাৰণা গ্ৰহণ কৰা প্ৰয়োজন। পূৰণি আইনৰ অজ্ঞতা আৰু জী এছ টী ব্যৱস্থাসমূহৰ বিষয়ে জ্ঞান আহৰণ অলংঘনীয়। ভেট, সেৱা কৰ, উৎপাদন বা সীমা শুল্ক যিহতে নহওক, সকলো কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিষয়াসকলে জী এছ টী ব্যৱস্থাৱলী আৰু সম্ভাব্য প্ৰণয়ন তথা কৰৰ বৰ্তমানৰ সম্পূৰ্ণ ব্যৱস্থাৱলী সম্পৰ্কে অৱগত হোৱা প্ৰয়োজন।

তদুপৰি ক'ব পাৰি যে জী এছ টী আইন তথ্য প্ৰযুক্তিৰ লগত বিশেষভাৱে জড়িত সেয়ে এই আইনৰ উপযুক্ত ব্যৱহাৰ আৰু ৰূপায়ণৰ বাবে বিভাগীয় বিষয়া-সকলক উপযুক্ত প্ৰশিক্ষন প্ৰদান কৰা প্ৰয়োজন।

**নতুন পঞ্জীয়ক ঃ** জী এছ টীয়ে বিভিন্ন স্তৰত বহুতো নতুন পঞ্জীয়ক আনিব। জী এছ টীৰ সামৰ্থ্যৰ পৰিসৰ বৃহৎ হোৱা হেতুকে ৰেহাইৰ লগতে কৰ যোগ্য বিষয়বোৰ পঞ্জীয়নযোগ্য হ'ব। বৰ্তমানৰ পঞ্জীকৃত বিষয়বোৰ পৰিৱৰ্তন আৰু নতুন বিষয়ৰ পঞ্জীয়ন আৰু প্ৰব্ৰজন বিষয়বোৰ সমাধান এটা বৃহৎ প্ৰত্যাহ্বান।

**পৰিৱৰ্তনযোগ্য বিষয়বোৰ ঃ** জী এছ টীলৈ পৰিৱৰ্তনৰ অংশ হিচাপে বহুতো ক্ষেত্ৰৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়োজনীয়তা আছে। এই ক্ষেত্ৰত পঞ্জীয়নৰ ব্যৱস্থা, জমা আগুৱাই নিয়া আৰু নতুন জমা গ্ৰহণ, জমা হৈ থকা পৰিশোধেয়/ৰেহাই দাবী, চুক্তিৰ পুনৰীক্ষণ, অসম্পূৰ্ণ বিনিময়ৰ কাৰণে কৰযোগ্য বিষয়ৰ পৰিৱৰ্তন, জমা হৈ থকা নিৰীক্ষণ কামৰ বিনিময়, হাতত থকা জমাৰ ব্যৱস্থা, ৰিটাৰ্ণ দাখিল আদি দিশবোৰ মন কৰিবলগীয়া। জী এছ টীৰ সফলতাৰ বাবে এই দিশবোৰৰ সাৱলীল বিনিময় কৰা প্ৰয়োজন। বিনিময় বিধি স্থানত ৰখাৰ উপৰি এই ক্ষেত্ৰত কিছু দাবী কৰিবলগীয়া ব্যৱস্থা থকা প্ৰয়োজন। এনে ধৰণে উদ্ভৱ হোৱা বিভিন্ন প্ৰয়োজনীয় বিষয় সম্পূৰ্ণৰূপে সমাধান কৰাটো অনুশীলনকাৰী আৰু উপদেষ্টাসকলৰ দায়িত্ব।

**নিষ্পত্তি নোহোৱা গোচৰ/ অতীতৰ বিবাদ ঃ** বৰ্তমানৰ পৰোক্ষ কৰ আইন (কেন্দ্ৰ আৰু ৰাজ্য উভয়ৰে)ৰ ক্ষেত্ৰত বহুতো বিবদমান বিষয় নিষ্পত্তি নোহোৱাকৈ আছে আৰু এইবোৰৰ বিভিন্ন পৰ্যায় যেনেঃ বিচাৰাধীন আৰু আপীলাধীন অৱস্থাতে আছে। বিচাৰাধীন/আপীলাধীন প্ৰাধিকাৰীসকল, ন্যায়ালয় আৰু ন্যায়াধিকৰণ এই নিষ্পত্তিবিহীন গোচৰবোৰৰ ক্ষেত্ৰত বোজা স্বৰূপ হৈ আছে। যিহেতু বৰ্তমান জী এছ টী ৰূপায়ণ হ'ল, তেনে ক্ষেত্ৰত চৰকাৰে এই বিবাদবোৰ নিষ্পত্তি কৰাৰ পথ বাছি উলিয়াব লাগিব। এই ক্ষেত্ৰত সহায়ক হোৱাকৈ 'কৰ বিবাদ সমাধান'ৰ আৰ্হিত বিবাদ মীমাংসা আঁচনি এখন অতি প্ৰয়োজন হৈ পৰিছে যি আঁচনিয়ে পূৰ্বৰ আইনৰ অধীনত মীমাংসা হ'বলৈ বাকী থকা সকলো বিবাদ নিষ্পত্তি কৰিব। যদি পূৰ্বৰ বিবাদৰ ধাৰাবাহিকতা ৰক্ষাত অনুমতি প্ৰদান কৰা হয়, তেন্তে বিচাৰাধীন/আপীলকৰণ প্ৰাধিকাৰী আৰু ন্যায়ালয়/ন্যায়াধিকৰণবোৰে পুৰণি গোচৰবোৰৰ কাৰণে পূৰ্ব প্ৰস্তুত থাকিব আৰু জী এছ টীৰ অধীনত উদ্ভৱ হোৱা কোনো বিষয় / বিবাদ সমাধান কৰাৰ বাবে সময় নাপাব।

**কৰ প্ৰশাসন** (পক্ষাৱলম্বন/ একত্ৰীভৱন) ঃ কেন্দ্ৰ আৰু ৰাজ্য উভয় স্তৰৰ বিষয়াই জী এছ টী গাঁথনিত একেখন মঞ্চৰ তলতে কাম কৰিব লাগিব আৰু তেওঁলোকৰ বিৰোধবোৰ পৰিহাৰ কৰি পুৰণি আমোলৰ পক্ষাৱলম্বন ব্যৱস্থা পৰিহাৰ কৰিব লাগিব। এই ক্ষেত্ৰত কেডাৰ ভিত্তিক ব্যৱধানৰ প্ৰশ্ন উদয় হ'ব পাৰে, কিয়নো বৰ্তমান কেন্দ্ৰীয় উৎপাদন আৰু সেৱা কৰ বিভাগটোৰ মুৰব্বী ভাৰতীয় ৰাজহ সেৱাৰ বিষয়া, আনহাতে ৰাজ্যিক ব্যৱসায়িক বিভাগ আৰু আয়ুক্ত-গৰাকী ভাৰতীয় প্ৰশাসনিক সেৱা (আই এ এছ) বিষয়া আৰু তেওঁৰ সহযোগীসকল

ৰাজ্যিক প্ৰশাসনিক সেৱাৰ। কেন্দ্ৰীয় উৎপাদন আৰু সেৱা কৰত প্ৰধান মুখ্য আয়ুক্ত বা আয়ুক্ত আৰু মুখ্য আয়ুক্ত বা আয়ুক্ত আদি পদ আছে। এই পাৰ্থক্যবোৰ জী এছ টী ব্যৱস্থাত কিদৰে মীমাংসা কৰা হয় সেয়া লক্ষণীয় হ'ব।

**ক্ষুদ্ৰ উদ্যোগৰ ওপৰত প্ৰভাৱ ঃ** ক্ষুদ্ৰ উদ্যোগৰ ওপৰত জী এছ টীৰ প্ৰভাৱৰ বিষয়টো প্ৰায়ে আলোচ্য বিষয় হৈ পৰে। জী এছ টী ব্যৱস্থাত ক্ষুদ্ৰ প্ৰতিষ্ঠানবোৰৰ তিনিটা স্তৰ আছে।

যিবোৰৰ ব্যৱসায় ২০ লাখ টকা (কিছুমান নিৰ্দিষ্ট ক্ষেত্ৰত ১০ লাখ টকা)ৰ সীমাৰ ভিতৰত তেওঁলোকে জী এছ টীৰ অধীনত পঞ্জীয়ন কৰাৰ প্ৰয়োজন নাই। ব্যৱহাৰিকভাৱে তেওঁলোকে কেৱল উপভোক্তা ব্যৱসায়ী/উৎপাদনকাৰী/ খাদ্য সেৱা প্ৰদানকাৰীৰ ব্যৱসায় কৰিব পাৰিব।

যি সকলৰ সীমাৰপৰা গাঁথনিগত উপাৰ্জন ৭৫ লাখ— তেওঁলোকে উৎপাদনকাৰী হ'লে ২.৫ শতাংশ আৰু ব্যৱসায়ী হ'লে ১ শতাংশ আদায় দিব লাগিব। বি ২ বি ব্যৱসায় কৰা সকলো ক্ষুদ্ৰ প্ৰতিষ্ঠানে ইনপুট টেক্স ক্ৰেডিট লাভ নকৰিলেও টাৰ্ণঅ'ভাৰ টেক্স অপশ্বন বিচাৰিব পাৰে। ব্যৱহাৰিকভাৱে তেওঁলোকে কেৱল উপভোক্তা সামগ্ৰী ব্যৱসায়ী/উৎপাদনকাৰী/খাদ্য সেৱা প্ৰদানকাৰী হিচাপে ব্যৱসায় কৰি যাব পাৰিব।

তৃতীয় শ্ৰেণীৰ ক্ষুদ্ৰ এণ্টাৰপ্ৰাইজ যাৰ বাৰ্ষিক উপাৰ্জন সীমাৰ ঊৰ্দ্ধত তেওঁলোকে জী এছ টী আওতাত সোমোৱাৰ প্ৰয়োজন।

**অন্যান্য বিষয়বোৰ ঃ**

- জী এছ টী আইন পুংখানুপুংখৰূপে অধ্যয়ন কৰি ক'ব পাৰি যে ই এটা ব্যৱসায়ৰ সম্ভাৱনীয়তা বৃদ্ধি কৰে।
- জী এছ টীৰ অধীনত বিষয়ৰ নিৰীক্ষণ আৰু ইনপুট ক্ৰেডিটৰ পৰিমাণ জী এছ টীৰ অধীনত সুলভ।
- কোনো সামগ্ৰী অধিক মূল্য বা নিম্ন মূল্যৰ নকৰাকৈ নতুন জী এছ টী নিৰিখ গাঁথনিয়ে প্ৰতিযোগিতাৰ মান নিৰূপণ আৰু উৎপাদিত সামগ্ৰীৰ চাহিদা নিৰ্ণয় কৰিব।
- প্ৰতিষ্ঠানে পদ্ধতিৰ প্ৰস্তুতি/এছ অ'পি অনুসৰণ কৰিব লাগিব।
- পঞ্জীকৃত তাৰিখলৈকে ৰেকৰ্ডবোৰ আপডে'ট কৰিব লাগিব আৰু নতুন আইনৰ ক্ষেত্ৰত প্ৰয়োজনীয় সভাৰ কাৰণে ৰেকৰ্ডবোৰ তথা প্ৰয়োজনীয় সংশোধন/সংযোজন/বিলুপ্তিকৰণ কৰিব লাগিব।

**বিনিময় প্ৰয়োজনীয়তা**

- ব্যৱসায়ৰ বিতং তথ্য শুদ্ধভাৱে প্ৰতিফলিত হোৱাকৈ ৰিটাৰ্ণ দাখিল। উদাহৰণ স্বৰূপে কেনভেট (CENVAT) জমাই ৩০ জুন ২০১৭ত সমাপ্ত হোৱা কালছোৱাৰ ৰিটাৰ্ণ প্ৰতিফলিত কৰিব। আৰু সেয়া পঞ্জীকৃত তাৰিখৰ পাছলৈ কঢ়িয়াবলৈ অনুমতি দিব।
- বস্তুৰ সম্পূৰ্ণ তালিকা পৰীক্ষা কৰা আৰু সঠিক তথ্য লিপিৱদ্ধকৰণ।
- জী এছ টী প্ৰয়োজনীয়তা পূৰণৰ কাৰণে তথ্য প্ৰযুক্তিৰ উন্নয়নৰপৰা সমৰ্থনলৈ।
- জী এছ টীৰ পৰৱৰ্তী পৰ্যায়ৰ প্ৰণয়নৰ কাৰণে প্ৰয়োজনীয় এম আই এছ প্ৰতিবেদন ব্যাখ্যা।
- অন্যান্য আইনৰ প্ৰভাৱ ব্যাখ্যা আৰু সীমা শুল্ক আৰু এফ টী পীৰ সৈতে সমন্বয়।

ওপৰোক্ত প্ৰত্যাহ্বান আৰু আলোচিত বৃহৎ সমস্যাবোৰৰ পাছতো এটা কথা ক'বই লাগিব যে জী এছ টীয়ে কৰ সংগ্ৰহ ব্যৱস্থাত এটা স্বচ্ছতা আনি দিছে। ই ইমান দিনে প্ৰদান কৰি অহা গোপন আৰু দৃঢ়ভাৱে সংলগ্ন কৰৰ অন্ত পেলাইছে। জী এছ টীয়ে সমগ্ৰ দেশতে সামগ্ৰী আৰু সেৱাৰ মুক্ত বিচৰণৰ সুযোগ প্ৰদান কৰিব বুলি আশা কৰা হৈছে আৰু সেয়ে ভাৰতবৰ্ষৰ মুঠ ঘৰুৱা উপাৰ্জন ১ৰ পৰা ১.৮ শতাংশলৈ বৃদ্ধিৰ আশা কৰা হৈছে। পৰৱৰ্তীভাৱে কৰৰ বহুমুখী ব্যৱস্থা কৰাৰ ফলত বিদেশী বিনিয়োগকাৰীৰ দৃঢ়তা বৃদ্ধিত এটা প্ৰত্যয়ৰ সৃষ্টি কৰিব। সেয়ে ই দেশত প্ৰত্যক্ষ বিদেশী বিনিয়োগত এটা নতুন গতি আনিছে।

সংস্কাৰ ইয়াতে অন্ত নপৰে। কিন্তু এই ক্ষেত্ৰত প্ৰথম খোজ সফলতাৰে অতিক্ৰম কৰিব লাগিব। অধিক সংস্কাৰ অনুসৰণ কৰি আমি ভাৰতীয় অৰ্থনীতিৰ উন্নয়ন আশা কৰিব পাৰো যাতে নতুন শিখৰত আৰোহণ কৰে। ❐

# সামগ্ৰী আৰু সেৱা কৰ ঃ উপভোক্তাৰ বাবে কিমান প্ৰাসংগিক

**সূৰয জয়ছোৱাল***

দিওঁতা আৰু আদায় দিয়া প্ৰক্ৰিয়াৰ ওপৰত ভিত্তি কৰি কৰসমূহক দুভাগত বিভক্ত কৰা হয়। প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ। সাধৰণতে আয় উপাৰ্জন, লাভ বা সম্পদৰ ওপৰত শুল্কযোগ্য কৰ নিৰ্দ্ধাৰণ কৰা হয় আৰু সেইফালৰপৰা আয়-কৰ, নিগম নিকায়ৰ কৰ, বিত্তীয় কৰ আৰু সম্পত্তি কৰক প্ৰত্যক্ষ কৰ বুলি কোৱা হয়। ইয়াৰ বিপৰীতে ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত হোৱা আদান- প্ৰদানৰ ক্ষেত্ৰত সামগ্ৰী আৰু সেৱাৰ ওপৰত ভিত্তি কৰি নিৰ্দ্ধাৰণ কৰা কৰক কোৱা হয় পৰোক্ষ কৰ। যি সি কি নহওক, বহু ক্ষেত্ৰত বিক্ৰেতাই এই কৰৰ অংশটো অৰ্থাৎ কৰৰ দায়ভাগ ক্ৰেতালৈকেই ঠেলি দিবলৈ বিচাৰে। পৰোক্ষ কৰৰ কেইটামান উদাহৰণ তুলি ধৰা হ'ল। বিদেশৰপৰা আমদানিকৃত সামগ্ৰীৰ ওপৰত সীমাশুল্ক বাণিজ্যক প্ৰতিষ্ঠানৰ-দ্বাৰা আগবঢ়োৱা সেৱাকৰ, সামগ্ৰী প্ৰস্তুত কৰণৰ ক্ষেত্ৰত থকা আৰকাৰী শুল্ক, সামগ্ৰীৰ ওপৰত থকা বিক্ৰী-কৰ ইত্যাদি। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহে বলৰৎ কৰা প্ৰায় আটাইবোৰ পৰোক্ষ কৰ এতিয়া সামগ্ৰী আৰু সেৱা (Goods and Service Tax) কৰে পুনঃপ্ৰতিষ্ঠা কৰিব। অৰ্থাৎ এতিয়াৰপৰা পূৰ্বৰ পৰোক্ষ কৰৰ ঠাই লব সামগ্ৰী আৰু সেৱা কৰে।

যোৱা এক জুলাইৰপৰা দেশত প্ৰযোজ্য হোৱা সামগ্ৰী আৰু সেৱা-কৰ (GST)ৰ দুটা প্ৰধান বৈশিষ্ট্য হ'ল— প্ৰতিটো সামগ্ৰী আৰু সেৱা-কৰ গোটেই দেশব্যাপী একে হ'ব। অৰ্থাৎ আটাইবোৰ ৰাজ্যতে সামগ্ৰী/সেৱা-কৰ এটাই হ'ব. যি কি নহওক, এই ক্ষেত্ৰত উল্লেখযোগ্য বিষয়টো হ'ল পেট্ৰ'লিয়াম, সুৰা আৰু ৰিয়েল ইষ্টেট বা ভূ-সম্পত্তিক জী এছ টীৰ পৰিধিৰ বাহিৰত ৰখা হৈছে আৰু সেইকেইটা খণ্ড পূৰ্বৰ কৰ গাঁথনিৰ পৰিধিতেই থাকিব। সীমা-শুল্ক থাকিব। কিন্তু জী এছ টীত অন্তৰ্ভুক্ত হ'ব। আনহাতে নগৰপালিকা আৰু গাঁও পঞ্চায়তৰ দৰে স্থানীয় নিকায়ৰদ্বাৰা আৰোপিত কৰকো সামগ্ৰী আৰু সেৱাকৰৰ বাহিৰত ৰখা হৈছে। এই ধৰণৰ কেইটামান ক্ষেত্ৰক বাদ দি ভাৰতত পূৰ্বতে বাহাল থকা সকলো পৰোক্ষ কৰৰ ঠাই ল'ব এতিয়াৰপৰা জী এছ টীয়ে। জী এছ টীৰ শ্ৰেণীভুক্ত হোৱা পৰোক্ষ কৰৰ কেইটামান গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হ'ল— আৰকাৰী শুল্ক। সেৱা-কৰ, বিশেষ অতিৰিক্ত সীমা-শুল্ক ৰাজ্য চৰকাসমূহৰদ্বাৰা নিৰ্দ্ধাৰিত যথোচিত মূল্য সংযোজিত কৰ (Value Added Tax-Vat) প্ৰমোদ কৰ, প্ৰৱেশ কৰ, বিলাস কৰ।

জী এছ টীৰদ্বাৰা প্ৰভাৱিত হ'বলগীয়া তিনি বিশেষ পক্ষ হ'ল— উপভোক্তা, চৰকাৰ আৰু ব্যৱসায়। কিদৰে পূৰ্বৰ কৰ গাঁথনিসমূহতকৈ জী এছ টী পৃথক আৰু ফলত উপভোক্তা কিদৰে প্ৰভাৱিত হ'ব এই নিবন্ধত তাৰে আভাস দিবলৈ চেষ্টা কৰা হৈছে।

**পূৰ্বৰ কৰ ব্যৱস্থাতকৈ জী এছ টী কিহত পৃথক ঃ**

এজন উপভোক্তাই তেওঁৰ প্ৰয়োজনীয় সামগ্ৰী সেৱা আহৰণ কৰাৰ পূৰ্বে উৎপাদন আৰু যোগান শৃংখলৰ কেইবাটাও পৰ্যায় অতিক্ৰম কৰিবলগীয়া হয়। এই ক্ষেত্ৰত কেতিয়াবা ৰাজ্য চৰকাৰৰদ্বাৰা আৰু কেতিয়াবা কেন্দ্ৰ চৰকাৰৰদ্বাৰা পৃথক পৃথক পৰ্যায়ত আৰোপিত অথবা নিৰ্দ্ধাৰিত হয় পৃথক পৃথক পৰোক্ষ কৰ।

উদাহৰণ স্বৰূপে— ভাৰতত এটা টীভী ছেট নিৰ্মাণ কৰি উঠি কাৰখানাৰ পৰা উলিয়াই আনিবৰ পৰত কাৰখানাক আৰকাৰী শুল্ক দিবলগীয়া হয়, ইয়াৰ পিছৰ পৰ্যায়ত যদিহে টীভীত কিবা আমদানিকৃত যন্ত্ৰাংশ লগাবলগীয় হয় তেতিয়াহলে আকৌ সীমাশুল্ক দিবলগীয়া হয়। তাৰ পাছত হ'লছেলাৰ অথবা পাইকাৰী দোকানলৈ লৈ যোৱাৰ পৰত বিক্ৰী কৰ আৰু অৱশেষত খুচুৰা বিক্ৰেতাৰ ওচৰ পোৱাৰ বাবে মূল্য সংযোজিত কৰ অথবা Value Added Tax। তাৰ পাছত আকৌ আন্তঃৰাজ্যিক ক্ৰয়-বিক্ৰয়ৰ বাবদ কেন্দ্ৰীয় বিক্ৰী-কৰ আদায় দিবলগাতো হয়েই, সেই কৰৰো আকৌ ৰাজ্যবিশেষে তাৰতম্য ঘটে। উদাহৰণ স্বৰূপে জী এছ টীৰ পূৰ্বে মহাৰাষ্ট্ৰত আদায় দিবলগীয়া

*লেখক সূৰয জয়ছোৱাল নতুন দিল্লীৰ ছেণ্টাৰ ফৰ বাজেট এণ্ড গৰ্ভনেন্স একাউণ্টেবিলিটিৰ সৈতে জড়িত।


হোৱা মূল্য সংযোজিত কৰ (Vat) ১২.৫% গুজৰাটত আছিল ১৫%। বহু সময়ত আকৌ কিছুমান সামগ্ৰী তথা সেৱাৰ ক্ষেত্ৰত কেতিয়াবা প্ৰসাৰণ আৰু কেতিয়াবা নিৰুৎসাহ কৰিবলৈকে বিলাস কৰৰ দৰে কিছুমান কৰ ধাৰ্য কৰা হয়। এই ধৰণৰ বহু পৰ্যায় ভিত্তিক কৰ আৰু জটিল ব্যৱস্থাই দুটা সমস্যাৰ সৃষ্টি কৰে। প্ৰথমটো হ'ল লিখিত ব্যৱস্থাই কৰদাতা-সকলৰ কৰ আদায়ৰ বাবে থকা বাধকতা কঠিন কৰি তোলাৰ লগতে কৰফাকিৰ প্ৰৱণতা বৃদ্ধি কৰে। দ্বিতীয়তে প্ৰতিটো নতুন কৰেই যিহেতু আগতে কৰৰ সৈতে থকা মূল দামৰ ওপৰত ভিত্তি কৰি নিৰ্দ্ধাৰণ কৰা হয় সি প্ৰধানকৈ আগতে থকা কৰ গাঁথনিকে প্ৰভাৱিত কৰে। তেতিয়া ঘাইকৈ সেই কৰৰ বোজাটো অধিক ব্যাপক হৈ পৰে। এই বিষয়টোৰ অধিক সৰলীকৰণৰ বাবে তলত এখন চিত্ৰ দাঙি ধৰা হ'ল—

এই নতুন জী এছ টী ব্যৱস্থাত এটা বিশেষ সামগ্ৰী/সেৱা-কৰৰ হাৰ এটাই আৰু সেইটো ৰাজ্যবিশেষে সকলোতে একে। তদুপৰি সামগ্ৰীৰ প্ৰস্তুতকৰ্তা/বিক্ৰেতা/ব্যৱসায়ী আটাইবোৰেই 'মূলধনী কৰ ঋণ' (Input Tax Credit-ITC) আঁচনিৰ সুফল লাভ কৰে। এই সন্দৰ্ভতো পূৰ্বৰ চিত্ৰৰ সহায় লোৱা হৈছে। 'খ' ই 'ক' ৰপৰা ১১০ টকা মূল্যত সামগ্ৰী এটা ক্ৰয় কৰোঁতে তাত ১০ টকা মূল্যৰ কৰ সংযোজিত হৈ থাকে। 'ক' ই এতিয়া এই কৰ ক্ৰেতাৰ তথ্য সমন্বিতে চৰকাৰক জমা দিওঁতে (এই ক্ষেত্ৰই 'খ') 'খ' ই ১০ টকাৰ 'টেক্স ইনপুট ক্ৰেডিট' লাভ কৰিব। চূড়ান্ত পৰ্যায়ত 'খ' ই যেতিয়া সামগ্ৰীবিধ 'গ'ক ১৩০ টকাত বিক্ৰী কৰিব, তেতিয়া 'খ' ই চৰকাৰক ১৩০ টকা কৰ হিচাবে দিব লাগিব (এতিয়া জী এছ টীৰ অন্তৰ্গত সেৱা ১০%)। সি যি কি নহওক, 'খ' ই যিহেতু ইতিমধ্যেই ১০ টকাৰ কৰ জমা (Tax

প্ৰভাৱ পেলায়। প্ৰথমতে পোনপটীয়া আৰু প্ৰভাৱটো হ'ল প্ৰতিটো সামগ্ৰী/সেৱাৰ ওপৰত নতুন কাৰ্যকৰী কৰৰ হাৰ। এইখিনিতেই ওলাই পৰে জী এছ টী বলৱৎ হোৱাৰ পূৰ্বৰ সময়তকৈ জী এছ টী বলৱৎ হোৱাৰ পিছৰ কৰৰ গাঁথনিৰ মাজত থকা তাৰতম্য। সেই দৰে সামগ্ৰীৰ দাম বঢ়া বা টুটা। দ্বিতীয়তে, জী এছ টীৰ পৰোক্ষ প্ৰভাৱ পৰিলক্ষিত হ'ব সামগ্ৰীৰ উৎপাদন আৰু যোগানৰ শৃংখল ব্যৱস্থা মধ্যমীয়াৰপৰা দীৰ্ঘম্যাদী প্ৰক্ৰিয়াৰ মাজেৰে লেনদেন সম্পূৰ্ণ হোৱাৰ পিছতহে। এই দুই সম্ভাৱনাপূৰ্ণ প্ৰক্ৰিয়া সন্দৰ্ভত এতিয়া বিশদকৈ আলোচনা কৰা যাওক।

জী এছ টীৰ অন্তৰ্গত প্ৰতিটো সামগ্ৰী আৰু সেৱাই চাৰিটা অনুমোদিত কৰৰ হাৰৰ এটা হ'লেও চৰ্তাধীন থাকিব লাগিব। সেইমতে এই চাৰিটা কৰৰ হাৰ হ'ল ৫%, ১২%, ১৮% আৰু ২৮%

চিত্ৰ-১




উক্ত চিত্ৰত 'ক' এজন পাইকাৰী বিক্ৰেতা 'খ' এজন খুচুৰা বিক্ৰেতা আৰু 'গ' এজন গ্ৰাহক। গই যেতিয়া এটা বস্তু কিনি ১৩০ টকাত ২০% কৰ দিবলগীয়া হয় বিক্ৰী-কৰ হিচাপত তেতিয়া তেওঁৰ সেই কৰৰ লগত 'খ' ই 'ক' ৰ পৰা কিনোতে ভৰিবলগীয়া হোৱা কৰো সংযোজিত হৈ থাকে। সেয়ে 'গ' ই সামগ্ৰীবিধৰ আচল দামৰ লগত (১০০.০০+২০.০০) 'খ'ৰ কৰো আদায় দিলে। এইদৰেই চূড়ান্ত পৰ্যায়ত উপভোক্তা এজনে সামগ্ৰী একোবিধৰ বৰ্দ্ধিত কৰ ভৰিবলগীয়া হয়।

Credit) দিছেই, তেওঁ এতিয়া মাত্ৰ ৩ টকাহে অতিৰিক্ত হিচাপত ভৰিব লাগিব। এইদৰে জী এছ টীয়ে দেশৰ আটাইবোৰ ৰাজ্যত পৰোক্ষ কৰ ব্যৱস্থা একক আৰু সহজ কৰি তুলিছে। লগতে 'ইনপুট টেক্স ক্ৰেডিট' ব্যৱস্থাই সামগ্ৰিক কৰৰ বোজা কমোৱাৰ লগতে ব্যৱসায়ৰ সামগ্ৰিক ব্যয়ো লাঘৱ কৰিছে।

**জী এছ টীৰ সম্ভাব্য লাভ/গ্ৰাহকৰ ওপৰত পাৰ্শ্বক্ৰিয়া**

উপভোক্তা বা গ্ৰাহকৰ ওপৰত জী এছ টীয়ে দুই পৃথক পৃথক ধৰণেৰে

অথবা কৰৰ হাৰ ০% হ'লে সেই সামগ্ৰী/সেৱাক কৰ ব্যৱস্থাৰপৰা বাদ দিয়া হ'ব। সামগ্ৰী/সেৱা একো কাৰ্যকৰী কৰৰ হাৰৰ জী এছ টীৰ পূৰ্বৰ কৰৰ হাৰৰ সৈতে তুলনা কৰিলেই তাৰতম্য পৰিলক্ষিত হ'ব। উদাহৰণ স্বৰূপে 'x' সামগ্ৰীবিধ উৎপাদন কৰি গ্ৰাহকৰ ওচৰত বিক্ৰী কৰা হয়। এই ক্ষেত্ৰত পূৰ্বৰ ব্যৱস্থাত বিক্ৰীৰ বাবে চূড়ান্ত পৰ্যায়ত আছিল আৰকাৰী শুল্ক, ৰাজ্যিক মূল্য সংযোজিত কৰ (Vat), প্ৰৱেশ কৰ ইত্যাদি বিভিন্ন কৰ। এই গোটেই কৰসমূহৰ সামূহিক শতাংশ হ'ল ১৫%।

যদি জী এছ টী বলৱৎ হোৱাৰ পূৰ্বে সেই সামগ্ৰীবিধ ১৮% কৰ গাঁথনিৰ পৰ্যায়ত আছিল সি মহাৰ্ঘ্য বা দামী আছিল। সি যি নহওক, সামগ্ৰীবিধ ১২% বা ৫% গাঁথনিলৈ আহাৰ ফলত তাৰ দাম বা মূল্য এতিয়া কমি যাব। উল্লেখনীয় কথা এইটোৱেই যে জী এছ টী বলৱৎ হোৱাৰ পূৰ্বে ৰাজ্যসমসূহৰ সামগ্ৰী আৰু সেৱাৰ কৰ গাঁথনিৰ মাজত তাৰতম্য থকা হেতুকেই এখন ৰাজ্যত যদি এবিধ সামগ্ৰী দামী আন এখন ৰাজ্যত আকৌ সেই একেবিধ সামগ্ৰীতেই দাম কম হৈছে।

জী এছ টীৰ অধীনত শিক্ষা আৰু স্বাস্থ্যসেৱাকে ধৰি কৃষিজাত আৰু বিভিন্ন মাহজাতীয় শস্য, ফলমূল, শাক-পাচলি আৰু গাখীৰ আদি বিভিন্ন খাদ্য সামগ্ৰীক জী এছ টীৰ ব্যৱস্থাপৰা ৰেহাই দিয়া হৈছে। এই ব্যৱস্থাই উপভোক্তা মূল্যসূচীৰ নিৰিখত এঘৰ গৃহস্থীৰ ঘৰৰ খৰচ ৪০% ৰপৰা ৪৫% লৈ সীমিত ৰখাত বৰঙণি যোগাব। আনহাতে কয়লা, চেনি, খোৱা-তেল, কফিৰ দৰে সামগ্ৰীয়ে সেই ব্যয় ৫% ত সীমিত ৰাখিব। সি যি কি নহওক, সেৱাৰ মাপৰ মানৰ হাৰ ১৮%ত নিৰ্দ্ধাৰিত হৈছে। যিটো জী এছ টী প্ৰৱৰ্তনৰ পূৰ্বৰ সময়তকৈ ১৪-১৫% বেছি। জী এছ টী পূৰ্বৰ সময়ত বহু সাংখ্যিক আৰু বহু তৰপীয়া কৰ ব্যৱস্থাৰ বাবে সামগ্ৰী/ সেৱা বিশেষৰ কাৰ্যকৰী কৰৰ সঠিক হিচাপ উলিওৱাটো বেছ কঠিন আছিল। কিছুসংখ্যক অৰ্থনীতিবিদে হিচাপ কৰি উলিওৱা মতে ৫০% সামগ্ৰীৰ মূল্যমান বহলভাৱে ক'বলৈ গলে একেই থাকিব, ৩০% ৰ দাম কমিব আৰু ২০% ৰ দাম প্ৰকৃততে বৃদ্ধি পাব।

আকৌ আন প্ৰকাৰে মূলধনী কৰ ঋণ (Input Tax Credit)ৰ জৰিয়তে কাৰ্যকৰী কৰৰ হাৰ সলনি হ'ব পাৰে। সেয়ে পূৰ্বেই এই নতুন প্ৰক্ৰিয়াৰ সামগ্ৰিকভাৱে কৰ বৃদ্ধিৰ হাৰ কমোৱাৰ ফলত সামগ্ৰী প্ৰস্তুতকৰ্তা আৰু বিক্ৰেতা-সকলৰ প্ৰস্তুতকৰণ আৰু বিক্ৰীৰ ব্যয় বহলাংশে কমি যাব আৰু ফলত শেষ পৰ্যায়ত গৈ উপভোক্তাই বহন কৰিব-লগা ব্যয়ো কমি যাব। যিসমূহ সংস্থা বা প্ৰতিষ্ঠানে তেওঁলোকক দেয় কৰ কমি যোৱাৰ ফলত হোৱা উপভোক্তাই পাবলগা লাভ পোৱা নাই, সেইসমূহ সংস্থা অথবা প্ৰতিষ্ঠানে উপভোক্তাক দিয়া নাই সেইসমূহক নিয়ন্ত্ৰণলৈ অনাৰ বাবে চৰকাৰে 'জী এছ টী বিল'ত লাভ প্ৰতিৰোধ নীতি শীৰ্ষক এটি ধাৰা সংযোজিত কৰিছে। সেই দফা অনুযায়ী যদি ব্যৱসায় প্ৰতিষ্ঠান/ব্যৱসায়ীয়ে 'ইনপুট টেক্স ক্ৰেডিট'ৰ সুবিধা অথবা নিৰ্মাণজনিত ৰেহাই লাভ কৰে, তেন্তে সামগ্ৰীবিধৰ বিক্ৰীৰ সময়ত গ্ৰাহকলৈ সেই ৰেহাইৰ সমমূল্য ৰেহাই হিচাপত আগবঢ়োৱাটো বাধ্যতামূলক। অৱশ্যে সেইক্ষেত্ৰত সামগ্ৰীবিধৰ দাম সঁচা অৰ্থত কমিছে নে নাই তালৈ লক্ষ্য ৰাখিব লাগিব। অৱশ্যে সেই কামটো কঠিন। অন্ততঃ এই মুহূৰ্তত যি ক্ষেত্ৰত সামগ্ৰীৰ ওপৰিভাগ সৰ্বাধিক খুচুৰা মূল্য (Minimum Retail Price) সংযোজিত কৰাটোৱেই এটা ডাঙৰ প্ৰত্যাহ্বান হিচাপে থিয় দি আহিছে।

কাৰ্যকৰী কৰৰ সম্ভাৱনীয়তা অথবা হ্ৰাস হোৱাৰ আশংকা অস্বীকাৰ কৰা-নকৰা পিছৰ কথা, কিছুসংখ্যক অৰ্থনৈতিক বিশ্লেষক আৰু টিপ্পনীকাৰকে অদূৰ ভৱিষ্যতে বৰ্দ্ধিষ্ণু মুদ্ৰাস্ফীতিৰ আশংকা কৰিছে। এই আশংকাৰ মাজত সেইসকলে কোনোধৰণৰ সমাধানৰ উপায়ৰ উল্লেখ কৰা নাই। তেওঁলোকৰ আশংকাৰ মূল কাৰণ দুটা প্ৰথম জাপান, অষ্ট্ৰেলিয়া, কানাডাত জী এছ টী বলৱৎ হোৱাৰ পাছত মুদ্ৰাস্ফীতি বৃদ্ধি পায়। সেই একেই প্ৰতিচ্ছবি ভাৰততো প্ৰতিফলিত হোৱাটো নুই কৰা নাযায়। দ্বিতীয়তে, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ বাধকতামূলক নিয়ম-নীতিসমূহৰ বাবে নিৰ্দ্ধাৰিত কিছু মূল্য বৃদ্ধিৰ আশংকা থাকি যায় আৰু ইয়েই প্ৰতিপন্ন কৰিব জী এছ টীয়ে কিদৰে সাধাৰণ উপভোক্তাৰ ওপৰত প্ৰভাৱ পেলাব। কাৰণ জি এছ টিৰ গোটেই শৃংখলাটোত সাঙোৰ খাই আছে সামগ্ৰীৰ উৎপাদন, ব্যৱসায় আৰু যোগানৰ প্ৰক্ৰিয়া।

ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ ওপৰত জী এছ টীয়ে কিদৰে প্ৰভাৱ পেলাব সেইটোৱেই এই সময়ছোৱাৰ সবাতোকৈ ব্যাপক চৰ্চিত বিষয়। সম্প্ৰতি এক বৃহৎসংখ্যক ব্যৱসায় প্ৰতিষ্ঠানে অনানুষ্ঠানিক অৰ্থনৈতিক ব্যৱস্থাৰ অধীনত নিজৰ ব্যৱসায় চলাই আছে। ফলত কৰ ব্যৱস্থাৰ বাধ্য-বাধকতা তথা নিয়ন্ত্ৰণ এৰাই চলিব পাৰিছে। এইদৰে নীতি- নিয়ম এৰাই চলিব পৰা হেতুকে এই প্ৰতিষ্ঠানসমূহৰ বাবে যাৱতীয় আনুষ্ঠানিক ব্যৱসায়িক ব্যয়ো নীতি-বহিৰ্ভূতভাৱে লুকুৱাই ৰাখি কৰ ফাঁকি দিয়া সম্ভৱ হৈ আছিল। কিন্তু এতিয়া এটা ব্যৱসায় প্ৰতিষ্ঠানে নিজৰ 'মূলধনী কৰ ৰেহাই'ৰ (Input Tax Credit)ৰ সুবিধা লাভ কৰিবলৈ হ'লে জী এছ টী ব্যৱস্থাৰ পঞ্জীয়নভুক্ত সংস্থাৰ পৰা যাৱতীয় সামগ্ৰী কিনিব আৰু নিয়মানুযায়ী কৰ আদায় দিব লাগিব। এই বিধিৰ বাধ্য-বাধকতাৰ বাবে এজন উপভোক্তাই জী এছ টী নিয়ম মনা প্ৰতিষ্ঠানৰপৰাহে সামগ্ৰী ক্ৰয়ৰ বাবে উৎসাহ বোধ কৰিব। ফলত পূৰ্বে কৰ নিয়ন্ত্ৰণ ব্যৱস্থাৰ বাহিৰত থাকি নিয়ম বহিৰ্ভূতভাৱে ব্যৱসায় কৰি থকা

প্ৰতিষ্ঠানেও জী এছ টী পঞ্জীভুক্ত হোৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। সেয়ে সেই প্ৰতিষ্ঠানসমূহে যাৱতীয় কৰ আদায় আৰু নিয়ন্ত্ৰণৰ বাবে কিছু মূল্য ভৰিব লাগিব ঠিকেই, কিন্তু আন কথাত এই প্ৰৱণতাৰ এটা সুকীয়া তাৎপৰ্য আছে। সেয়া হ'ল— ইয়াৰ ফলত কৰ ব্যৱস্থাত এটা নতুন সম্ভাৱনাৰ আশা কৰাৰ লগতে চৰকাৰৰ ৰাজহ বৃদ্ধিত অৰিহণা যোগাব। সেইটো নিৰ্ভৰ কৰিব সামগ্ৰিক কৰ গাঁথনিত ই কেনেদৰে প্ৰভাৱ পেলায় আৰু সামগ্ৰীৰ মূল্যমান কিদৰে বৃদ্ধি পায় তাৰ ওপৰত ভিত্তি কৰিহে।

শেষত জী এছ টীৰ উল্লেখযোগ্য আন এটা গুৰুত্বপূৰ্ণ প্ৰভাৱ হ'ল সামগ্ৰীৰ পৰিবহণ— বিশেষকৈ আন্তঃৰাজ্যিক ক্ষেত্ৰত। আন্তঃৰাজ্যিক সীমা চকীত প্ৰৱেশৰ অনুমতিৰ বাবে সামগ্ৰী পৰিবহণকাৰী ট্ৰাকৰ দীঘলীয়া লানি এটা চিৰপৰিচিত সাধাৰণ দৃশ্য আছিল। জী এছ টীয়ে ৰাজ্যসমূহত সমহাৰৰ কৰ প্ৰৱৰ্তনৰ পাছত ট্ৰাকসমূহৰ এই দীঘলীয়া শাৰীৰ অৱসান ঘটিব বুলি আশা কৰা যায়। এই নিবন্ধ যুগুত কৰা সময়লৈ দেশৰ বাইশখন ৰাজ্যই সীমা পৰীক্ষণ চকী বিলোপ সাধন কৰিছে। দেশৰ ৰাজ্যসমূহৰ মাজত সামগ্ৰী পৰিবহণকাৰী ট্ৰাকৰ বিৰামহীন চলাচল পৰিবহণ ব্যয় হ্ৰাস কৰাৰ লগতে একোখন ট্ৰাকৰ পৰিবহনৰ সময়ৰ অপচয়ো ৰোধ কৰিব। ফলত গোটেই ব্যৱস্থাটোত ব্যয় হোৱা খৰচো কমাব।

**সামৰণিৰ পৰ্যালোচনা**

জী এছ টী স্বাধীন ভাৰতৰ সৰ্ববৃহৎ কৰ সংস্কাৰ ব্যৱস্থা । সেইফালৰ পৰা এই ব্যৱস্থাই ঈপ্সিত ফল লাভ কৰিব বুলি আশা কৰা যায়। এজন উপভোক্তাৰ পৰ্যবেক্ষণমূলক দৃষ্টিৰে লক্ষ্য কৰিলে প্ৰথমে মনলৈ অহা কথাটো হ'ল— জী এছ টীয়ে কিদৰে সামগ্ৰীৰ মূল্য বৃদ্ধি ৰোধ কৰিব পাৰে সেইটো। ন্যূনতম কাৰ্যকৰী কৰৰ হাৰ মেটমৰা সামগ্ৰীৰ বোজা, মূলধনী কৰ ৰেহাই, যোগান শৃংখল— এই আটাইকেইটা দিশ একেলগে সামৰি কিদৰে জী এছ টীৰ গাঁথনিত কৰ সংস্কাৰ কি পৰিমাণে সম্ভৱ হ'ব সেইটোও এটা গুৰুত্বপূৰ্ণ দিশ। সামগ্ৰীৰ মূল্য মান সুস্থিৰ ৰখটো জী এছ টীৰ অন্যতম দিশ হ'ব। ইয়াৰ বিপৰীতে কাৰ্যকৰী কৰৰ হাৰ, ব্যৱসায়ৰ বৰ্দ্ধিত বাধকতা ব্যয়। বিশেষকৈ ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান/ উদ্যোগসমূহৰদ্বাৰা মানিবলগীয়া হোৱা নীতি-নিয়ম মানিও সামগ্ৰীৰ বৰ্দ্ধিত মূল্যৰ সম্ভাৱনীয়তা অক্ষুণ্ণ ৰাখিব পাৰে সেইটো লক্ষণীয় হ'ব। সম্ভাৱনা আৰু বাধ্য-বাধকতাৰ দুটা বিপৰীতমুখী দিশ, সামগ্ৰীৰ মূল্যমান স্থিৰেৰে ৰখাই জী এছ টীৰ তাৎক্ষণিক সাফল্য বুলি বিবেচনা কৰাটো অচিৰে সম্ভৱ নহয়। আনহাতে জী এছ টী প্ৰৱৰ্তনেৰে যিসমূহ দেশ লাভৱান হৈছে সেইসমূহৰ এখনো ভাৰতৰ দৰে বহু তৰপীয়া আৰু বৈচিত্ৰ্যৰে ভৰা দেশ নহয়। এই ক্ষেত্ৰত জী এছ টী প্ৰৱৰ্তন হোৱাৰ পূৰ্বে বাহাল থকা জটিল কৰ ব্যৱস্থাৰ কথা নক'লোৱেইবা। এই প্ৰেক্ষাপটত সকলোবোৰ দিশৰে পাৰস্পৰিক প্ৰভাৱ কেনে হয় আৰু জী এছ টীয়ে সাধাৰণ উপভোক্তাক কেনেদৰে প্ৰভাৱিত কৰে সি লক্ষণীয় হ'ব। ❐

*'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ বিষয়ে পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢ়ুৱৈ সমাজক অধিক তথ্য জনাবলৈ বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়ায় যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।*

# সামগ্ৰী আৰু সেৱা কৰ ঃ এটা বৈপ্লৱিক অৰ্থনৈতিক বিৱৰ্তন

**মৃণালকান্তি চক্ৰৱৰ্তী***

গুড্‌ছ এণ্ড ছাৰ্ভিছেছ টেক্স এক্ট, ২০১৭ (সামগ্ৰী আৰু সেৱা-কৰ আইন) তথা জী এছ টী আইন চলিত বছৰৰ ১ জুলাই তাৰিখৰ পৰা ভাৰতবৰ্ষৰ ২৯ খন অংগৰাজ্য আৰু ৭ খন কেন্দ্ৰীয় শাসিত ৰাজ্যত বলবৎ হৈছে। পূৰ্বৰ ৮ ধৰণৰ কেন্দ্ৰীয় কৰ আৰু ৯ ধৰণৰ ৰাজ্যিক কৰ ব্যৱস্থাৰ পৰিসমাপ্তি ঘটাই এখন সংযুক্ত-একত্ৰিত নতুন আইন প্ৰৱৰ্তন কৰা হৈছে।

**কেন্দ্ৰীয় আইনসমূহ**

(১) আবকাৰী শুল্ক, (২) অতিৰিক্ত আবকাৰী শুল্ক, (৩) দৰৱ আৰু প্ৰসাধনৰ ক্ষেত্ৰত প্ৰযোজ্য আবকাৰী শুল্ক, (৪) সেৱা-কৰ, (৫) অতিৰিক্ত আমদানি শুল্ক, (৬) বিশেষ অতিৰিক্ত শুল্ক (চী ভী ডী), (৭) অতিৰিক্ত কৰ আৰু উপ-কৰ।

**ৰাজ্যিক আইনসমূহ**

(১) মূল্য সংযোজিত কৰ, (২) বিক্ৰী কৰ, (৩) আমোদ কৰ, (৪) বিলাস কৰ, (৫) ল'টাৰী, জুৱা, বাজি আদিৰ ওপৰত কৰ, (৬) উপ-কৰ (৭) অতিৰিক্ত কৰ, (৮) প্ৰৱেশ কৰ।

'দ্য গভৰ্ণমেন্ট অৱ ইণ্ডিয়া এক্ট, ১৯৩৫' (ভাৰত চৰকাৰ আইন) আৰু 'দ্য কনষ্টিটিউচন অৱ ইণ্ডিয়া (১৯৫০)' (ভাৰতীয় সংবিধান)ৰ কৰ্তৃত্বৰ ভিত্তিত প্ৰণোদিত আইনসমূহৰ কাৰ্যকাৰিতা বাতিল হৈছে। অসমত বিক্ৰী-কৰ আইন ব্যৱস্থা প্ৰথম কাৰ্যকৰী হৈছিল ১৯৩৯ চনৰ পৰা। সেই একে বছৰতে আমোদ কৰ আইন ব্যৱস্থাও অকাৰ্যকৰী হৈছিল। কেন্দ্ৰীয় আইনসমূহৰ একাংশ ইংৰাজ শাসনকালৰ পৰাই কাৰ্যকৰী হৈ আহিছে।

কেন্দ্ৰীয় জী এছ টী আইন (চী জী এছ টী), সংহত জি এছ টি (আই জী এছ টী) আৰু কেন্দ্ৰীয় শাসিত ৰাজ্যৰ বাবে (ইউ টী জী এছ টী) আৰু ৰাজ্যসমূহৰ ক্ষেত্ৰত এছ জী এছ টী আইন বলৱৎ হৈছে। ইতিমধ্যে আইনসমূহৰ কাৰ্যকৰী ব্যৱস্থা আৰম্ভ হৈছে যদিও, সেয়া অনিবাৰ্য কাৰণত পূৰ্ণগতিত আগুৱাই যাবলৈ সক্ষম হোৱা নাই।

জী এছ টী আইন ব্যৱস্থাত বিভিন্ন বিষয়ৰ উপৰিও কৰৰ হাৰ নিৰ্ধাৰণ আৰু আন আন নীতি-নিয়ম সম্বন্ধীয় বিষয় লৈ এটা স্থিতিপূৰ্ণ সিদ্ধান্ত গ্ৰহণৰ কাৰণে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী, কেন্দ্ৰীয় ৰাজ্যিক বিত্ত মন্ত্ৰী, ৰাজ্যসমূহৰ বিত্ত মন্ত্ৰী আৰু আন আন নিৰ্ধাৰিত ব্যক্তিৰ সমাহাৰত এখন উচ্চ ক্ষমতাসম্পন্ন জী এছ টী কাউন্সিল বা জী এছ টী পৰিষদ গঠন কৰা হৈছে।

জী এছ টী আৰু সেৱা কৰ আইন ব্যৱস্থা উভয়ে সুকীয়া ভিত্তিসম্পন্ন। উভয়ৰে স্বতন্ত্ৰ বৈশিষ্ট্য আছে। অৱশ্যে এই কৰ প্ৰশাসন ব্যৱস্থা একেখন আইনৰদ্বাৰাই নিয়ন্ত্ৰিত হ'ব। 'সামগ্ৰী' হৈছে সকলো ধৰণৰ স্থাৱৰ সম্পত্তি, আনহাতে 'সেৱা' হৈছে বিভিন্ন ধৰণৰ কৰণীয় কাৰ্যব্যৱস্থা। পূৰ্বতে সেৱা কৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰৰদ্বাৰা নিয়ন্ত্ৰিত হৈছিল। আনহাতে, ঠিকা কাম আদি বিভিন্ন সেৱাৰ ওপৰত কৰ আৰোপ ব্যৱস্থা ন্যস্ত আছিল ৰাজ্যিক কৰ প্ৰশাসনৰ ওপৰত। কিন্তু এই কৰ প্ৰকৃততে ঠিকাৰ ওপৰত আৰোপ কৰা হোৱা নাছিল— ঠিকা সমন্বিত যোগান সামগ্ৰীৰ ওপৰতহে এনে কৰৰ দায়বদ্ধতা নিৰূপিত হৈছিল। ভাৰতীয় সংবিধানত বিক্ৰীৰ সংজ্ঞাত সামগ্ৰী-যোগানকাৰ্য সম্পৰ্কীয় ঠিকা কাৰ্যক বিক্ৰী বুলি গণ্য কৰা হৈছিল— সামগ্ৰী যোগানবিহীন ঠিকাকাৰ্যৰ ওপৰত কৰৰ দায়বদ্ধতা নাছিল। যি কি নহওক, জী এছ টী ব্যৱস্থাত কিছুসংখ্যক অভিনৱ আৰু অভূতপূৰ্ব বিষয়ৰ উদ্ভৱ হৈছে। ঠিকাকাৰ্য সেৱাৰ সংজ্ঞাত অৰ্ন্তভুক্ত কৰা হৈছে। অৱশ্যে আইনখনৰ বিষয়ে সৰ্বসাধাৰণ ৰাইজ জ্ঞাত হ'বলৈ এতিয়াও বহু বাকী— যদিও সময়ে সময়ে প্ৰকাশিত তথ্যৰ পৰা কিছু জ্ঞান আহৰণ সম্ভৱ হৈছে। ৰাজ্য চৰকাৰৰ ব্যাপক প্ৰচাৰ আৰু প্ৰশিক্ষণ ব্যৱস্থাৰ অবিহনে এই কৰ ব্যৱস্থাৰ মসৃণ গতিত যথেষ্ট পৰিমাণে বিঘ্নিত হ'ব বুলি ধাৰণা হয়।

'শিক্ষা' আৰু 'স্বাস্থ্য' এই দুয়োটা খণ্ড যদিও সেৱাৰ আওতাত আহে, কিন্তু জী এছ টী আইনখনত এই দুয়োবিধ বিষয়ক সেৱা-কৰৰ পৰা অব্যাহতি দিয়া হৈছে— অৰ্থাৎ স্কুল, কলেজ, বিশ্ববিদ্যালয়, বিভিন্ন প্ৰতিষ্ঠানত শিক্ষা লাভ আৰু চিকিৎসা শুশ্ৰূষা লাভ আদিৰ

*লেখক মৃণালকান্তি চক্ৰৱৰ্তী অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত কৰ বিষয়া

ক্ষেত্ৰত কোনো সেৱা কৰৰ দায়বদ্ধতা নাহিব।

এই জী এছ টী ব্যৱস্থাত কৰৰ হাৰ ধাৰ্য কৰা হৈছে চাৰিটা স্তৰত— ৫ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ। পূৰ্বৰ প্ৰতিশ্ৰুতি মতে একক কৰ ব্যৱস্থাৰ বিপৰীতে এনে বহুহাৰিক কৰ ব্যৱস্থাই ৰাইজৰ মনত এটা বিভ্ৰান্তিৰ সৃষ্টি কৰা স্বাভাৱিক কথা। অনুৰূপভাৱে, প্ৰশাসনিক দিশতো নানা ধৰণৰ সমস্যাৰ সৃষ্টি হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

জী এছ টী পৰিষদে বিস্তৃত আলোচনাৰ অন্তত ১২১১ শ্ৰেণীৰ কৰ আৰোপ ব্যৱস্থা সম্বন্ধে সিদ্ধান্ত গ্ৰহণৰ কথা প্ৰকাশ পাইছে আৰু তেনে সামগ্ৰীৰ ওপৰত কৰৰ হাৰ নিৰ্ধাৰণ কৰিছে। এই কৰ ব্যৱস্থাত পৰিবহণ সেৱাৰ ওপৰত কৰ আৰোপৰ হাৰ হৈছে ৫ শতাংশ— ইয়াৰ মাজত সন্নিৱিষ্ট হৈছে টেক্সী সেৱা (অ'লা-উবেৰ সহ)। শীত-তাপবিহীন ৰে'লগাড়ীসমূহ, মেট্ৰ'-ৰে'ল আৰু স্থানীয় ৰে'লসমূহৰ সেৱাৰ ওপৰত জী এছ টী মুক্ত কৰা হৈছে। আনহাতে, হজ-যাত্ৰী বহন কৰা ৰে'লসেৱাসমূহ সেৱা কৰৰ দায়বদ্ধতাৰ বাহিৰত থাকিব। শীত-তাপ নিয়ন্ত্ৰিত ৰে'লগাড়ীৰ টিকটৰ ওপৰত সেৱা কৰৰ হাৰ ধাৰ্য হৈছে ৫ শতাংশ। অনুৰূপভাৱে, ইক'নমিক বিমান সেৱাৰ টিকটৰ ওপৰত কৰৰ হাৰ নিৰ্ধাৰণ হৈছে ৫ শতাংশ আৰু বিযনিছ শ্ৰেণীৰ টিকটৰ ওপৰত হৈছে ১২ শতাংশ। হোটেলসমূহৰ প্ৰতিকক্ষ ভাৰাৰ ১০০০ টকালৈকে কোনো কৰৰ দায়বদ্ধতাৰ বাহিৰত ৰখা হৈছে। কিন্তু ১০০০ টকাৰ পৰা ২০০০ টকালৈকে সেয়া ১২ শতাংশ, ২০০০ টকাৰ পৰা ৫০০০ টকালৈকে ১৮ শতাংশ আৰু আৰু ৫০০০ টকাৰ অধিক অংকলৈ ২৮ শতাংশ কৰৰ হাৰ নিৰ্ধাৰণ কৰা হৈছে। অসমত পঞ্চতাৰকা হোটেলৰ স্থিতি অতি সীমিত। পূৰ্বতে বিলাস কৰ নিৰ্ধাৰণৰ ন্যূনতম নিৰিখ আছিল ২০০০ টকালৈকে। আনহাতে উপযুক্ত পৰিদৰ্শন আৰু আনুষংগিক কাৰ্য ব্যৱস্থা গ্ৰহণৰ অভাৱত কৰ আদায়ৰ পৰিসৰ যথেষ্ট নিম্নগামী হোৱা বুলি প্ৰায়ে অনুভৱ হৈছিল। আগন্তুক এই ব্যৱস্থাই ৰাজহ আদায়ৰ গতি উৰ্দ্ধগামী কৰিব বুলি আশা কৰিব পাৰি। শীত-তাপ নিয়ন্ত্ৰণবিহীন ৰেষ্টোৰাঁসমূহৰ কৰৰ হাৰ ১২ শতাংশ ধাৰ্য কৰা হৈছে। শীত-তাপ নিয়ন্ত্ৰিত আৰু সুৰাৰ অনুজ্ঞাপত্ৰ থকা ৰেষ্টোৰাঁসমূহৰ কৰৰ হাৰ ধাৰ্য হৈছে ১৮ শতাংশ। আনহাতে, পঞ্চতাৰকাযুক্ত ৰেষ্টোৰাঁৰ ক্ষেত্ৰত কৰৰ হাৰ হৈছে ২৮ শতাংশ। কিন্তু যিসমূহ ৰেষ্টোৰাঁত বাৰ্ষিক লেন-দেন ৫০,০০,০০০ টকাৰ কম, সেইসমূহত কৰ আৰোপ হ'ব ৫ শতাংশ হাৰত। ৰং দিয়া আৰু আন আন ঠিকা কামৰ ক্ষেত্ৰত সেৱা কৰৰ হাৰ নিৰ্ধাৰণ কৰা হৈছে ১২ শতাংশ। টেলিকম আৰু জীৱন বীমা নিগমৰ ক্ষেত্ৰতো সেৱা কৰৰ দায়বদ্ধতা আহিব।

চাউল, খাদ্য-শস্য, গুৰ, মাহজাতীয় শস্য, গাখীৰ আদি অত্যাৱশ্যকীয় (নিত্য ব্যৱহাৰ্য) সামগ্ৰীসমূহকো কৰ দায়বদ্ধতাৰ পৰা অব্যাহতি দিয়া হৈছে। বিলাসী মটৰ চাইকেল আদিৰ কৰৰ হাৰ হৈছে ২৮ শতাংশ। তদুপৰি ইয়াৰ ওপৰত ১৫ শতাংশ ছেছ্ বা উপকৰ আৰোপৰ কথা প্ৰকাশ পাইছে। ফলত মূল্যবৃদ্ধিৰ গতি অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে।

যোৱা ১৯৩৯ চনৰ পৰা ধাৰাবাহিকভাৱে কাৰ্যকৰী হৈ থকা ৰাজ্যিক আমোদ কৰ ব্যৱস্থাৰ এটা আমুল পৰিৱৰ্তন ঘটিছে। পূৰ্বতে উপভোক্তাসকলৰ পৰা আদায় কৰা প্ৰৱেশ মূল্যৰ ওপৰত আমোদ কৰ ব্যৱস্থা আগন্তুক কালত সেৱা/উপভোগ কাৰ্য হিচাপে গণ্য কৰি সেৱা কৰ আদায়ৰ ব্যৱস্থা লোৱা হৈছে। অনুৰূপভাৱে, সেই একে আইনৰদ্বাৰা নিয়ন্ত্ৰিত জুৱা বাজি আৰু প্ৰচলিত মূল্য সংযোজিত কৰ ব্যৱস্থাৰদ্বাৰা নিয়ন্ত্ৰিত হ'ব। ল'টাৰীৰ টিকেট বিক্ৰীৰ ওপৰত আৰোপ কৰা আমোদ কৰ আৰু বিক্ৰী কৰ ব্যৱস্থাৰ অৱসান ঘটাই তেনেবোৰ কাৰ্যক্ৰমক সেৱাৰ আঁওতালৈ আনি ২৮ শতাংশ কৰ আৰোপ কৰা হ'ব বুলি জী এছ টী পৰিষদৰ ঘোষণাৰ পৰা জানিব পৰা গৈছে। পূৰ্বতে আমোদ-প্ৰমোদৰ আইনৰ ভিতৰত থকা 'কেবল্ সেৱা' ব্যৱস্থা এই শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হৈছে। পূৰ্বৰ এই কৰ ব্যৱস্থা আছিল ৪০ বা ৫০ শতাংশ। প্ৰস্তাৱিত এই নতুন প্ৰক্ৰিয়াত উপভোক্তা-সকলে যথেষ্ট সকাহ পোৱা সম্ভৱ যদিও, এই মৰ্মে স্থানীয় কৰ্তৃপক্ষক তেনে ক্ষতিপূৰণৰ বাবে প্ৰয়োজনীয় কৰ আৰোপ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰা হৈছে। গতিকে ইয়াৰ অন্তিম ফলাফল ৰাইজৰ বাবে সুখকৰ নহ'ব।

পৰিষদৰ বিবৃতিত জানিবলৈ পোৱা মতে সংবাদ মাধ্যম যোগে প্ৰকাশ পোৱা বিজ্ঞাপনৰ ওপৰত পূৰ্বতে কোনো কৰ ব্যৱস্থা নাছিল যদিও জী এছ টী ব্যৱস্থাত তেনে বিজ্ঞাপনৰ প্ৰকাশ কাৰ্য সেৱা হিচাপে গণ্য কৰি ৫ শতাংশ কৰ নিৰ্ধাৰণৰ ব্যৱস্থা লিপিবদ্ধ কৰা হৈছে।

চাহৰ ওপৰত কৰৰ হাৰ নিৰ্ধাৰণ কৰা হৈছে ৫ শতাংশ— যদিও কেঁচা চাহপাতৰ ওপৰত কোনো ধৰণৰ কৰ আৰোপ নহ'ব বুলি জী এছ টী পৰিষদে স্পষ্ট কৰি দিছে। উল্লেখযোগ্য যে, পূৰ্বৰে পৰাই অসমত চাহপাত বিক্ৰী সম্পূৰ্ণভাৱে কৰমুক্ত আছিল। কিন্তু

নিৰ্ধাৰিত ভূমি কৰ আইন (স্পেছিফাইড্ লেণ্ড টেক্স এক্ট) মতে কেঁচা চাহপাতৰ উৎপাদনৰ ওপৰত ভিত্তি কৰি ভূমি কৰ আদায় কৰা হয়। সেইক্ষেত্ৰতো কেঁচা চাহৰ ওপৰত কোনো কৰৰ দায়বদ্ধতা নাহে। কিন্তু ক্ষুদ্ৰ চাহপাত উৎপাদন-কাৰীসকলে ভূমি কৰ দিব লাগে— তেওঁলোকে ক'লা চাহপাত উৎপাদন-কাৰী প্ৰতিষ্ঠানসমূহক কেঁচা চাহপাত বিক্ৰী কৰে ওজন ভিত্তিত। যদিও সেই কৰক 'উপ-কৰ' বুলি ঘোষণা কৰা হৈছিল, কিন্তু বাস্তৱ ক্ষেত্ৰত সেয়া উপ-কৰো নহয় ভূমি কৰো নহয়— কেঁচা চাহপাত বিক্ৰীৰ ওপৰতহে কৰ। এই বিষয়টো ইতিমধ্যে সংবাদ মাধ্যমযোগে বহুবাৰ আলোচনা কৰা হৈছিল— কিন্তু চৰকাৰৰ কোনো স্পষ্টীকৰণ নাই। জী এছ টী ব্যৱস্থাত নিৰ্ধাৰিত ভূমি কৰ আইনো সমান্তৰালভাৱে কাৰ্যকৰী হৈ থাকিব। গতিকে এইক্ষেত্ৰত ৰাজ্য চৰকাৰে ক্ষুদ্ৰ চাহবাগিচাসমূহৰ কেঁচা চাহপাতৰ বিক্ৰীৰ ওপৰত ভূমি কৰৰ দায়বদ্ধতা সম্বন্ধে নতুনভাৱে চিন্তা-চৰ্চা কৰা উচিত হ'ব।

খাৰুৱা তেল, পেট্ৰ'ল, ডিজেল, সুৰা আদি জী এছ টী ব্যৱস্থাৰ বাহিৰত ৰখা হৈছে। আনহাতে, মূল্য সংযোজিত কৰ আইন (ভেট) আৰু কেন্দ্ৰীয় বিক্ৰী কৰ আইন (চী এছ টী) বাতিল হৈছে বুলিও কোৱা হৈছে। এইক্ষেত্ৰত উক্ত সামগ্ৰীৰ স্থানীয় বিক্ৰী, আন্তঃৰাজ্যিক বিক্ৰী আৰু আন্তঃৰাজ্যিক স্থানান্তৰ আদিৰ ওপৰত কৰ ব্যৱস্থা কিদৰে নিয়ন্ত্ৰিত হ'ব— সেইবিষয়ে অসমৰ সাধাৰণ ৰাইজ সম্পূৰ্ণভাৱে অজ্ঞাত। অৱশ্যে সুখৰ কথা এই যে, আন্তঃৰাজ্যিক সামগ্ৰীৰ স্থানান্তৰৰ ওপৰত বিক্ৰীৰ ক্ষেত্ৰত উপভোক্তা ৰাজ্যই যি কৰ আদায় পায়, তাৰে অৰ্ধ শতাংশ কৰ প্ৰেৰক ৰাজ্যই লাভ কৰিব। ফলত চাহপাত, কয়লা, মৰাপাট, চুপাৰি আদি সামগ্ৰীৰ আন্তঃৰাজ্যিক স্থানান্তৰৰ ফলত ৰাজ্য চৰকাৰে বুজন পৰিমাণৰ কৰ আদায় পাব। কিন্তু পেট্ৰ'ল, ডিজেল আদিৰ স্থানান্তৰৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হ'ব সেই কথা স্পষ্ট হৈ উঠা নাই। আনহাতে খাৰুৱা তেল, পেট্ৰ'ল, ডিজেল আদি সামগ্ৰীৰ ক্ৰয়-বিক্ৰীৰ কোনখন আইনৰ-দ্বাৰা নিয়ন্ত্ৰিত হ'ব সেইবিষয়ে স্পষ্ট হোৱা নাই। আমাৰ মতে পূৰ্বৰ মূল্য সংযোজিত কৰ আইন হৈছে এটা বহুমুখী মূল্য সংযোজিত কৰ ব্যৱস্থা। প্ৰকৃততে খাৰুৱা তেল, পেট্ৰ'ল, ডিজেল আদি প্ৰথম স্তৰৰ বিক্ৰীৰ ক্ষেত্ৰত এই আইন ব্যৱস্থা প্ৰযোজ্য নহয়— যদিও ব্যাখ্যাহীনভাৱে এনেবোৰ সামগ্ৰী মূল্য সংযোজিত কৰ আইনত অন্তৰ্ভুক্ত কৰা হৈছে। উল্লেখযোগ্য যে অসমৰ পৰা বহু পৰিমাণৰ পেট্ৰ'ল আৰু ডিজেল আন ৰাজ্যলৈ বিক্ৰীৰ বাবে স্থানান্তৰিত হৈ থাকে। যদি এনে সামগ্ৰীৰ ক্ষেত্ৰত জী এছ টী ব্যৱস্থা প্ৰযোজ্য নহয় অসমে নিশ্চিতভাৱে তেনে স্থানান্তৰকৃত সামগ্ৰীৰ ওপৰত কৰ আদায়ৰ পৰা বঞ্চিত হ'ব। ফলত ৰাজ্যখনত কাৰ্যকৰী হৈ থকা দ্বৈত কৰ ব্যৱস্থাই বৈষম্যৰ সৃষ্টি কৰিব।

জী এছ টী ব্যৱস্থাত ভাৰতৰ আন আন ৰাজ্যসমূহৰ কৰ দায়বদ্ধতাৰ নিৰিখ ১০ লাখ টকালৈকে ধাৰ্য কৰা হৈছে। অসম বা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ক্ষেত্ৰত সেয়া ৫ লাখ টকালৈ শিথিল কৰি দিয়া হৈছে। এই সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাত নিৰ্ধাৰিত কৰ আদায়ৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্যসমূহে ৫০:৫০ হিচাপে কৰ আদায়ৰ অংশ লাভ কৰিব।

জী এছ টী ব্যৱস্থাই ৰাজ্যসমূহৰ ক্ষেত্ৰত কৰ আৰোপৰ নিৰিখ ১.৫ কোটি টকা লেনদেনৰ ওপৰত ধাৰ্য কৰিছে। ইয়াৰ ওপৰৰ লেনদেন ব্যৱস্থাৰ ওপৰত কেন্দ্ৰীয় চৰকাৰক দায়িত্ব প্ৰদান কৰা হৈছে। আনহাতে, সামগ্ৰী আৰু সেৱা কৰৰ লেনদেনৰ সীমাৰেখা ৫০ লাখ টকা অতিক্ৰম নকৰিলে কৰদাতাসকলক 'Composition of Tax' বা একগোট কৰ আদায় দিয়াৰ সুবিধা লাভ কৰিব।

জী এছ টী আইনত কোনো সীমান্ত পৰীক্ষণ চকী নিৰ্মাণ আৰু কাৰ্যকৰী ব্যৱস্থা প্ৰদান নকৰাৰ ফলত অসম চৰকাৰে যোৱা ১ আগষ্টৰ পৰা অসমত কাৰ্যকৰী হৈ থকা পৰীক্ষণ চকীসমূহ নিষ্ক্ৰিয় কৰিছে। ফলত কোনো প্ৰতিৰোধ ব্যৱস্থাৰ অভাৱত কৰ ফাঁকিৰ গতি অব্যাহত থকিব বুলি অনুভৱ হয়। যদিও চৰকাৰ পক্ষৰপৰা এইকথা কোৱা হৈছে যে জী এছ টী ব্যৱস্থা এটা গঠনমূলক ব্যৱস্থা আৰু এই কৰ ব্যৱস্থা উৎপাদন তথা আমদানিৰ পৰা গ্ৰাহকলৈ বিক্ৰীলৈকে ধাৰাবাহিকভাৱে নিয়ন্ত্ৰণ হ'ব, এই ব্যৱস্থাত কৰ ফাঁকিৰ কোনো সম্ভাৱনা নাথাকিব। কিন্তু এই ক্ষেত্ৰত আমি একমত নহয় কাৰণ কৰ ফাঁকিৰ গতিশীলতা সদায় অব্যাহত থাকিব। গতিকে আমাৰ মতে অতি উন্নত পৰ্যায়ৰ পৰীক্ষণ চকীৰ কাৰ্যকাৰিতাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। আনহাতে কেঁচা সামগ্ৰী তথা কয়লা, বাঁহ-বেত, মৰাপাট, চুপাৰি, বিভিন্ন ধৰণৰ খাদ্য-শস্য, জীৱ-জন্তুৰ ছাল আদিৰ ক্ৰয়-বিক্ৰীৰ ক্ষেত্ৰত কোনো আবকাৰী শুল্কৰ দায়বদ্ধতা নাই। এনেক্ষেত্ৰত পৰীক্ষণ চকী অবিহনে তেনেবোৰ সামগ্ৰীৰ অবাধ গতিয়ে কৰ ফাঁকিৰ গতি অব্যাহত ৰাখিব।

আন এটা প্ৰশ্ন হৈছে, কৰ ফাঁকি প্ৰতিৰোধৰ বিৰুদ্ধে ক্ষেত্ৰ পৰিদৰ্শন, হিচাপ পৰীক্ষণ আৰু পৰিকল্পিত অভিযানৰ অতি প্ৰয়োজনীয়তা আছে। কিন্তু ভাৰত চৰকাৰৰ উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে এই

**(৪৭ পৃষ্ঠাত চাওক)**

# প্লাষ্টিকৰ জঞ্জালৰ পৰা পৰিত্ৰাণ কেনেকৈ?

**দীনেশ চন্দ্ৰ গোস্বামী***

আমাৰ দেশৰ প্ৰায় সকলো নগৰ চহৰতে আমাক সম্ভাষণ জনোৱা চিনাকি দৃশ্য এটা হৈছে পেলনীয়া পলিথিন মোনা আৰু অন্য পেলনীয়া প্লাষ্টিকৰ সামগ্ৰীৰে আপচু হৈ থকা অঞ্চলবোৰ। নগৰখনৰ বাসিন্দাসকলৰ বাবে এই দৃশ্য ইমান চিনাকি আৰু সচৰাচৰৰ দৃশ্য হৈ পৰিছে যে তেওঁলোকে সেই বিষয়ে কেতিয়াও ভাবি নাচায় বা মনোযোগ নিদিয়ে। মানুহে দোকান-বজাৰৰ পৰা পাতল পলিথিন মোনাত বস্তু অনাটো এতিয়া জীৱনৰ এনে স্বাভাৱিক প্ৰক্ৰিয়া হৈ পৰিছে যে মানুহে প্ৰয়োজনতকৈও বহু বেছি এনে মোনা দোকানীৰ পৰা সংগ্ৰহ কৰি গৈছে আৰু দোকানীয়েও বৰ আগ্ৰহ-উৎসাহেৰে এনে মোনা গ্ৰাহকক দি গৈছে। অলপ পাছতে সেই পলিথিন মোনাবোৰে যে নজহা-নপমা জাবৰৰ সৃষ্টি কৰিব সেই বিষয়ে দোকানী-গ্ৰাহক কোনোৱে চিন্তা কৰা নাই। বহুতৰে আকৌ এনে ভাব— মানুহেতো পলিথিনৰ মোনা ব্যৱহাৰ কৰিয়ে আছে। মই নিজৰ অসুবিধা কৰি দুখন মোনা কমালো বা নকমালো, তাতনো পৰিৱেশৰ কি হানি ঘটিব?

এনে কথাতে সজাগতাৰ প্ৰশ্নটো আহি পৰে। সমাজত যদি সজাগতাৰ সৃষ্টি কৰিব পৰা হয় তেনেহ'লে লাহে লাহে বহুতো মানুহে নিজৰ ভূমিকা নিষ্ঠাৰে পালন কৰিব। তেনে কিছুমান ব্যক্তিয়ে জনমত গঠন কৰিবলৈ চেষ্টা কৰিব। তেওঁলোকে জনপ্ৰতিনিধি আৰু প্ৰশাসনক পলিথিনৰ মোনা নিষিদ্ধ কৰিবলৈ বাধ্য কৰিব। তেনে আইনে নিৰুদ্বেগ আৰু অসহযোগী ব্যক্তিক পলিথিনৰ মোনা ব্যৱহাৰ কৰাত বাধা দিব। তেনেকৈয়ে আগ্ৰহী, নিৰ্বিকাৰ আৰু অনাগ্ৰহী সকলো লোকেই পলিথিনৰ মোনা ব্যৱহাৰ নকৰা হ'ব বা অন্ততঃ জধেমধে ব্যৱহাৰ নকৰা হ'ব।

### আপোনাৰ ব্লেয়াৰ চহৰ

প'ৰ্ট ব্লেয়াৰ এখন মনোমোহা পৰ্যটনস্থলী। গোটেই বছৰ ধৰি তালৈ হাজাৰ-বিজাৰ পৰ্যটক আহে। কিন্তু নগৰখনত ক'তো জাবৰ-জোঁথৰ নাই। নগৰপালিকাই অতি নিষ্ঠাৰে নগৰখন পৰিষ্কাৰ কৰি ৰখাৰ বাহিৰেও নগৰপালিকা আৰু প্ৰশাসনে জনসাধাৰণকো অতি সজাগ কৰি তুলিছে। নগৰখনৰ অ'ত-ত'ত নানা জীৱ-জন্তুৰ প্লাষ্টিক বা টিনৰ মূৰ্তি কিছুমান ৰাখি থোৱা আছে— ক'ৰবাত বা হাতী এটা, ক'ৰবাত বা ঘঁৰিয়াল বা জলহস্তী এটা, আন ক'ৰবাত বা সিংহ বা শিহু এটা। এই জন্তুবোৰে মুখ মেলি ৰৈ আছে, চকুতো আকুতি। গাত লিখা আছে— 'মোৰ ভোক লাগিছে, খুৱাই দিয়া।'

স্কুলীয়া ছোৱালীজনীয়ে তাইৰ টিফিন মেৰিয়াই অনা কাগজখন বা চকলেটৰ কাগজখন হয়তো তাইৰ ওচৰতে থকা জলহস্তীটোৰ মুখত ভৰাই দিছে।

এতিয়া আপুনি পৰিৱেশ-নিৰ্বিকাৰ পৰ্যটকজনে বা পৰিচ্ছন্নতা-নিৰক্ষৰ নাগৰিকজনে আপোনাৰ পেলনীয়া কাগজখন বা পলিথিন কেৰিবেগখন আপুনি য'তে বহি বা থিয় হৈ আছে তাতে পেলাই দিছে। নিজৰ নগৰখনত আপুনি আৰু আপোনাৰ সহ-নাগৰিকসকল এই কামত ইমান অভ্যস্ত আৰু জন্মৰ দিনাৰ পৰাই ইমান প্ৰশিক্ষিত যে আপুনি সেই বিষয়ে একো চিন্তাই নকৰিলে। প'ৰ্ট ব্লেয়াৰৰ প্ৰতিটো চুক-কোণ, ইমানবোৰ বাহিৰা মানুহ আহি থকা সত্ত্বেও ইমান পৰিষ্কাৰ যে হৈ আছে সেই কথাত আপোনাৰ পৰ্যটন সৌন্দৰ্য সন্ধানী দুচকুত ধৰা নপৰিল। কিন্তু কোনো কথা নাই। সেই স্কুলীয়া ছোৱালীজনীৰ সজাগতা আৰু প্ৰশিক্ষণ বেলেগ। আপুনি অৱলীলাক্ৰমে বস্তুটো এৰি দিয়া কথাটো তাই মন কৰি আছে। তাই দৌৰ মাৰি আহি বস্তুটো তুলি ভোকত থকা সেই জলহস্তীটোক খুৱাই দিব। হয়তো তাই যাওঁতে আপোনাৰ ফালে চাই হাঁহি মাৰি যাব। নাইবা হয়তো কৈ যাব, 'আংকল, এনে নকৰে যেন।' নগৰখনৰ অ'ত-ত'ত চকুত পৰাকৈ লিখা আছে— This is your Bloir. Keep it clear.'।

### নিজৰ মৰমৰ মোনাখন

জয়পুৰত এবাৰ ক'ৰবাত কাম এটা কৰি ল'ৰাৰ ঘৰলৈ অ'টোৰিক্সাৰে উভতি

*ড° দীনেশ চন্দ্ৰ গোস্বামী যোৰহাটত থকা উত্তৰ-পূব ৰাষ্ট্ৰীয় বিজ্ঞান আৰু তথ্য প্ৰযুক্তি প্ৰতিষ্ঠানৰ অৱসৰপ্ৰাপ্ত সঞ্চালক আৰু বিজ্ঞান জনপ্ৰিয়কৰণৰ ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত লিখক।

আহি থাকোঁতে অকণমান বৈ ফলৰ দোকানৰ পৰা অলপ ফল কিনিছিলোঁ। দোকানীয়ে তেওঁৰ সন্মুখত ডেস্কত আপেলকেইটা আৰু বিলাতী বগৰীকেইটা তৈ পইচাৰ বাবে হাত পাতিলে। তেওঁৰ কাম শেষ বুলি বুজিব পাৰি এটা সময়ত ফলকেইটা মোৰ অফিচ বেগটোতে কোনোমতে ভৰাই অ'টোৰিক্সাত উঠিলোঁ। কেৰিবেগ এটা দোকানীক খুজিবলৈ সাহস নহ'ল।

উদয়পুৰ নগৰখনো ঘূৰি-পকি চাইছিলোঁ। তালৈও কিছু পৰ্যটক যায়। সেইমতে ঠায়ে ঠায়ে বজাৰ-বিপণী গঢ়ি উঠিছে। কিন্তু তাতো পলিথিনৰ মোনা নিষিদ্ধ আৰু নগৰখনৰ ক'তো জাবৰ-জোঁথৰ নাই। আমাৰ মানুহ তালৈ গ'লে হয়তো অসুবিধায়েই পাব।

আমাৰ ৰাজ্যতে বোকাখাতত পেৰা কিনাৰ অভিজ্ঞতা আমাৰ বহুতৰে আছে। তাতো দোকানীয়ে পেৰা বা আন বস্তু তেলী কাগজৰ (ব্ৰাউন পেপাৰ) মোনাতহে দিয়ে। কেৱল মিঠাই কেইবাটাও টোপোলা ল'লে টোপোলাবোৰ একেলগে ভৰাবলৈ পলিথিনৰ ডাঙৰ মোনা এখন হোৱা হ'লে হয়তো আপোনাৰ সুবিধা হ'লহেঁতেন। কিন্তু দোকানীয়ে নিদিয়ে। আনকি ৰাতি এঘাৰ বজাতো নিদিয়ে। সেই কথা দেখিলে প্ৰশাসনৰ চকুৰ উপৰি দোকানী আৰু বহুতো গ্ৰাহকৰো সজাগতাৰ কথা মনলৈ আহে।

এটা সামান্য সজাগতাৰ বিপৰীতে আমি বহুতেই এতিয়াও বজাৰৰ পৰা আহোঁতে হাতত ছখন-আঠখনকৈ পলিথিনৰ মোনা লৈ আহিছোঁ। দিনৰ পাছত দিন এইদৰে এৰাব পৰা জাবৰ গোটাই আমাৰ ঘৰ-চোতাল, ৰাজহুৱা ঠাই, ৰাস্তা-ঘাট আপচু কৰি গৈছোঁ, নলা-নৰ্দমাৰ দ পানীৰ গতি বন্ধ কৰি নগৰ-চহৰত কৃত্ৰিম বানৰ সৃষ্টি কৰিছোঁ। মাটিৰ মাজলৈ সেইবোৰ সোমাবলৈ দি মাটিৰ মাজেৰে পানীৰ স্বাভাৱিক গতি বন্ধ কৰিছোঁ, গৰু-ম'হ, চৰাই-চিৰিকটিৰ পেটলৈ সেইবোৰ সোমাবলৈ দি সিহঁতৰ অনিষ্ট কৰিছোঁ আৰু মৃত্যু ঘটাইছোঁ।

তাৰ সলনি, কান্ধত ওলোমাই নিব পৰা বা জাপি-জুপি বা মেৰিয়াই নিব পৰা কাপোৰ বা মৰাপাটৰ মোনাখনে এই পলিথিন মোনাখনৰ ব্যৱহাৰ কমাই দিব পাৰে। আপোনাৰ-মোৰ এই সামান্য কামে আমাৰ লগ-সমনীয়া, ওচৰ-চুবুৰীয়া অনেককে অনুপ্ৰাণিত কৰি পৃথিৱীৰ স্বাস্থ্যৰ প্ৰতি গুৰুত্বপূৰ্ণ অৰিহণা যোগাব পাৰো।

**কলপাত-চটিয়া আনক**

আমাৰ উৎসৱ-পাৰ্বণ, বিয়া-শ্ৰাদ্ধ, পূজা-পিকনিক সকলোতে আজিকালি আমি প্লাষ্টিক আৰু থাৰ্মকলৰ নানা বাচন-বৰ্তন, কাঁহী-বাটি, হেঁতা-চামুচ ব্যৱহাৰ কৰোঁ। খাই উঠি এইবোৰ বস্তু পেলনীয়া বস্তু পেলোৱা পাচি বা বাল্টিটোত পেলাই দিয়াতেই আমাৰ কাম শেষ। কিন্তু আগৰ দিনত মানুহে উৎসৱ-পাৰ্বণত ব্যৱহাৰ কৰা কলপাত, চটিয়া, দোনা আদিৰ দৰে এইবোৰ পচি যোৱা বা পৰিৱেশত মিলি যোৱা বস্তু নহয়। পাচিটোৰপৰা বা বাল্টিটোৰ পৰা নি এইবোৰ আমি য'তেই নেপেলাওঁ কিয়, ইহঁতে কেইবাশ বছৰলৈ পৰিৱেশৰ লগত মিলি নোযোৱাকৈ থাকি ঠাই লেতেৰা কৰিব, পানীৰ সোঁত বন্ধ কৰিব, মাটিৰ মাজৰ পানীৰ চলাচলত বাধা দিব, জীৱ-জন্তুৰ পেটলৈ সোমাই সিহঁতৰ অনিষ্ট কৰিব আৰু মানুহৰো নানা বিঘিনি ঘটাব। গতিকে, উৎসৱ-পাৰ্বণ, মেলা-সভা, শ্ৰাদ্ধ-সকামবোৰত আমি এই প্লাষ্টিকৰ এবাৰ খাই পেলাই দিব পৰা বাচন-বৰ্তনবোৰ ব্যৱহাৰ নকৰি, ধুই-পখালি বাৰে বাৰে ব্যৱহাৰ কৰিব পৰা বাচন-বৰ্তন ব্যৱহাৰ কৰাহে উচিত।

প্লাষ্টিকৰ বিষয়ে পৰিৱেশ সংস্থাবোৰে প'ষ্টাৰ-বেনাৰযোগে, প্ৰচাৰ-পত্ৰিকাযোগে দিয়া ধ্বনিটো হৈছে— প্লাষ্টিকক নাই নাই বুলি কওক। বাস্তৱ জীৱনত এই কাম সম্ভৱ বা অন্ততঃ বৰ সহজ নহ'ব পাৰে। কিন্তু আমি সামান্য সজাগ হ'লেই কৰিব পৰা বহু কাম আছে।

আমি কৰিব পৰা 'সামান্য কাম' কেইটামান আজিকালি পাঁচটা Rৰে সামৰি লোৱা হয়। সেই R-কেইটা হ'ল Refuse, Redue, Reuse, Repurpose আৰু Recycle, অৰ্থাৎ (১) নালাগে বুলি কওক বা দিলেও নল'ব, (২) কমকৈ লওক বা কমকৈ ব্যৱহাৰ কৰক, (৩) পুনৰ পুনৰবাৰ ব্যৱহাৰ কৰক বা বাৰে বাৰে নতুন নতুন বস্তু লৈ পেলাই দিয়া অভ্যাস এৰক, (৪) একেটা বস্তুকে নতুন নতুন কামত ব্যৱহাৰ কৰাৰ অভ্যাস কৰক আৰু (৫) পুনৰচক্ৰীকৰণ কৰক, অৰ্থাৎ আপোনাৰ ব্যৱহাৰৰ অনুপযোগী হৈ যোৱা বা পেলনীয়া সামগ্ৰী যিমান সম্ভৱ এনে ঠাইলৈ পঠোৱাৰ ব্যৱস্থা কৰক য'ত সেই সামগ্ৰী গলাই মেলি নতুন সামগ্ৰী তৈয়াৰ কৰাৰ ব্যৱস্থা আছে।

এইবোৰ আৰু কিতাপ বা বাতৰি কাকতত পঢ়ি পিছমুহূৰ্ততে পাহৰি যাব লগা কথা, নে আমি সকলোৱে জীৱনত সদায় পালন কৰিবলগীয়া কথা। এইবোৰ পালন কৰাৰ ক্ষেত্ৰত আমাৰ প্ৰত্যেকৰে ভূমিকা কি হোৱা উচিত? আৰু এইবোৰ কেৱল প্লাষ্টিক প্ৰদূষণৰ ক্ষেত্ৰতে খটা কথানে? সেইবোৰ কথাও আলোচনা কৰিব লাগে। ❐

# জী এছ টীৰ সাম্প্ৰতিক দৃষ্টিভংগী

**অনিল কুমাৰ শইকীয়া***

অতি সম্প্ৰতি দেশৰ অৰ্থনীতিত সৰ্বত্ৰ আৰু সবাতোকৈ চৰ্চিত বিষয় হৈছে জী এছ টী (Goods and Service Tax)। অৰ্থাৎ সামগ্ৰী আৰু সেৱা কৰ। বহুসংখ্যকৰ সন্মুখত এই কৰ দুৰ্বোধ্য হৈ আছে। সামান্যভাৱে কৰ সম্পৰ্কীয় জ্ঞানেই ইয়াক বুজিবৰ বাবে যথেষ্ট। সচেতন আৰু শিক্ষিত লোকৰ বাবে জী এছ টীৰ ধাৰণা সহজতে বোধগম্য হৈ উঠিব বুলি আশা কৰিব পাৰি।

দেশখনত বহুযুক্ত কৰৰ পৰিৱৰ্তে এককযুক্ত কৰ প্ৰৱৰ্তনৰ স্বাৰ্থত এইবিধ পৰোক্ষ কৰৰ ক্ষেত্ৰত এটা সংস্কাৰিত কৰ গাঁথনি প্ৰস্তুত কৰি প্ৰৱৰ্তন কৰা হৈছে। বিগত সময়ছোৱাত পৰোক্ষ কৰৰ ক্ষেত্ৰত অলেখ সমস্যাৰ সৃষ্টি হৈ আহিছিল। উপৰ্যুপৰি কৰৰ ওপৰত কৰ আৰোপ কৰি দেশখনত একপ্ৰকাৰ 'কৰ সন্ত্ৰাস' সৃষ্টি হৈছিল। আনহাতে, প্ৰত্যক্ষ কৰৰ ক্ষেত্ৰত সাংঘাতিক কৰ ফাঁকি দি অহাত চৰকাৰৰ ৰাজহ লোকচান হৈছিল। আনহাতে, দেশৰ প্ৰায় ৯৫ শতাংশ লোকে পৰোক্ষ কৰ দিব লাগে বাবে এই কৰৰ পৰা ৰাজহ আহৰণৰ প্ৰবল সম্ভাৱনাৰ কথা চিন্তা কৰি পৰোক্ষ কৰৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিব বিচৰা হৈছে। পৰোক্ষ কৰৰ প্ৰভাৱত দেশত সঘনাই মূল্যবৃদ্ধি হৈ থাকে। সেয়ে, পৰোক্ষ কৰৰ এনে এটা গাঁথনি প্ৰস্তুত কৰা হৈছে য'ত ক্ৰয় কৰোঁতা আৰু বিক্ৰী কৰোঁতা উভয়ে লাভৱান্বিত হ'ব পাৰে। এই সংস্কাৰিত কৰৰ ক্ষেত্ৰত অন্তহীন তৰ্ক, আলাপ-আলোচনা আৰু ৰাজনৈতিকভাৱে দৰ-দামৰ অন্তত নতুন বিজেপি মৰ্চা চৰকাৰখনে ২০১৭ চনৰ ১ জুলাইৰ পৰা এই সামগ্ৰী আৰু সেৱাৰ নতুন কৰ প্ৰৱৰ্তন কৰি ভাৰতবৰ্ষৰ অৰ্থনীতিত এটা নতুন মাত্ৰা তথা সাহসী পদক্ষেপ বিগত দহ বছৰৰ পাছত গ্ৰহণ কৰিবলৈ সক্ষম হ'ল।

মানুহৰ জীৱন-যাত্ৰাৰ বাবে যিহেতুকে প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় আৰু উপভোগ কৰিব লাগে সেয়ে কিছুমান সামগ্ৰীৰ বাহিৰে প্ৰায়বিলাক সামগ্ৰী আৰু সেৱাত জী এছ টীৰ প্ৰভাৱ পৰিছে। বিস্কুট, ঔষধ, দুচকীয়া বাহন, চাবোন, তেল আদিৰ মূল্য জী এছ টী প্ৰচলনৰ পাছত কমিব বুলি কোৱা হৈছিল যদিও সেয়া হৈ উঠা নাই। আনহাতে হোটেল, ৰেস্তোৰাঁত খোৱা, বিমানৰ ভাৰা, শীত-তাপ নিয়ন্ত্ৰিত ৰে'লৰ দবা আৰু চিনেমাৰ টিকটৰ দাম হ্ৰাস-বৃদ্ধিৰ প্ৰৱণতা সম্প্ৰতি প্ৰত্যক্ষ হোৱা নাই। ইয়াৰ বিপৰীতে আকৌ দাম বৃদ্ধি সম্ভাৱনা থকা সামগ্ৰী আৰু সেৱাৰ তালিকাখন যথেষ্ট দীঘলীয়া। ম'বাইল ফোন, মাখন, টিভি, এয়াৰ কণ্ডিশ্যনাৰ, ফ্ৰীয্ আৰু লেপ্‌টপৰ নিচিনা সামগ্ৰীৰ মূল্য আটাইতকৈ কিছুপৰিমাণে বৃদ্ধি পাইছে। ম'বাইলৰ বিল, জীৱন বীমাৰ প্ৰিমিয়াম, ইণ্টাৰনেটৰ ৱাইফাইৰ বিল, ডি টি এইচৰ সেৱাৰ মূল্য ইতিমধ্যে বাঢ়িবলৈ ধৰিছে।

সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰে পূৰ্বতে আৰোপিত ৮ বিধ কৰ (৩৮ বিধৰ ভিতৰত) আৰু ৰাজ্য চৰকাৰে ৯ বিধ (২৯ বিধৰ ভিতৰত) কৰ জী এছ টী প্ৰৱৰ্তনৰ লগে লগে বিলুপ্তি ঘটাইছে। কেন্দ্ৰীয় চৰকাৰে প্ৰধানকৈ কেন্দ্ৰীয় আবকাৰী শুল্ক আৰু সেৱা কৰ আৰু ৰাজ্যসমূহে মূল্য সংযোজিত কৰ (ভেট), প্ৰৱেশ কৰ, বিলাসী কৰ আৰু আমোদ কৰ উঠাই দিছে। এই কৰসমূহৰ ওপৰত এতিয়াৰ পৰা ৰাজ্য চৰকাৰসমূহৰ কৰ আৰোপণৰ অধিকাৰ নাথাকে। উল্লেখযোগ্য যে পেট্ৰল, ডিজেল, মদ আৰু বৃত্তি কৰৰ ওপৰত সংস্কাৰিত সামগ্ৰী আৰু সেৱা কৰ আৰোপিত কৰা নাই।

সামগ্ৰী আৰু সেৱা কৰ নিৰ্দ্ধাৰণৰ বাবে এখন শক্তিশালী পৰিষদ গঠন কৰা হৈছিল আৰু ইতিমধ্যে পৰিষদখনে শতাধিক সামগ্ৰীৰ তালিকা যুগুতাই কৰ নিৰ্দ্ধাৰণ কৰি দিছে। জী এছ টী প্ৰচলনৰ ফলত ৰাজ্যবোৰে হেৰুৱাব লগা ৰাজহ প্ৰথম পাঁচ বছৰত কেন্দ্ৰীয় চৰকাৰে ক্ষতিপূৰণ দিয়াৰ আশ্বাস প্ৰদান কৰিছে।

কোনবোৰ কৰৰ ওপৰত কোনখন চৰকাৰে তদাৰক কৰিব সেই সম্পৰ্কে দিয়া নিৰ্দেশনাত কোৱা হৈছে যে যিবোৰ ব্যৱসায়ৰ মূল্য ১ কোটি ৫০ লাখ সেইবোৰ তদাৰক কৰিব ৰাজ্য চৰকাৰে আৰু ইয়াতকৈ অধিক মূল্যৰ ব্যৱসায়িক প্ৰতিষ্ঠানবিলাকে কেন্দ্ৰ আৰু ৰাজ্যই সমানভাৱে তদাৰক কৰিব। যিবোৰ

---

*ড° অনিল কুমাৰ শইকীয়া কাকজান কলেজৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ

ব্যৱসায়িক প্ৰতিষ্ঠানৰ মূল্য ২০ লাখ সেইবোৰত জী এছ টী আৰোপিত নহয়। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত ১০ লাখ ধাৰ্য কৰা হৈছে।

সংস্কাৰিত সামগ্ৰী আৰু সেৱা কৰৰ ক্ষেত্ৰত পৰিষদখনে চূড়ান্তভাৱে পাঁচটা কৰৰ হাৰ নিৰ্দ্ধাৰণ কৰিছে। অৰ্থাৎ, সামগ্ৰী আৰু সেৱা অনুযায়ী ৫টা স্তৰত এই কৰ ধাৰ্য কৰিছে। সেইখিনি হৈছে ৩ শতাংশ, ৫ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ। সম্প্ৰতি বহুবিধ সামগ্ৰী আৰু সেৱা এই নতুন কৰৰ বাহিৰত ৰখা হৈছে, যেনে— বিবিধ খাদ্য সামগ্ৰী আৰু শস্য। সোণ আৰু কাপোৰত ইতিমধ্যে কৰৰ হাৰ ধাৰ্য কৰা হৈছে ৩ শতাংশ। সামগ্ৰী আৰু সেৱা কৰ পৰিষদখনে এই দিশত বিশেষভাৱে মনোনিৱেশ কৰিছে যে সংস্কাৰিত কৰৰ হাৰ যাতে পূৰ্বৰ কৰৰ হাৰৰ প্ৰায় ওচৰ-উচৰিকৈ থাকে। উদাহৰণ দি ক'ব পাৰি যে শীত-তাপ নিয়ন্ত্ৰিত ৰেস্তোৰাঁত আহাৰ খাওঁতে ভেট আৰু সেৱা কৰ লগাই যদি পূৰ্বতে ২০ শতাংশ কৰ ধাৰ্য কৰা হৈছিল, এই কৰ প্ৰচলনৰ পাছত ১৮ শতাংশলৈ কমি আহিল। সেইদৰে ম'বাইল ফোনৰ বিল বা বীমাৰ প্ৰিমিয়ামৰ ক্ষেত্ৰত কৰৰ হাৰ আছিল ১৫ শতাংশ আৰু এতিয়া এই কৰৰ হাৰ ১৮ শতাংশলৈ বৃদ্ধি পালে। উল্লেখযোগ্য যে সামগ্ৰী আৰু সেৱা কৰ পৰিষদখনে ১৮ শতাংশ কৰৰ হাৰক ৰাজহ নিক্ষেপ হাৰ (Revenue Neutral Rate) হিচাপে বিবেচনা কৰিছে যাতে কেন্দ্ৰ আৰু ৰাজ্যৰ কোষাগাৰসমূহে এই কৰ প্ৰৱৰ্তনৰ ফলত দুৰ্ঘোৰ ঘাটিৰ সন্মুখীন হ'বলগীয়া নহয়।

ইতিমধ্যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে নিজাকৈ সামগ্ৰী আৰু সেৱা কৰৰ পৰা আহৰণ হ'ব পৰা দিশবোৰ নিৰ্বাচন কৰিছে। উদাহৰণ হিচাপে কোনো এটা সামগ্ৰী যদি অসমত উৎপাদন হৈছে আৰু ইয়াত বিক্ৰীও হৈ আছে, তেনে ক্ষেত্ৰত যদিহে তেনে সামগ্ৰীৰ ওপৰত ১৮ শতাংশ কৰ ধাৰ্য কৰা হৈছে, তেতিয়াহ'লে কেন্দ্ৰ আৰু ৰাজ্য উভয়ে ৯ শতাংশকৈ কৰ আৰোপ আৰু সংগ্ৰহ কৰিব পাৰিব। আকৌ যদিহে দুখন ৰাজ্যৰ মাজত সামগ্ৰী আদান-প্ৰদান হৈ থাকে (যাক Interstate movement বুলি কোৱা হয়) তেনেবোৰ আন্তঃৰাজ্যিক সামগ্ৰী পৰিবহণৰ ক্ষেত্ৰত কেন্দ্ৰই কৰ ধাৰ্য কৰিব।

এইখিনিতে বহু প্ৰশ্নৰ অৱতাৰণা হ'ব পাৰে। সামগ্ৰী আৰু সেৱাৰ এই নতুন কৰ পদ্ধতিয়ে দেশৰ অৰ্থনীতি কেনেদৰে লাভৱান কৰি তুলিব? সেইদৰে ৰাজ্যবোৰৰ লাভৰ অংক কি হ'ব? এই কৰ প্ৰচলন হ'লে প্ৰত্যাশিত লাভ সম্ভৱ হৈ উঠিবনে?

তাত্ত্বিক দিশত বিচাৰ কৰি চালে এই কৰে ক্ষতিৰ তুলনাত লাভৰ পৰিমাণ বৃদ্ধিহে কৰিব। ১৮ বিধ কৰ উঠাই দি এবিধ কৰ কৰা হয়, তেনেহ'লে ব্যৱসায়-বাণিজ্য চলাবৰ বাবে এটা সুন্দৰ পৰিৱেশ সৃষ্টি হ'ব তাত সন্দেহ নাই। সম্প্ৰতি দেশৰ বিভিন্ন ৰাজ্যত প্ৰচলন হৈ থকা বহুবিধ কৰ একক কৰলৈ ৰূপান্তৰিত হোৱাত 'এক কৰ এখন দেশ'ত পৰিণত হৈছে। এই কৰ প্ৰচলনৰ সুবিধা গ্ৰহণ কৰি উৎপাদন প্ৰতিষ্ঠান-বিলাকে সমগ্ৰ দেশত উৎপাদন কেন্দ্ৰ খোলাৰ সুযোগ পাইছে। কিন্তু এই কথাও মনত ৰখা উচিত হ'ব যে বহু সময়ত উৎপাদন প্ৰতিষ্ঠান আৰু ইয়াৰ উৎপাদিত সামগ্ৰী সকলো যে বিশ্ব মানৰ হৈ উঠিব তাৰ নিশ্চয়তা নাই। আনহাতে, বিশ্বায়ন আৰু আৰ্থিক উদাৰীকৰণৰ মূল উদ্দেশ্যত নিহিত হৈ আছে যে সামগ্ৰী য'ত উৎপাদন হোৱা উচিত তেনে স্থানত সামগ্ৰীৰ দাম নিম্ন হ'ব লাগিব আৰু উচ্চ মানৰ সামগ্ৰী উৎপাদন সম্ভৱ হৈ উঠিব লাগিব। প্ৰকৃততে সমগ্ৰ দেশত একক কৰ প্ৰচলন হ'লে অন্য স্থানত সৰু সৰু প্ৰতিষ্ঠান খোলাৰ প্ৰয়োজন নহ'ব। সম্প্ৰতি দেশখনত এখন বজাৰ সৃষ্টি হোৱাত য'ত উৎপাদন হ'ব, তাতেই উৎপাদন কৰাটো অৰ্থনৈতিকভাৱে আটাইতকৈ সুবিধা-জনক ব্যৱস্থা হ'ব বুলি ভাবিব পাৰি। সেয়ে, বিকেন্দ্ৰীকৃত অৰ্থনৈতিক ধাৰণাটো নতুনভাৱে সংজ্ঞায়িত কৰাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি।

অসমৰ বিত্ত মন্ত্ৰীয়ে নতুন সামগ্ৰী আৰু সেৱা কৰ প্ৰচলনে ৰাজ্যখনলৈ অধিক ৰাজহ আহিব বুলি দৃঢ় বিশ্বাস স্থাপন কৰিছে। কাৰণ সামগ্ৰী আৰু সেৱা য'ত গ্ৰহণ কৰা হ'ব অৰ্থাৎ য'ত বিক্ৰী হ'ব তাতেই কৰ আদায় কৰা হ'ব। যি স্থানত উৎপাদন কৰে, সেই স্থানত কৰ আৰোপ কৰিব নোৱাৰিব। অসমলৈ অন্য ৰাজ্যৰ পৰা বহুসংখ্যক সামগ্ৰী আমদানি কৰি সিবোৰ বিক্ৰী কৰা হয় অসমতে। সেয়ে, তেনে বৃহৎ সামগ্ৰীৰ ওপৰত আৰোপিত কৰ অসম চৰকাৰে সংগ্ৰহ কৰিব পাৰিব।

বিশেষজ্ঞসকলৰ মতে, সামগ্ৰী আৰু সেৱাৰ নতুন কৰ ব্যৱস্থাটোলৈ সুস্থিৰতা আহিবৰ বাবে কমেও এটা বৰ্ষ সঞ্চালনিকৈ প্ৰচলন হৈ থাকিব লাগিব। সেয়ে, দেশখন, ৰাজ্যবোৰ, ব্যৱসায়ী গোষ্ঠী অথবা সমগ্ৰ জনগণ কেনেদৰে আৰু কিমানদূৰ লাভৱান হ'ব অথবা লোকচানৰ সন্মুখীন হ'ব লাগিব, সেয়া সঠিকভাৱে ক'ব পৰা নাযায়। মুদ্ৰাৰ নতুন সংস্কাৰৰ ফলত যিদৰে সময়ে সময়ে জটিলতা তথা অসুবিধাৰ সৃষ্টি হওঁতে সিবোৰ নিৰাময়ৰ বাবে যিদৰে পদক্ষেপ গ্ৰহণ কৰিছিল, এই নতুন কৰ

প্ৰৱৰ্তনৰ ক্ষেত্ৰতো আহিব ধৰা জটিলতাবোৰ সমাধানৰ বাবে নিশ্চয় সুস্থ পদক্ষেপ গ্ৰহণ কৰিব।

বহুবিধ কৰ বিলুপ্তিৰ পাছত কেন্দ্ৰ আৰু ৰাজ্যবোৰৰ অজস্ৰ কাগজী কৰ্মৰ (Paper works) হেঁচা বৃদ্ধি পাইছে। সামগ্ৰী আৰু সেৱাৰ কৰ নীতি মানি চলিবলৈ যাওঁতে আৰু কৰ প্ৰদান কৰোঁতে বহুসংখ্যক প্ৰ-পত্ৰ দাখিল কৰিব লগা হৈছে। আনহাতে, হাজাৰ হাজাৰ উৎপাদন প্ৰতিষ্ঠানে এতিয়াও চৰকাৰী-ভাৱে কৰ আইনৰ অধীনলৈ আহিবলৈ পঞ্জীয়নৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰা নাই বা কৰিব পৰা নাই। আকৌ বিশেষভাৱে ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যৱসায় শ্ৰেণীটোৰ বাবেও এনে কৰ্মই জটিলতাৰ সৃষ্টি নকৰাকৈও থকা নাই।

সামগ্ৰী আৰু সেৱাৰ নতুন কৰ নীতি উপেক্ষা কৰি কোনো বৃহৎ প্ৰতিষ্ঠানে সম্পূৰ্ণ কৰ দাবী কৰিব নোৱাৰিব। প্ৰকৃততে এই কৰৰ ফলত দেশৰ ৯৫ শতাংশ অসংগঠিত শিল্প প্ৰতিষ্ঠানৰ কৰ্মীৰ জীৱন-জীৱিকাৰ ক্ষেত্ৰত অনিশ্চয়তা অহাৰ আশংকাও কৰা হৈছে। সামগ্ৰীৰ মূল্যবৃদ্ধি, কৃত্ৰিম নাটনি, গ্ৰাহকক প্ৰতাৰিত কৰা আনকি কৰ ফাঁকিৰ সুৰুঙা বিচৰা প্ৰৱণতাবোৰ উদ্ভৱ হোৱাৰ সম্ভাৱনা নথকা নহয়। নগদবিহীন লেনদেন হৈছে এই নতুন কৰ অগ্ৰগতিৰ অন্যতম চালিকা শক্তি। স্পষ্টকৈ ক'বলৈ গ'লে অৰ্থনীতিৰ সমস্ত কৰ্মবোৰৰ লেনদেন ডিজিটেলৰ মাধ্যমত যি পৰ্যন্ত হৈ নুঠিব সেই পৰ্যন্ত সামগ্ৰী আৰু সেৱাৰ এককযুক্ত কৰে সমগ্ৰ দেশৰ বাবে এখন বজাৰ পূৰ্ণৰূপত লাভ কৰিব নোৱাৰিব। যিখন দেশত গৰিষ্ঠ সংখ্যক নিৰক্ষৰ, দৰিদ্ৰ, শ্ৰমিক তথা কৃষকৰ অৱস্থান মানি লোৱা হৈছে সেইখন দেশত একক কৰ আৰু এখন বজাৰৰ বাবে প্ৰয়োজনীয় সম্ভাব্য শিক্ষণ কিমানদূৰ সম্ভৱ হৈ উঠিব, সেয়া এটা বৃহৎ প্ৰশ্ন হৈ হয়তো থাকি যাব পাৰে। ❒


---

**(৪২ পৃষ্ঠাৰ পৰা)**

মত পোষণ কৰিছে যে পৰিদৰ্শন ৰাজৰ কাৰ্যক্ৰম নিয়ন্ত্ৰণৰ স্বাৰ্থত এনে ব্যৱস্থাৰ গতি নিয়ন্ত্ৰণ কৰা প্ৰয়োজন। বৰ্তমানৰ আইন ব্যৱস্থা মতে প্ৰয়োজনত তেনে কোনো ক্ষেত্ৰ পৰিদৰ্শন, হিচাপ পৰীক্ষণ বা অভিযানৰ ক্ষেত্ৰত ৰাজ্যখনৰ যুটীয়া কৰ আয়ুক্তৰ আগতীয়া অনুমোদন গ্ৰহণৰ প্ৰয়োজন বাধ্যতামূলক হ'ব। কিন্তু এই প্ৰক্ৰিয়াই সফলতা নে বিফলতা আনিব সেয়া সময়ে ক'ব। কাৰণ এনে মধ্যৱৰ্ত্তী প্ৰক্ৰিয়াত নানা ধৰণৰ নেতিবাচক প্ৰক্ৰিয়াৰ অৱলম্বনৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

এই কথা সত্য যে জী এছ টী ব্যৱস্থা হৈছে এক বৈপ্লৱিক ব্যৱস্থা আৰু ইয়াৰদ্বাৰা অসম তথা সমগ্ৰ ভাৰতৰ অৰ্থনৈতিক দিশত এটা বিৱৰ্তন আনিব বুলি আশা কৰিব পাৰি। ❒

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।


AZADI 70 SAAL
YAAD KARO QURBANI
Immortal Saga of Freedom Struggle through the World of Books
THE COLLECTED WORKS OF MAHATMA GANDHI
HISTORY OF THE FREEDOM MOVEMENT IN INDIA
GANDHI IN CHAMPARAN
Satyagraha
SIR CHHOTU RAM
भारत में अंगरेज़ी राज
BUILDERS OF MODERN INDIA
Romain Rolland And Gandhi Correspondence
SARDAR PATEL
Rashtrapati BHAVAN
TRIAL OF TILAK
Select titles available as eBook
Buy online at
play.google.com, amazon.in, kobo.com
Publications Division
Ministry of Information & Broadcasting, Government of India
Soochna Bhawan, CGO Complex, Lodhi Road, New Delhi-110003
website: www.publicationsdivision.nic.in
For placing orders, please contact:
Phone : 011-24367260, 24365609, e-mail: businesswng@gmail.com
@DPD_India
www.facebook.com/publicationsdivision
www.facebook.com/yojanaJournal

# প্ৰযুক্তি আৰু আধুনিক জীৱন-যাত্ৰা

**বিজয়কৃষ্ণ দেৱশৰ্মা***

এইটো সঁচা যে প্ৰযুক্তিয়ে আমাৰ জীৱন-যাত্ৰাৰ মোট সলনি কৰিছে। যিপিনেই চোৱা যায়, তাতেই দেখা যায় প্ৰযুক্তিৰ নিদৰ্শন। ৰেডিঅ', টীভী, টেলিফোন, ভী চী আৰ, ভিডিঅ', গেম, কম্পিউটাৰ, লেপটপ, ফেক্স, ই-মেইল, জেৰক্স, ফ্ৰীয্, মাইক্ৰ' অ'ভেন, ৱাছিং মেচিন, কুকাৰ ইত্যাদিকে ধৰি প্ৰযুক্তি প্ৰজাত সামগ্ৰীৰে আধুনিক জীৱন ভৰপূৰ। এনে উপকৰণৰ অক্টোপাছে মানুহৰ দৈনিক জীৱন ঘেৰি আছে। ইয়াৰ বন্ধনৰ পৰা মুক্ত হোৱাটো একপ্ৰকাৰ অসম্ভৱ বুলিয়েই ক'ব পাৰি।

প্ৰথমতে টীভীৰ ক'ব পাৰি। ঘৰত যদি টীভী নাথাকে তেন্তে কিদৰে এজন লোকে নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাব আৰু চেন্নাই ফুটবলৰ খেলখন উপভোগ কৰিব বা উত্তেজনাপূৰ্ণ ভাৰত বনাম অষ্ট্ৰেলিয়াৰ মাজত হোৱা ক্ৰিকেট খেলখন চাব কেনেকৈ? টীভীৰ জৰিয়তে লোকে ঘৰত বহিয়েই দূৰ-দূৰণিত হৈ থকা অলিম্পিক খেলবোৰ উপভোগ কৰিব পাৰিছে। সেইদৰে প্ৰিয় ধাৰাবাহিকবোৰ (ৰামায়ণ, মহাভাৰতৰ দৰে) উপভোগ কৰিব নোৱাৰিব যদিহে ঘৰত টিভি নাথাকে। একেদৰে টীভীৰ জৰিয়তে প্ৰিয় ছবিও চাব পাৰি, নানা কথা শিকিব পাৰি; নিতৌ ডাঁৰৰ বাতৰি ডাঁৰে ডাঁৰে পাব পাৰি। টীভীৰ সৈতে সংলগ্নিত 'কেবল'যোগে পাই থাকিব পাৰি পৃথিৱীৰ যিকোনো ঠাইৰ নিত্য-নতুন খবৰ-বাতৰি। আচলতে, সম্প্ৰতি টীভী হৈ পৰিছে জনসাধাৰণৰ বাবে বিনোদনৰ মুখ্য আহিলা।

এতিয়াৰ পৰা প্ৰায় চল্লিছ-পঞ্চাছ বছৰ আগত মানুহৰ জীৱন-যাত্ৰা আছিল অন্যধৰণৰ। বন্ধু-বান্ধৱ, আত্মীয়-স্বজনৰ মাজত অতিবাহিত হৈছিল দৈনিক জীৱন। এতিয়া এনে ৰীতি ক্ৰমে কমি আহিছে। বন্ধু-বান্ধৱ বা আত্মীয়-স্বজনৰ সৈতে সুখ-দুখৰ কথা পাতি সময় কটোৱা ৰীতি, বিশেষকৈ নগৰীয়া অঞ্চলত অৱলুপ্ত হ'ব ধৰিছে। এয়া টীভীৰ পৰোক্ষ প্ৰভাৱ। আন কথাত, টীভীয়ে সামাজিক বন্ধনত আঘাত হানিছে। তথাপি আমি স্বীকাৰ নকৰি নোৱাৰোঁ যে আধুনিক জীৱন-যাত্ৰাত টীভীয়ে জনসংযোগৰ শক্তিশালী প্ৰচাৰযন্ত্ৰ ৰূপে কাম কৰিছে। টীভীৰ দৰে ৰেডিঅ'ও হৈ পৰিছে সাধাৰণ শ্ৰেণী ৰাইজৰ বাবে সংবাদবাহী মাধ্যম। এই দুই যান্ত্ৰিক মাধ্যমে বাতৰি কাকতকো চেৰ পেলাইছে।

অধুনা প্ৰযুক্তিবিদ্যাৰ প্ৰগতিয়ে টী ভীৰ লগতে যুক্ত কৰিছে 'শ্ৰব্য-কিতাপ' (বা অডিঅ' বুক)। এনে কিতাপ পঢ়িবৰ প্ৰয়োজন নাই, কেৱল শুনিব লাগে। গতিকে আক্ষৰিক জ্ঞান নাথাকিলেও ব্যক্তি এজনে জনপ্ৰিয় গল্প বা উপন্যাস শুনিব পাৰে। শ্ৰব্য কিতাপৰ কেছেট বা টীভী বজালেই গল্প-কবিতা-উপন্যাস বা প্ৰবন্ধ শুনাৰ সুযোগ পোৱা যায়। ইয়াৰদ্বাৰা অন্ধ ব্যক্তি বা নিৰক্ষৰ ব্যক্তিসকলো উপকৃত হয়। অৱশ্যে, এই প্ৰথা প্ৰচলিত হ'লে, কিতাপ পঢ়াৰ সংখ্যা কমাৰ সম্ভাৱনা নোহোৱা নহয়।

প্ৰযুক্তিবিদ্যাৰ আন এটা প্ৰজাত যন্ত্ৰ আমাৰ জীৱনৰ সৈতে অংগাংগীভাৱে আহি পৰিছে। সেয়া হ'ল 'টেলিফোন' ব্যৱস্থা— তাঁৰ টনা আৰু তাঁৰহীন ম'বাইল দুয়োবিধ। এতিয়া ম'বাইল ফ'ন ইমান জনপ্ৰিয় হৈছে যে কাম কৰা বনুৱাৰ পৰা বিজ্ঞানীলৈ সকলোৰে হাতে হাতে দেখা যায় ম'বাইল ফ'ন। কাৰণ ইয়াৰদ্বাৰা ওচৰতে থকাজনৰ পৰা দূৰণিৰ বা বিদেশত থকাজনৰ সৈতে লগে লগে কথা হ'ব পাৰি। জন্মদিনৰ শুভেচ্ছা জনোৱাৰ পৰা কোনো এটা খবৰ দিয়ালৈ বা কুশল-বাতৰি লোৱালৈ টেলিফোন হৈ পৰিছে এটা সহজ মাধ্যম। ই আগৰ চিঠিৰে খা-খবৰ লোৱা কথাটো কমাই দিছে।

একেদৰে কম্পিউটাৰ হৈ পৰিছে আধুনিক জীৱন যাত্ৰাৰ এটা আৱশ্যকীয় আহিলা। কম্পিউটাৰে আজিৰ মানুহক দিছে গতি, নিৰ্ভুলতা আৰু দক্ষতা। এনেকি এতিয়াৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলোৱে কম্পিউটাৰ ব্যৱহাৰ নকৰি নোৱাৰে। স্কুলৰ পাঠ্যক্ৰমতো কম্পিউটাৰ শিক্ষা আহি পৰিছে। সেয়ে সাম্প্ৰতিক সময়ত কম্পিউটাৰৰ ব্যৱহাৰ নজনা মানে সমাজত অচল টকা হোৱাৰ দৰে হয়। এজন বয়সীয়া শিক্ষিত বন্ধুৱে এবাৰ

*ড° বিজয়কৃষ্ণ দেৱশৰ্মা উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয় উন্নয়ন পৰিষদৰ প্ৰাক্তন সঞ্চালক

কৈছিল— এতিয়া অৰ্থাৎ আধুনিক জীৱন যাত্ৰাত মানুহৰ সংগী মানুহ নহয়। মানুহৰ সংগী হৈছে গাড়ী, কম্পিউটাৰ, টীভী, ম'বাইল আৰু বেংক একাউণ্ট।' মন্তব্যটোৰ তাৎপৰ্য মিছা নহয়। আচলতে প্ৰযুক্তিবিদ্যাৰদ্বাৰা পোৱা প্ৰজাত সামগ্ৰীসমূহে আধুনিক জীৱন যাত্ৰা সহজ আৰু ক্ষিপ্ৰতৰ কৰি তুলিছে।

এইখিনিতে মন কৰিবলগীয়া কথা যে আধুনিক জীৱনশৈলী আগৰ দৰে একেলগে থকা পৰিয়াল পদ্ধতিৰে চালিত নহয়। একক পৰিয়াল পদ্ধতিত স্বামী-স্ত্ৰী আৰু এটা বা দুটা সন্তান। সেয়ে সন্তানক ব্যস্ত কৰি ৰাখিবৰ বাবে মাক-দেউতাকে আনি দিয়ে কম্পিউটাৰ, ভিডিঅ' গেম আদি। কাৰণ, প্ৰতিজন পিতৃ-মাতৃয়ে বিচাৰে প্ৰতিযোগিতামূলক পৰিৱেশত তেওঁলোকৰ সন্তান বৰ্তি থাকক। মাক বা দেউতাকৰ সময় নাই সন্তানৰ সৈতে বহি পঢ়া-শুনা দেখাৰ। আগেয়ে যৌথ পৰিয়াল পদ্ধতিত ল'ৰা-ছোৱালীয়ে আইতাক-ককাক বা খুড়াক-পেহীয়েকৰ পৰা নানা কথা শিকিব পাৰিছিল। একক পৰিয়াল পদ্ধতিত মাক-দেউতাকৰ বাহিৰে আন কোনো নাথাকে। তাতে যদি দুয়োজন চাকৰি কৰা হয়, তেন্তে সমস্যা আৰু বেছি হৈ উঠে। সেয়ে কম্পিউটাৰ বা ভিডিঅ' গেমেই হয় ল'ৰা-ছোৱালীৰ সংগী। নগৰীয়া জীৱনৰ এয়া জানো 'অভিশাপ' (?) হৈ উঠা নাই? গাওঁৰ জীৱনৰ চিত্ৰ অৱশ্যে অলপ পৃথক।

আধুনিক জীৱন যাত্ৰাত সম্বলিত হোৱা আন এটা যন্ত্ৰ হ'ল 'কেলকুলেটৰ' বা গণনাকৰ যন্ত্ৰ। আজিকালি ইয়াৰ আকাৰ ইমান সৰু হৈ আহিছে যে যন্ত্ৰটো ছাৰ্ট বা কামিজৰ মোনাতে লৈ যাব পাৰি। প্ৰায় প্ৰতিখন দোকানতে বস্তুৰ দাম উলিয়াবলৈ এনে কেলকুলেটৰ ব্যৱহাৰ কৰা হয়। ইয়াৰ বাবে বিশেষ শিক্ষাৰো প্ৰয়োজন নহয়। কেৱল কোনটো বুটাম টিপিলে যোগ-বিয়োগ আদি গাণিতিক প্ৰক্ৰিয়া সম্পন্ন জানিলেই যথেষ্ট। ব্যৱহাৰিক জীৱনত প্ৰয়োজন হোৱা গাণিতিক হিচাপ-নিকাচৰ প্ৰক্ৰিয়াখিনি কেলকুলেটৰৰ সহায়ত সমাধা কৰিব পাৰি। অৱশ্যে ইয়াৰ ফলত ক্ষতি নোহোৱাকৈ থকা নাই। বহুতে সাধাৰণ যোগ-বিয়োগ, পূৰণ-হৰণ কৰিবও নজনা হৈছে। এইবাবেই স্কুলীয়া স্তৰত শ্ৰেণী-কক্ষত বা পৰীক্ষা হলত কেলকুলেটৰৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে। এজন গণিতৰ অধ্যাপকে এঠাইত কৈছিল— 'এতিয়া কেলকুলেটৰ মানুহৰ দাস নহৈ মানুহ হৈ পৰিছে কেলকুলেটৰৰ দাস।' কথাষাৰ একেবাৰে মিছা নহয়।

মন কৰিবলগীয়া কথা যে প্ৰযুক্তি সময়ৰ সৈতে পৰিৱৰ্তিত হৈ আছে। আজি যি আৱিষ্কৃত হৈছে, কাইলৈ সেয়া হৈছে পুৰণি। মানুহেও পুৰণি প্ৰযুক্তি এৰি নতুন প্ৰযুক্তি গ্ৰহণ কৰিছে। উদাহৰণ স্বৰূপে টাইপ ৰাইটাৰৰ কথা ক'ব পাৰি। টাইপ ৰাইটাৰ এতিয়া সংগ্ৰহালয়ৰ সামগ্ৰী স্বৰূপ হৈছে। এনেকি বৈদ্যুতিন ৰাইটাৰো বিপন্ন প্ৰজাতিৰ দৰে বিলুপ্ত হোৱাৰ পথা অগ্ৰসৰ হৈছে। ইয়াৰ ঠাই লৈছে কম্পিউটাৰ আৰু ইয়াৰ সহচৰ সজ্জাই। কাৰণ, কম্পিউটাৰৰ সহায়ত খৰতকীয়া-ভাৱে নিৰ্ভুলতাৰে লিখনৰ কাম কৰিব পাৰি। প্ৰয়োজন সাপেক্ষে কথাখিনি কম্পিউটাৰৰ স্মৃতিকক্ষত জমা ৰাখি ইচ্ছানুসৰি পুনৰ চাব পাৰি। ইয়াৰ সহায়ত যিমান ইচ্ছা তিমান সংখ্যক ছপাবও পাৰি। এইবাবেই আগৰ টাইপ-ৰাইটাৰ নামৰ যন্ত্ৰবিধ লুপ্তপ্ৰায় হৈছেগৈ।

প্ৰযুক্তিৰ প্ৰগতিয়ে আধুনিক জীৱন-যাপনত বিবিধ সুখ-স্বাচ্ছন্দ্যৰ আহিলাৰ যোগান ধৰিছে। আমাৰ প্ৰায়বোৰ নগৰীয়া ঘৰত টীভী, ফ্ৰীয, প্ৰেছাৰ কুকাৰ, মাইক্ৰ' অ'ভেন, কাপোৰ ধোৱা মেচিন আৰু গাড়ী থকাটো নিয়মৰ দৰে হৈছে। আন কথাত, এনেবোৰ সা-সৰঞ্জাম নথকাটো আভিজাত্যহীনতা যেন হৈ পৰিছে। ইয়াৰ আঁৰত অৱশ্যে সমাজৰ পৰিৱৰ্তন নথকা নহয়। আজিকালি নাৰী আৰু পুৰুষ সমানে তাল মিলাই চলিছে। সেয়ে নাৰীৰ বাবে সময়ৰ নাটনি হৈছে আৰু প্ৰযুক্তি প্ৰজাত আহিলাবোৰ ঘৰ চম্ভালাত সহায়ক হৈছে। ঘৰত স্বয়ংচালিত কাপোৰ ধোৱা মেচিন, বাচন ধোৱা 'ডিচ ওৱাচাৰ' বা চাফা কৰা ভেকুৱাম ক্লিনাৰ থাকিলে কাম কৰা ল'ৰা বা তিৰোতাৰ প্ৰয়োজন নহয়। সেইদৰে নগৰীয়া জীৱনত গাড়ী এখন থকাটো বিলাসৰ পৰিৱৰ্তে নিতান্ত প্ৰয়োজন হৈ পৰিছে। সাপ্তাহিক বজাৰ কৰা, বেংক-অফিচ আদিলৈ যোৱা, চিকিৎসালয় বা চিকিৎসকৰ ওচৰলৈ যোৱা, স্কুল-কলেজ বা অফিচত সময় মতে উপস্থিত হোৱা আদি কামবোৰত গাড়ীখনে বাৰুকৈয়ে সহায় কৰে। সেয়ে নিঃসন্দেহে ক'ব পাৰি যে মানুহ ক্ৰমে প্ৰযুক্তি নিৰ্ভৰ হৈ পৰিছে। কিন্তু প্ৰযুক্তিৰ উন্নতিয়ে মানুহৰ মাজত সম্পৰ্ক কমি গৈছে। ইয়াৰ পৰিৱৰ্তে স্থাপিত হৈছে মানুহ আৰু যন্ত্ৰৰ সম্পৰ্ক। মানুহে আধুনিক জীৱন যন্ত্ৰ-নিৰ্ভৰ কৰি তুলিছে। অৰ্থাৎ বিজ্ঞানে আমাক দিছে বেগ, কাঢ়ি নিছে আৱেগ। ❐

## আপুনি জানেনে?

# ৰাষ্ট্ৰীয় মুনাফাখোৰ প্ৰতিৰোধক প্ৰাধিকৰণ

শেহতীয়াভাৱে ৰূপায়ণ কৰা সামগ্ৰী আৰু সেৱা কৰ— জী এছ টী আইনৰ এটা অন্যতম প্ৰধান বৈশিষ্ট্য হৈছে মুনাফা বা লাভখোৰ প্ৰতিৰোধ ব্যৱস্থা। এই ব্যৱস্থাই সংশ্লিষ্ট ক্ষেত্ৰসমূহক জি এছ টিৰ কাৰণে অতিৰিক্ত লাভ সৃষ্টিত প্ৰতিৰোধ কৰিব। জি এছ টিয়ে ইনপুট টেক্স ক্ৰেডিটৰ লগতে মূল্য হ্ৰাস কৰাৰো আশা কৰা হৈছে, তেনে অৱস্থাত ৰাষ্ট্ৰীয় মুনাফাখোৰ প্ৰতিৰোধক প্ৰাধিকৰণ (এন এ এ) স্থাপনৰ জৰিয়তে মূল্য ৰেহাইৰ হেতু সংশ্লিষ্ট খণ্ডবোৰে লাভ কৰা লাভ উপভোক্তালৈ যাব। লগতে সংশ্লিষ্ট খণ্ডবোৰে অসাধাৰণভাৱে বৃদ্ধি কৰা নিৰিখ জী এছ টীৰ কাৰণে এই নিকায়ে চোৱাচিতা কৰিব।

মুনাফাখোৰ প্ৰতিৰোধক বিধি ২০১৭ এন এ এৰ সদস্যসকলক বাচনি কৰিব আৰু অন্যান্য সমিতিবোৰ যিবোৰে কোনো অভিযোগৰ ক্ষেত্ৰত এন এন এই অনুসন্ধান কৰে সেইবোৰৰ সহায় কৰিব, অনুসন্ধানৰ প্ৰক্ৰিয়া অনুসৰণ কৰিব আৰু প্ৰাধিকৰণক এইক্ষেত্ৰত ক্ষমতা দিয়া হৈছে।

বিধি অনুসৰি প্ৰাধিকৰণৰ ৩ স্তৰীয় গাঁথনি থাকিব তাৰ ভিতৰত মুনাফাখোৰ প্ৰতিৰোধকৰ স্থায়ী উপদেষ্টা, ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতি আৰু এটা ৰাষ্ট্ৰীয় মুনাফাখোৰ প্ৰতিৰোধক প্ৰাধিকৰণ।

কোনো খণ্ড যি আইনগতভাৱে লাভ আদায়ৰ বাবে চিহ্নিত কৰা হ'ব সেই খণ্ডক কেতবোৰ বিষয় অৱগত কৰিব পাৰিব— প্ৰথম, যদি মূল্য অত্যধিক হাৰত বৃদ্ধি কৰিছে তেন্তে মূল্য হ্ৰাস কৰিববলৈ আৰু দ্বিতীয়তে, যদি জি এছ টিৰ কাৰণে মূল্য ৰেহাইৰ লাভ উপভোক্তাক দিয়া নাই তেন্তে মূল্য ৰেহাইৰ অধিক মূল্য সংগ্ৰহ কৰা তাৰিখৰ পৰা ১৮ শতাংশ হাৰত সুতৰ সৈতে দিব লাগিব। প্ৰাধিকৰণে মুনাফাখোৰক জৰিমনা বিহিব পাৰে বা পঞ্জীয়ন বাতিল কৰিব পাৰে।

আমি ছিংগাপুৰ আৰু অষ্ট্ৰেলিয়াৰ দৰে জি এছ টি গ্ৰহণ কৰা কেতবোৰ দেশৰ অভিজ্ঞতাৰ প্ৰতি লক্ষ্য ৰখো তেন্তে আমি দেখো যে জি এছ টি ৰূপায়ণৰ পাছত মুদ্ৰাস্ফীতি হ্ৰাস পাইছে। মালয়েছিয়াতো অসময়ত মুদ্ৰাস্ফীতি উফন্দি উঠিছিল আৰু মুনাফাখোৰ প্ৰতিৰোধ বিধি প্ৰণয়ন কৰাৰ পাছত ইয়াক কাৰ্যকৰীভাৱে পৰিহাৰ কৰিব পৰা হৈছে।

যদি জি এছ টি প্ৰযোজ্য হোৱাৰ পূৰ্বৰ তুলনাত জি এছ টি প্ৰযোজ্য হোৱাৰ পৰৱৰ্তী সময়ত মুঠ লাভৰ অসাধাৰণ উন্নতি ঘটিছে তেন্তে নিম্ন ৰেখা নিৰীক্ষণৰ এটা সূত্ৰ আছে। যোগনকাৰীৰ ব্যয়, পৰৱৰ্তী ব্যয়সায়ৰ বাবে ব্যয়, বজাৰ অৱস্থা আৰু অন্যান্য আনুষংগিক বিষয়ৰ ওপৰত নিৰ্ভৰ কৰি উন্নতি নিশ্চিত কৰা হয়।

যদি কোনো এখন ছুপাৰ মাৰ্কেটে জি এছ টিৰ দোহাই দি নিত্য ব্যৱহাৰ্য সামগ্ৰী অধিক মূল্যত বিক্ৰী কৰে, তেন্তে কোনো ব্যক্তিয়ে ৰাষ্ট্ৰীয় মুনাফাখোৰ প্ৰতিৰোধক প্ৰাধিকৰণ (এন এ এ)ৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰে। একেদৰে যদি কোনো এবিধ চাবোনৰ মূল্য হ্ৰাস পাইছে কিন্তু দোকানীয়ে পুৰণি মূল্যতে বিক্ৰী কৰি আছে তেনে ক্ষেত্ৰত এন এন এত এটা অভিযোগ দাখিল কৰিব পাৰে। এটা কোম্পানীক ইয়াৰ মূল্য হ্ৰাস কৰা আৰু উপভোক্তাৰ পৰিশোধেয় ধন উপভোক্তা কল্যাণ নিধিত জমা দিয়াৰ বাবেও সমিতিক ক্ষমতা দিয়া হৈছে। এই কোম্পানীৰ ওপৰত জৰিমনা জাৰি কৰিব আৰু পঞ্জীয়ন নাকচ কৰিব পাৰে। এই প্ৰাধিকৰণে কোনো অভিযোগৰ ভিত্তিত কোনো কোম্পানীৰ প্ৰতিনিধিলৈ চমন জাৰি কৰিব পাৰে আৰু ডাটা এনালাইটিক সঞ্চালকালয় বা জি এছ টি সঞ্চালক প্ৰধানৰ সঞ্চালকালয় আদিৰ দৰে চৰকাৰী কোষৰ জৰিয়তে অনুসন্ধানৰ ব্যৱস্থা কৰিব পাৰে। ইয়াৰ নিৰ্দেশনাৰ বিৰুদ্ধে কেৱল উচ্চ ন্যায়ালয়তহে আপীল কৰিব পাৰে। ❐

উত্তৰ-পূবৰ দিনলিপি

# উত্তৰ-পূবৰ ৰাজ্যকেইখনৰ সামগ্ৰী আৰু সেৱা কৰৰদ্বাৰা লাভ

সামগ্ৰী আৰু সেৱা কৰ ঘোষণাৰদ্বাৰা উপকৃত হ'বলগীয়া ৰাজ্যসমূহৰ মাজত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনো আছে। সামগ্ৰী আৰু সেৱা কৰে ভাৰতৰ অধিক উন্নত ৰাজ্যকেইখনৰ ক্ৰমান্বয়ে হোৱা বিত্তীয় বিকাশৰ ধাৰা উপলব্ধি কৰাত এই ৰাজ্যকেইখনক সুযোগ প্ৰদান কৰিব। উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে সামগ্ৰী আৰু সেৱা কৰ ঘোষণাৰ বিষয়ে সাংবাদিকৰ লগত হোৱা মত বিনিময় অনুষ্ঠানত এই কথা প্ৰকাশ কৰে।

উত্তৰ-পূৰ্বাঞ্চলৰ ইণ্টাৰনেট সংযোগ বিষয়ত কৰ্তৃপক্ষই দৃষ্টি ৰাখিছে বুলি ড° জীতেন্দ্ৰ সিঙে কয় যে, সহজ বিকল্পৰ কিছু কামৰ অনুশীলন কৰা হৈছে আৰু মাত্ৰ পঞ্জীয়ন কৰা বা লগিং ইন কৰা সময়ত ইণ্টাৰনেট সংযোগ প্ৰয়োজন বুলি সোঁৱৰাই দিয়া হৈছিল। ব্যৱসায়ী আৰু আন সকলৰ সুবিধাৰ অৰ্থে প্ৰাৰম্ভিক স্থান পৰিৱৰ্তনৰ সময়ত ২০১৭ চনৰ ২০ আগষ্টলৈকে প্ৰথম দুমাহৰ সামগ্ৰী আৰু সেৱা কৰ নথি-পত্ৰ দাখিল কৰা হ'ব আৰু তাৰ পাছত পুনৰ ২০১৭ চনৰ ২০ ছেপ্তেম্বৰত আৰু তেনেদৰে নিয়ম অনুযায়ী প্ৰতি মাহত কৰা হ'ব বুলি তেওঁ কয়।

তেওঁ আৰু কয় যে, উত্তৰ-পূবৰ বিষয়া/কৰ্মচাৰীৰ বাবে দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী নিয়মিতভাৱে শ্বিলঙত অনুষ্ঠিত কৰা হ'ব আৰু ফৰিদাবাদত অনুৰূপ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সামগ্ৰী আৰু সেৱা কৰা বিষয়ত অভিজ্ঞ বিষয়া/কৰ্মচাৰীক সফল ব্যক্তি হিচাপে কামত নিয়োজিত কৰাটো উচিত হ'ব আৰু ব্যৱসায়ী, বাণিজ্যিক লেনদেনকাৰী, উদ্যোগৰ সদস্য আৰু আন দাবীদাৰৰ বাবে সজাগতা আৰু সহযোগ কাৰ্যসূচী প্ৰস্তুত কৰোতে উত্তৰ-পূবকে ধৰি সমগ্ৰ দেশত থকা সামগ্ৰী আৰু সেৱা কৰা আয়ুক্তৰ কাৰ্যালয়ৰ লগত সহযোগিতাৰে কাম কৰিব লাগিব।

উত্তৰ-পূবৰ বাবে ১০ লাখ টকালৈকে ৰেহাই সীমাৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, পূৰ্বে এই অঞ্চলৰ ৰাজ্যকেইখনত ইয়াৰ পৰিমাণ কম আছিল। উদাহৰণ স্বৰূপে ছিকিমৰ বাবে ৩ লাখ, অৰুণাচল প্ৰদেশৰ বাবে ২ লাখ আৰু অসমৰ বাবে আছিল ৬ লাখ টকা পৰ্যন্ত।

**এফ আই চী চী আই উত্তৰ-পূবত**

সামগ্ৰী আৰু সেৱা কৰ সুনিয়াৰিকৈ ৰূপায়ণৰ ক্ষেত্ৰত ফেডাৰেশ্বন অৱ ইণ্ডিয়ান চেম্বাৰ্ছ অৱ কমাৰ্ছ এণ্ড ইণ্ডাষ্ট্ৰিৰ (এফ আই চী চী আই) সভাপতিয়ে সামগ্ৰী আৰু সেৱা কৰ দাখিলৰ পদ্ধতি আৰু আন দিশবোৰৰ সন্দৰ্ভত সজাগতা শিবিৰ আয়োজনৰ জৰিয়তে উত্তৰ-পূবৰ লগতে সমগ্ৰ দেশতে সামগ্ৰী আৰু সেৱা কৰ সুনিয়াৰিকৈ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত পূৰ্ণ সমৰ্থন আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰিছে।

পূৰ্বতে কৰ আওতাৰ পৰা বাদ দিয়া কিছুমান নিৰ্দিষ্ট স্থানীয় উৎপাদন এতিয়া কৰৰ আওতালৈ আহিব বুলি আশংকা কৰা হৈছে, কিন্তু কোৱা হৈছে যে, লগতে দৃঢ়ভাৱে সংলগ্ন কৰা কৰ, যিবোৰ স্পষ্ট আছিল বৰ্তমান তেনে কিছুমান আঁতৰ কৰা হৈছে, ইয়াৰ ফলস্বৰূপে সামগ্ৰিক ফলাফল ব্যয় একে হ'ব। শেষ বিচাৰত উত্তৰ-পূব আৰু জম্মু আৰু কাশ্মীৰৰ পৰিধি সৰ্বাধিক হিতৰ সাধন হ'ব কাৰণ সামগ্ৰী আৰু সেৱা কৰে ভাৰতৰ অধিক উন্নত ৰাজ্যসমূহৰ দৰে সমানে ন্যায়সংগত অৰ্থনৈতিক বৰ্দ্ধন নিশ্চিত কৰিব।

**স্বচ্ছ ভাৰত অভিযান**

জনসাধাৰণক যথোপযুক্ত অনাময় ব্যৱস্থা সম্পৰ্কে সজাগ কৰিবলৈ তেজপুৰত অলপতে জিলা আইন সেৱা প্ৰাধিকৰণ আৰু জিলা স্বাস্থ্য সেৱাৰ যুটীয়া উদ্যোগত এটা স্বচ্ছ ভাৰত অভিযান অনুষ্ঠিত হয়। এই উপলক্ষে বক্তাসকলে স্বচ্ছ ভাৰত অভিযানত জনসাধাৰণক জড়িত কৰা সম্পৰ্কত গুৰুত্ব প্ৰদান কৰে আৰু কয় যে, সমাজৰ সকলো শ্ৰেণীৰ লোক দেশখন পৰিষ্কাৰ আৰু স্বাস্থ্যকৰ কৰি ৰাখিবলৈ ওলাই অহা উচিত। ঘৰ আৰু উদ্যোগসমূহত সৃষ্টি হোৱা আৱৰ্জনা সংগ্ৰহ কৰি অতি আধুনিক পদ্ধতি আৰু সঁজুলিৰে নিষ্কাষণ কৰি পৰিৱেশ প্ৰদূষণ নোহোৱাকৈ ৰখাৰ বিষয়ত বক্তাসকলে গুৰুত্ব প্ৰদান কৰে।